# বাজেট অধিৱেশন

(অসংশোধিত/প্ৰকাশৰ বাবে নহয়)

## কাৰ্যবিৱৰণী
## তাৰিখঃ ২১/৩/২০২৫ শুকুৰবাৰ

**ইংৰাজী ২১-০৩-২০২৫ তাৰিখে অসম বিধান সভাৰ বাজেট অধিবেশন পূৰ্ব্ব নিৰ্ধাৰিত কাৰ্য্যসূচীমতে ৰাতিপুৱা ৯.৩০ বজাত আৰম্ভ হয়।**

**মাননীয় অধ্যক্ষ** ঃ প্ৰশ্ন নং ২০১, সন্মানীয় সদস্য শ্ৰী পোনাকন বৰুৱা। মাননীয় মন্ত্ৰী ।

**শ্ৰী কেশৱ মহন্ত, (ৰাজহ আৰু দুৰ্য্যোগ ব্যৱস্থাপনা বিভাগৰ মন্ত্ৰী)** ঃ মাননীয় অধ্যক্ষ মহোদয়, উত্তৰ সদনৰ মজিয়াত ৰখা আছে।

**শ্ৰী পোনাকন বৰুৱা, (চাবুৱা)** ঃ মাননীয় অধ্যক্ষ মহোদয়, অসমত ২০০ বছৰ ধৰি এটা উদ্যোগ জীয়াই ৰখা আৰু অসমৰ জাতি জীৱনক সমৃদ্ধ কৰা, অসমৰ ভাষা, কলা-কৃষ্টি সকলো দিশকে আগুৱাই নিয়া চাহ জনগোষ্ঠীৰ লোকসকল। আজি মই সদনত বিচাৰিছিলো যে চাহ শ্ৰমিকসকলক মাটিৰ পট্টা কি দৰে দিয়া হৈছে বা কিমান সংখ্যক দিয়া হৈছে। উত্তৰ যি ধৰণে আহিছে, মই উত্তৰত সন্তুষ্ট হ'ব পৰা নাই। গতিকে মই আপোনাৰ মাননীয় মন্ত্ৰী মহোদয়ক জনাব বিচাৰিছো যে তেখেতৰ বিভাগ নহ'লেও শ্ৰমিক কল্যাণ বিভাগৰ পৰা যিখিনি তথ্য সংগ্ৰহ কৰিছে, সেই তথ্যটোৱে আমাক সন্তুষ্ট কৰিব পৰা নাই। আমি বিচাৰিছিলো যে অসমত কিমান সংখ্যক চাহ শ্ৰমিক আছে, স্থায়ী শ্ৰমিক কিমান, অস্থায়ী শ্ৰমিক কিমান, সেইখিনি পাইছো। কিন্তু প্ৰাক্তন চাহ শ্ৰমিকৰ সংখ্যা উপলব্ধ নাই বুলি কোৱা হৈছে। এইটো সম্পূৰ্ণভাৱে উপলুঙা কৰা হৈছে বুলি মই ভাৱো। গতিকে ইমান ডাঙৰ এটা বিভাগ, এই বিভাগে সেই সংখ্যাটো আহৰণ কৰিব নোৱাৰাটো আমাৰ বাবে দুখৰ কথা। যেনে- কাজিৰঙা অভায়ৰণ্যত কেইটা গড় আছে, সেইটোৰ হিচাপ আমি উলিয়াব পাৰো। ডিব্ৰু-চৌখোৱা ৰাষ্ট্ৰীয় উদ্যানত কেইযোৰা Feral Horse আছে, সেইটো চৰকাৰে জানে। ডিব্ৰু নদীত কিমানটা ৰিভাৰ দলফিন আছে, সেই তথ্যও চৰকাৰৰ ওচৰত আছে। কিন্তু এই চাহ বাগিছাৰ মানুহখিনিয়ে ২০০ বছৰ ধৰি বাস কৰি থকা তথ্য চৰকাৰৰ ওচৰত নাই। গতিকে এই ক্ষেত্ৰত আমি যথেষ্ট ক্ষোভিত হৈছো, আমি আশা কৰিম যে নিৰ্দিষ্ট সময়ৰ ভিতৰত তেওঁলোকে এই পৰিসংখ্যাটো উলিয়াব আৰু সেই সকলক উপকৃত কৰিব।

ইয়াৰ লগতে আমি বিচৰা প্ৰশ্ন অনুসৰি, আমাক জনোৱা হৈছে যে ১,৫৪, ৪৪৯ গৰাকীৰ স্থায়ী, অস্থায়ী, তেওঁলোকৰ নিজৰ মাটি পট্টা আছে। তাৰ বিপৰীতে অসমত ৩ লাখ ৮৫ হাজাৰতকৈ অধিক স্থায়ী আৰু ২,৯৭,৯৬৩ জন অস্থায়ী চাহ শ্ৰমিক আছে। মানে বেছি সংখ্যক চাহ শ্ৰমিক লোকক এতিয়ালৈকে মাটিৰ পট্টা দিব পৰা নাই। চৰকাৰে মিছন বসুন্ধৰা ১, ২, ৩ লৈকে আঁচনি গ্ৰহণ কৰিলে, মাত্ৰ কেইজনমানকহে বাদ দি অধিক সংখ্যক লোকে ইয়াত মাটি পাবলৈ সক্ষম হোৱা নাই আৰু একে লগতে ইয়াত জনোৱা হৈছে, কেইখনমান অধিসূচনা তথ্য ইয়াত দিয়া হৈছে, ভূমি পট্টা প্ৰদানৰ ব্যৱস্থা আছে বুলি কোৱা হৈছে। কিন্তু সেই অধিসূচনা অনুসৰি কিমান সংখ্যক লোকে মাটিৰ পট্টা পাইছে, তাৰ তথ্য ইয়াত নাই। গতিকে মিছন মোডত অসমৰ লক্ষ্য লক্ষ্য চাহ শ্ৰমিকসকলক উপকৃত কৰিব পৰাকৈ মাটিৰ পট্টা প্ৰদানৰ ব্যৱস্থা শীঘ্ৰে গ্ৰহণ কৰিবৰ কাৰণে চৰকাৰে কি ব্যৱস্থা গ্ৰহণ কৰিছে, মাননীয় অধ্যক্ষ মহোদয়ৰ জৰিয়তে মন্ত্ৰী মহোদয়ৰ পৰা

জানিব বিচাৰিছো।

**মাননীয় অধ্যক্ষ ঃ** মন্ত্ৰী ডাঙৰীয়া।

**শ্ৰী কেশৱ মহন্ত, (ৰাজহ আৰু দুৰ্য্যোগ ব্যৱস্থাপনা বিভাগৰ মন্ত্ৰী) ঃ** মাননীয় অধ্যক্ষ মহোদয়, গোটেই বিষয়টো হৈছে চাহ শ্ৰমিক সকলক ভূমি পট্টা দিয়া। চাহ শ্ৰমিক সকলক ভূমি পট্টা দিয়াৰ ক্ষেত্ৰত যিখিনি সময়ে সময়ে ব্যৱস্থা গ্ৰহণ কৰি আহিছে, তাৰ ভিতৰতে আমাৰ উল্লেখযোগ্য ব্যৱস্থাটো আৰম্ভ হৈছে, যেতিয়া আমাৰ ৰাজ্যত বি.জে.পি নেতৃত্বাধীন মিত্ৰজোঁটৰ চৰকাৰখন হৈছিল আৰু চৰকাৰখন হোৱাৰ পিছত ২০১৬ চনৰ জুন মাহৰ ১০ তাৰিখে এখন notification দিয়া হৈছিল, সেই notification খনত গোটেই প্ৰক্ৰিয়াটো আমি সহজ কৰি দিলো, এনেকৈ সহজ কৰি দিলো যে যেতিয়া আমি LAC বহিব লাগে, তাৰ সলনি এখন সমিতি, তাত Additional Deputy Commissioner এজন Chairman, বিধায়ক সদস্য আৰু যিকোনো leading citizen, Tea Garden বা Ex-Tea Garden সম্প্ৰদায়ৰ পৰা এজন সদস্য আৰু ৰাজহ বিভাগৰ চক্ৰ বিষয়াজন Member Secretary। এই সমিতিখনে চাহ বাগিছাৰ লোকক মাটি পট্টা দিব পাৰে। এই ব্যৱস্থাটোৰ ২০১৬ চনৰ জুন মাহৰ ১০ তাৰিখে notification উলিওৱা হৈছিল। গতিকে চাহ শ্ৰমিকৰ ক্ষেত্ৰত আজিৰ চৰকাৰখনে এক বলিষ্ঠ পদক্ষেপ গ্ৰহণ কৰিছে।

দ্বিতীয় কথা, বাকী যিখিনি কথা কোৱা হৈছে যে চাহ শ্ৰমিকসকলৰ কাৰণে আমি চাব লাগিব যে চৰকাৰী মাটি ক'ত আছে, Tea Garden বা Ex-Tea Garden য়ে হওঁক, তেওঁলোকে যদি চৰকাৰী মাটিত আছে, তেতিয়া হ'লে আমাৰ মাটি পট্টা দিয়াত কোনো অসুবিধা নাই।

যেতিয়া বসুন্ধৰা ২ ত কিছুমান restriction আছিল যে বসুন্ধৰা ২ ত তিনিটা প্ৰজন্মৰ legacy টো লাগে। এতিয়া চাহ শ্ৰমিকৰ কাৰণে তিনিটা প্ৰজন্মৰ legacy টো দিয়া হ'ল। এতিয়া তেওঁলোকৰ কোনো legacy নালাগে, তেওঁলোকে আবেদন কৰিলে পাব। গতিকে বসুন্ধৰা ২ ত আমি যেতিয়া পট্টা দিছিলো, তেতিয়া সংখ্যাটো, সন্মানীয় সদস্য পোনাকন বৰুৱাই কওঁতে অলপ কম হৈছে যে ১৯,৬৮৪ টা পৰিয়ালে পাইছে। এতিয়া এই তিনিটা প্ৰজন্মৰ legacy যেতিয়া চাহ শ্ৰমিকসকলৰ কাৰণে আতঁৰাই দিয়া হ'ল, এই খিনি সহজে উপলব্ধ হ'ব পৰা গ'ল।

এতিয়া ইমানখিনি কৰাৰ পিছতো, এটা কথা আমি দেখিবলৈ পাইছো যে এই চাহ শ্ৰমিকসকলে য'ত বসবাস কৰি আছে, কোনোবাই বাগিছাৰ মাটিত, কোনোবাই কোম্পানীৰ মাটিত। গতিকে এনেকুৱা আইন আনিব লাগিব যে কোম্পানীৰ মাটিত কিমান বছৰ বহি থাকিলে, তেওঁলোকক পট্টা দিব পৰা যাব। গতিকে ইয়াৰ কাৰণে এটা Task Force ইতিমধ্যে গঠন কৰা হৈছে। গতিকে এই Task Force ৰ report টো পোৱাৰ পিছত, বৰ্তমানে থকা মাটিখিনিত কেনেকৈ পট্টা দিব পৰা যায়, তাৰ বাবে চৰকাৰে এটা পদক্ষেপ গ্ৰহণ কৰিব পাৰিব।

**মাননীয় অধ্যক্ষ ঃ** ধন্যবাদ।

**শ্ৰী পোনাকন বৰুৱা, (চাবুৱা) ঃ** মাননীয় অধ্যক্ষ মহোদয়, মাননীয় মন্ত্ৰী মহোদয়ে কথাখিনি উনুকিয়াই কৈছে। একেলগতে মই জানিব বিচাৰিম যে অসমৰ মাননীয় মুখ্যমন্ত্ৰীকে ধৰি আমাৰ চৰকাৰখনে বিভিন্ন সময়ত কৈ আছে যে চাহ শ্ৰমিকসকলে যিসমূহত কোৱাটাৰত বাস কৰে, বাগিছা সমূহত যিবিলাক শ্ৰমিক লাইন আছে, সেই লাইনত মাটিবিলাক স্থানান্তৰ কৰি তেওঁলোকক মাটি পট্টা দিয়াৰ কথাটো কোৱা হয়। কিন্তু সেই মাটিবিলাক আঁচলতে চাহ ম্যাদী মাটি হয়। চাহ ম্যাদী মাটি হৈ থকা অৱস্থাত তেওঁলোকক মাটিৰ পট্টা দিয়াটো সম্ভৱ নহয়। গতিকে এই চাহ

ম্যাদীটো উঠাই ল'ব লাগে।

একে লগতে চাহ বাগিছাসমুহত চাহ খেতি নকৰা বহুত মাটি আছে, সেই মাটি সমূহৰ ক্ষেত্ৰতো এই আইন প্ৰযোজ্য হ'ব লাগে। যিহেতু চৰকাৰে ৫ শতাংশ চাহ বাগিছাৰ মাটি অন্য কামত ব্যৱহাৰ কৰিব পাৰে বুলি ইতিমধ্যে সিদ্ধান্ত গ্ৰহণ কৰিছে, গতিকে তেনে নিয়মৰ আঁওতাত এই কথাখিনি আনি চাহ শ্ৰমিক সকলক মাটিৰ পট্টা দিয়াৰ ব্যৱস্থা কৰিব লাগে। কোৱাটাৰ সমূহ তেওঁলোকৰ নামত আৱন্টন দিয়াৰ ব্যৱস্থা কৰিব লাগে। আমি জানো যে চাহ জনগোষ্ঠীয় সমাজখনে ২ শ বছৰ ধৰি বৰ্তী থাকি অসমৰ চাহ শিল্পক সমৃদ্ধ কৰিছে, অসমৰ জাতীয় জীৱনক সমৃদ্ধ কৰিছে। দীৰ্ঘদিন ধৰি অসমত যিসকলে শাসন কৰিছিল, চাহ শ্ৰমিকসকলৰ উন্নতিৰ কাৰণে একো কৰা নাছিল। মই বিশ্বাস কৰো যে ড° হিমন্ত বিশ্ব শৰ্মা ডাঙৰীয়াৰ নেতৃত্বাধীন চৰকাৰখনে দায়িত্ব লোৱাৰ পিছত অসমৰ চাহ জনগোষ্ঠীয় লোকসকলৰ বাবে শিক্ষা, স্বাস্থ্যৰ লগতে আন বিভিন্ন ক্ষেত্ৰত যিমান কাম কৰা হৈছে, আন চৰকাৰে কৰা নাই। ড° হিমন্ত বিশ্ব শৰ্মা ডাঙৰীয়া মুখ্যমন্ত্ৰী থকা অৱস্থাত চাহ শ্ৰমিকসকলক যদি মাটিৰ পট্টা দিব পৰা নাযায়, সুদূৰ ভৱিষ্যতে কিন্তু এইটো সম্ভৱ হৈ নুঠিব। গতিকে মই মাননীয় মন্ত্ৰী মহোদয়ৰ জৰিয়তে জানিব বিচাৰিছো যে চাহ বাগিছাত যিবিলাক শ্ৰমিক লাইনৰ মাটি ম্যাদী পট্টাৰ অন্তভূক্ত হৈছে, সেইখিনি মাটি ম্যাদী মুক্ত কৰিব লাগে। চাহ খেতিৰ বাবে অব্যৱহৃত মাটিখিনি ম্যাদী মুক্ত কৰিবৰ বাবে অতি শীঘ্ৰে ব্যৱস্থা গ্ৰহণ কৰিব লাগে। মাননীয় অধ্যক্ষ মহোদয়, এই বিষয়টো খুৱে গুৰুত্বপূৰ্ণ।

**মাননীয় অধ্যক্ষ** ঃ মন্ত্ৰী ডাঙৰীয়া।

**শ্ৰী কেশৱ মহন্ত, (ৰাজহ আৰু দুৰ্যোগ ব্যৱস্থাপনা বিভাগৰ মন্ত্ৰী)**ৈ ঃ মাননীয় অধ্যক্ষ মহোদয়, তেখেতে যিখিনি কথা এতিয়া আগবঢ়াইছে, গোটেইখিনি কথাৰ বিষয়টো হৈছে যে কোম্পানীৰ মাটিত থকা, আনে লিজত লোৱা মাটি থকা চাহ শ্ৰমিকক আমি মাটিৰ পট্টা দিব লাগে। গতিকে ইয়াৰ আইনৰ নিশ্চয় সংশোধন নহলে, সেই বাগানৰ লাইনত থকা মাটিত পট্টা দিব নোৱাৰিব। গতিকে আমি Task Force গঠন কৰোতে আমি কৈছো যে "the task force is hereby constituted with the followin officers to examine the legal provisions of Assam fixation of ceiling of land holding as 1956 and suggest the necessary changes to allow ownership rights to the workers of the tea gardens for their house side." এইটোৰ পাছত এইখিনি Examine হৈ আছে ইয়াৰ পৰা এটা প্ৰজিটিভ ৰিপোৰ্ট আহিব বুলি আমি ভাৰিছো আৰু পজিটিভ ৰিপোৰ্টটো আহিলে তেখেতে কোৱা আটাইখিনি কথাৰে সমাধান হ'ব।

**মাননীয় অধ্যক্ষ** ঃ ধন্যবাদ।

**শ্ৰীদেৱব্ৰত শইকীয়া, (বিৰোধী দলৰ দলপতি)** ঃ মাননীয় অধ্যক্ষ মহোদয়, নাজিৰাত অসম চাহ কোম্পানীৰ মুখ্য কাৰ্য্যালয় হৈছিল যিটো ১৮৪৮ চনত চাহ খেতিৰ বাবে আনুষ্ঠানিক ভাৱে আয়োজন কৰা হৈছিল। তাত এতিয়া বহুত মাটি আছে যিবিলাক আমাৰ চৰকাৰী ক্লাছিফিকেচন মতে নপৰে, কিবা জংঘল বুলি কয় আৰু কিবা বুলি কয়। সেই গতিকে মিছন বসুন্ধৰাত দ্বিতীয় পৰ্য্যায়ত আমাৰ নাজিৰা চক্ৰত ৬ হাজাৰতকৈ অধিক মানুহে আবেদন কৰাৰ পিছত ১৫০০ মানুহৰ success হ'ল। ৪৫০০ মানুহে তাত সুফল নাপালে। এতিয়া মিছন ৩ ত মাত্ৰ ১৫০০ মানুহে আবেদন কৰিছে, যিহেতু তেওঁলোকৰ দ্বিতীয় পৰ্য্যায়ত নহ'ল। সেই গতিকে কিছুমান ক্লাছিফিকেচন নতুন কৰিব লাগিব। তেতিয়াহে আমাৰ সমষ্টিৰ কিছুমান আদৰ্শ গাঁও আৰু এনেকুৱা চাহ কোম্পানীৰ পৰিতপ্ত

মাটিত বহি থকা, চিলিং চাৰ্প্লাছ মাটিত বহি থকা মানুহ সকলে সুফল পাব। সেই গতিকে এনেকুৱা ধৰণৰ ৰিক্লাছিফিকেচন কৰাৰ ব্যৱস্থা কৰিব নেকি মই মন্ত্ৰী মহোদয়ৰ পৰা জানিব বিচাৰিছো।

**মাননীয় অধ্যক্ষ** ঃ মাননীয় মন্ত্ৰী।

**শ্ৰীকেশৱ মহন্ত, (মন্ত্ৰী) ঃ** মাননীয় অধ্যক্ষ মহোদয়, আমাৰ বিৰোধীদলৰ দলপতি ডাঙৰীয়াই যিটো বিষয় উত্থাপন কৰিছে মাটিৰ বিভিন্ন ক্লাছিফিকেচনৰ ক্ষেত্ৰত কেতিয়াবা ফৰিংগলি কথা কৈছে, এতিয়া এগৰাকী ব্যাক্তিক মাটি আবন্টন দিয়া বা পট্টা দিয়াৰ ক্ষেত্ৰত কোন কোন ক্লাছৰ মাটি পট্টন দিব পাৰে। হয়তো আইনগত বাধাৰ কাৰণে সেইটো হ'ব পৰা নাই। আৰু মাটিৰ ক্লাছিফিকেচন পৰিবৰ্তন কৰাত নিয়মমতে কোনো অসুবিধা নাই। গতিকে তেখেত সকলৰ পৰা তেনেকুৱা প্ৰস্তাৱ আহিলে চৰকাৰে নিশ্চয় বিবেচনা কৰিব।

**মাননীয় অধ্যক্ষ** ঃ ধন্যবাদ। এতিয়া শ্ৰীতেৰছ গোৱালা।

**শ্ৰীতেৰছ গোৱালা, (দুলীয়াজান)** ঃ মাননীয় অধ্যক্ষ মহোদয়, মাননীয় সদস্য পোনাকণ বৰুৱাৰ প্ৰশ্নটো অতি গুৰুত্বপূৰ্ণ কাৰণ চাহ বাগিছাৰ যিখিনি চাহম্যাদী মাটি কোনো দিন তাত চাহ গছ নাই আৰু মই তিনিটা জেনেৰেচনত সেই হিচাপে আছো মই ভাৰো মোতকৈ বেছি বেলেগে নাজানিবঙ্গ গতিকে মই ভাৰো যে তাত এন অ' চি টো উঠাই দিলে সেৱা পৰ্টেলত আমি এপ্লাই কৰিব পাৰো। আৰু এই চৰকাৰী মাটি যেতিয়া আবন্টন দিওঁ ৩ বছৰ যদি আমি দখল কৰিব নোৱাৰো তেতিয়াহলে চৰকাৰে নিজে লৈ লয়। গতিকে চাহম্যাদীত চাহ গছৰ কোনো সম্পৰ্ক নাই সেই মাটিৰ কিবা এটা ব্যৱস্থা কৰিব লাগে।

**মাননীয় অধ্যক্ষ** ঃ মাননীয় মন্ত্ৰী।

**শ্ৰীকেশৱ মহন্ত, (মন্ত্ৰী) ঃ** মাননীয় অধ্যক্ষ মহোদয়, আমাৰ সন্মানীয় বিধায়ক তেৰছ গোৱালা ডাঙৰীয়াই যিটো কথা কৈছে এই গোটেই কথাটো এই বিষয়ে কৈ আহিছো, মানে চাহ বাগিছাৰ মাটি চাহম্যাদীয়ে হওঁক, কোনোবা ম্যাদিপট্টাৰ মাটিতে কোনোবাই চাহ কৰি আছে, যিয়ে নহওঁক গতিকে যিটো তেওঁলোকৰ আইনগত বাধা এই আইনগত বাধাটো আৰু এটা আইন সংশোধন কৰিলেহে আমি উঠাব পাৰিম। গতিকে এই কতো কোনো সমস্যা নোহোৱাৰ কাৰণে task force টো কৰা হৈছে। আৰু task force টোৰ terms and references ত এইটো কথা লিখি দিয়া হৈছে যে কেনেকৈ চাহ বাগিছাত বহি থকা লোকক পট্টা দিবলৈ এলাও কৰিব পাৰে এই টো examine কৰি দিয়া। গতিকে আমি এইটোৰ এটা নিশ্চয় পজিটিভ ৰিজাল্ট সোনকালে পাম।

**মাননীয় অধ্যক্ষ** ঃ ধন্যবাদ। এতিয়া প্ৰশ্ন নং ২০২। মাননীয় মন্ত্ৰী।

**শ্ৰীঅশোক সিংহল, (মন্ত্ৰী)** ঃ অধ্যক্ষ মহোদয়, উত্তৰ সদনৰ মজিয়াত ৰখা হৈছে।

**শ্ৰীজাকিৰ হুছেইন সিকদাৰ, (সৰুক্ষেত্ৰী)** ঃ মাননীয় অধ্যক্ষ মহোদয়, জলসিঞ্চন বিভাগৰ জৰিয়তে মই প্ৰতিনিধিত্ব কৰা সৰুক্ষেত্ৰী সমষ্টিত কি কি আঁচনি চলি আছে আৰু পৰৱৰ্তী সময়খিনিত বিভাগে কি কি আঁচনি গ্ৰহণ কৰিব প্ৰশ্ন দিছিলো উত্তৰো দিছে আৰু উত্তৰত জলসিঞ্চন বিভাগে যিখিনি কাম-কাজ কৰি আছে গোটেইখিনি স্পষ্ট হৈ গৈছে তেওঁলোকৰ বিভাগৰ উত্তৰ মতে বেছি ভাগ আঁচনি যিটো চলি থকা বুলি দেখুৱাইছে কিন্তু ব্ৰেকেটত আকৌ আংশিকভাৱে কাৰ্য্যক্ষম বুলিহে কৈছে। অৰ্থাৎ আঁচনি একেবাৰে গোটেইখিনি বন্ধ হৈ থকা বুলি কলে ভুল নহয়। আপোনাৰ জৰিয়তে মাননীয় মন্ত্ৰী ডাঙৰীয়াক আহ্বান জনাব বা মন্ত্ৰী ডাঙৰীয়াৰ পৰা জানিব বিচাৰিম সময়ে সময়ে মাননীয় মন্ত্ৰী ডাঙৰীয়াই বা চৰকাৰে জলসিঞ্চন বিভাগত আৰু অধিক কাৰ্য্যকৰী কৰাৰ কথা কয়, খেতিপথাৰত বেছি পানী দিয়াৰ কথা কয়, বেছিকৈ কৃষক সকলক কেনেকুৱা বেছি তেওঁলোকৰ

লগত যুক্ত কৰিব পাৰি তাৰ কথা কয়, কিন্তু যি সমূহ আঁচনি চলি আছে সেইখিনি আঁচনি সম্পূৰ্ণ ভাৱে চলাব পৰা নাই। গতিকে সম্পূৰ্ণ ভাৱে আঁচনি যিখন কাৰ্য্যক্ষম কৰিব পৰা নাই তেনেক্ষেত্ৰত জলসিঞ্চন বিভাগে কেনেকৈ নতুন আঁচনি ল'ব এই কথাটো আজিৰ তাৰিখত কিন্তু আমাৰ সন্মুখত এটা অবাস্তৱ যেন লাগে। গতিকে মন্ত্ৰী ডাঙৰীয়াৰ পৰা মই জানিব বিচাৰিম যিহেতু ইয়াত উত্তৰ দিছে গতিকে মই বেছিকৈ কব নিবিচাৰো। যিখিনি সৰুক্ষেত্ৰী সমষ্টিত আংশিকভাৱে কাৰ্যক্ষমৰ যিখিনি আঁচনি, এই আঁচনিখিনি সম্পূৰ্ণভাৱে কাৰ্যক্ষম কেতিয়াৰ পৰা হ'ব মাননীয় মন্ত্ৰী ডাঙৰীয়াৰ পৰা জানিব বিচাৰিছো আৰু দুটা আঁচনি একেবাৰে বন্ধ হৈ আছে। নিজহালোগাওঁ বৈদ্যুতিক উত্তলিত জলসিঞ্চন আঁচনি আৰু এটা বৈদ্যুতিক উত্তলিত জলসিঞ্চন আঁচনি, এই বন্ধ হোৱা আঁচনি সমূহ কেতিয়াৰ পৰা কাৰ্যক্ষম হ'ব?

**মাননীয় অধ্যক্ষ** ঃ মাননীয় মন্ত্ৰী।

**শ্ৰীঅশোক সিংহল, (মন্ত্ৰী)** ঃ মাননীয় অধ্যক্ষ মহোদয়, বিভাগে সময়ে সময়ে review বা ফিল্ড ভিজিটৰ জৰিয়তে যদি আংশিক ভাৱে কৰবাত চলি আছে তাৰ কাৰণটো কি আৰু আমি যদি কিবা extra budget provide কৰি আঁচনিটো পূৰ্ণ গতিত চলাৰ ব্যৱস্থা কৰিব পাৰো নেকি তেনেকুৱা থাকিলে আমি কৰো। মাননীয় বিধায়ক ডাঙৰীয়াই যিটো প্ৰশ্ন উত্থাপন কৰিছে যে কেতিয়া হ'ব, বিভাগৰ এটা টিম অহা ১০/১৫ দিনৰ ভিতৰত তেখেতৰ সমষ্টিত গৈ যিখিনি আঁচনি আছে সেই খিনি ভিজিট কৰিম আৰু যিখিনি কৰিব পৰা যায় সেইখিনি আমি কৰাৰ ব্যৱস্থা কৰিম। লগতে এটা পইন্ট মই কৈ দিব খুজিছো the gross irrigated area in the state uptill 2015-16 was 4.55 lakh hectare. অৰ্থাৎ ২০১৫-১৬ লৈ অসমত ৪ লাখ ৫৫ হাজাৰ হেক্টৰ মাটিত irrigationৰ সুবিধা আছিল। ২০১৫-১৬ ত অৰ্থাৎ আমাৰ চৰকাৰৰ যোৱা ১০ বছৰত এই পৰিমাণটো ৪ লাখ ৫৫ হাজৰৰ পৰা বাঢ়ি ৮ লাখ ৮০ হাজাৰ হেক্টৰ হ'ল। অৰ্থাৎ যোৱা ১০ বছৰত আমি irrigation potential মানে gross irrigated area টো দুগুণ কৰিলো বুলি মই আপোনাৰ জৰিয়তে সদনক জনাব বিচাৰিছো।

**মাননীয় অধ্যক্ষ** ঃ ধন্যবাদ।

**শ্ৰীজাকিৰ হুছেইন সিকদাৰ, (সৰুক্ষেত্ৰী)** ঃ মাননীয় অধ্যক্ষ ডাঙৰীয়া, মন্ত্ৰী ডাঙৰীয়াই এনেকুৱা কথা বোৰ বিধান সভাত তেখেতে মন্ত্ৰী হোৱাৰ পাছৰে পৰা প্ৰায়ে চৰকাৰ খনে জলসিঞ্চন বিভাগত এনেকুৱা কথাবোৰ কৈয়ে থাকে। কিন্তু বাস্তৱত, যিটো দুগুণৰ কথা কয়, যিটো আছে সেইটোৱে কাৰ্য্যক্ষম হৈ থকা নাই গতিকে দুগুণ কোৱা কথাবোৰ আমি মানি ল'ব নোৱাৰো। আপোনাৰ জৰিয়তে মই মাননীয় মন্ত্ৰী ডাঙৰীয়াক প্ৰশ্ন কৰিব বিচাৰিছো যে জলসিঞ্চন বিভাগে বৰপেটা জিলাত কি কি আঁচনি লৈছে সেই আঁচনি খিনিৰ পৰিকল্পনাৰ কথাত তেখেত সকলে বিধান সভাৰ ৱেবচাইটত দিয়া বুলি কৈছে কিন্তু অধ্যক্ষ ডাঙৰীয়া, আমাৰ যেতিয়া লগে লগে প্ৰশ্নকালীন সময় আহি যায়, লগে লগে আমি ৱেবচাইডত তথ্যখিনি নাপাও। গতিকে তথ্যত কি দিছে আমি নাজানো। কিন্তু মই এজন বিধায়ক হিচাপে বৰপেটা জিলাৰ বা আন বিধায়ক সকলে নিশ্চিত ভাৱে জলসিঞ্চন বিভাগে কি কি আঁচনি লৈছে আমি জ্ঞাত নহয়। আৰু এই বিভাগে যদি আঁচনি লয় আমাৰ পৰা কোনো পৰামৰ্শ নলয়। বৰপেটা জিলা এনে এখন জিলা য'ত জলসিঞ্চন বিভাগে কাম কৰাৰ যথেষ্ট খিনি থল আছে আৰু তাৰ পৰা কৃষক সকলে যথেষ্ট উপকৃত হ'ব পাৰে। গতিকে মাননীয় মন্ত্ৰী ডাঙৰীয়াৰ পৰা মই জানিব বিচাৰিছো যে আহি থকা দিনত বৰপেটা জিলাত জলসিঞ্চন বিভাগে কি কি আঁচনি লৈছে আৰু আঁচনি সমূহ কেতিয়া কাৰ্যক্ষম হ'ব আৰু বিভাগে বিধায়ক সকলক কিয় জড়িত নকৰে

তাৰ কথাও  মই মাননীয় মন্ত্ৰীৰ পৰা জানিব বিচাৰিছো।

**মাননীয় অধ্যক্ষ ঃ** মাননীয় মন্ত্ৰী।

**শ্ৰীঅশোক সিংহল, মন্ত্ৰী ঃ** অধ্যক্ষ মহোদয়, মই সদনত আপোনাৰ মাধ্যমেৰে জনাব পাই সুখী হৈছো যে প্ৰত্যেক জিলাত District Irrigation Master Plan এটা আমি ৰেডি কৰিছো। বিধায়ক সকলৰ লগত বহা হৈছে, ডি চি ৰ লগত বহিছে, ইৰিগেচন বিভাগৰ অফিচৰ সকলে বহিছে আৰু এই গোটেই প্লেনটো এপ্ৰোভ হৈ আহিছে জিলাৰ পৰা।

**শ্ৰীদিগন্ত বৰ্মন ঃ** ছাৰ, আমাৰ লগত কোনো ধৰণৰ আলোচনা হোৱা নাই।

**শ্ৰীআব্দুৰ ৰহিম আহমেদ ঃ** ছাৰ, আমাৰ লগত যোগাযোগ হোৱা নাই।

**শ্ৰীঅশোক সিংহল, মন্ত্ৰী ঃ** মাননীয় অধ্যক্ষ মহোদয়, যদি বিচাৰে State Irrigation Master Plan টো মই আপোনাৰ জৰিয়তে সদনত দি দিম। যাতে সদস্য সকলে চাই লব পাৰিব যে অহা ৫ বছৰৰ কাৰণে আমি কি কি পৰিকল্পনা কৰিছো। সাধৰণতে নতুন প্ৰকল্প লোৱাৰ আগতে কৃষি বিভাগে কৃষক সকলৰ লগত বৈঠক অনুষ্ঠিত কৰা হয় যে ইয়াত আমি আঁচনি দি আছো। Investigation কৰা হয়। আজি যদি কোনোৱাই কয় কি আমাৰ ইয়াত আঁচনি দিব লাগে তাত potential থাকিব লাগিব, পানীৰ কিবা ব্যৱস্থা বা চোৰ্চ থাকিব লাগিব তেতিয়াহে প্ৰকল্পবোৰ কৰিব পৰা যায় আৰু এই কাৰণে এই গোটেই বস্তু সামৰি District Irrigation Master Plan কৰা হৈছে। বিধায়ক সকলে District Irrigation Master Plan চাব পাৰে। আৰু আপোনালোকে যদি তাত কিবা পৰামৰ্শ দিয়ে বা কিবা সংশোধন কৰিব বিচাৰে আমাৰ কোনো আপত্তি নাই। আপোনালোকৰ জিলাত বহি সংশোধন কৰি আমাক দিয়ক আমি incorporate কৰি লম State Master Planত ।

**শ্ৰী জাকিৰ হুছেইন সিকদাৰ,(সৰুক্ষেত্ৰী)ঃ** মাননীয় অধ্যক্ষ মহোদয়, আমি পৰাৰ্মশ দিছো আৰু মোৰ লগতে গোটেই সমষ্টিৰ বিষয়ে আন বিধায়ক সকলো জ্ঞাত যে বিভাগৰ বিষয়া জন এই বিষয়ত যিমান জ্ঞাত তাতকৈ আমি অলপ বেছি জ্ঞাত। কিন্তু যদি আমি উত্তৰ দিশে পৰাৰ্মশ দিওঁ তেতিয়াহ'লে বিভাগত বিষয়া সকলে দক্ষিণ ফালে গৈ থাকে। গতিকে মাননীয় মন্ত্ৰী মহোদয়ে যিটো কথা কৈছে সেইটো আমাৰ লগত আলোচনা হোৱাৰ কথা, কিন্তু বাস্তৱত আচলতে হোৱা নাই। মই এই কথাখিনি দায়িত্ব সহকাৰে কৈছো।

**মাননীয় অধ্যক্ষঃ** শ্ৰী আফতাৰ উদ্দিন মোল্লা।

**শ্ৰী আফতাৰ উদ্দিন মোল্লা, (জলেশ্বৰ )ঃ** মাননীয় অধ্যক্ষ মহোদয়, মই আপোনাৰ জৰিয়তে মন্ত্ৰী মহোদয়ক সুধিব বিচাৰিছো যে Question টো এনেকুৱা আছিল যে মোৰ যিহেতু জলেশ্বৰ সমষ্টি  আৰু লগতে মাননীয় মন্ত্ৰী মহোদয় আমাৰ Guardian Minister। তেখেতে আমাৰ সমষ্টিৰ বিষয়ে ভালদৰে জানে। মোৰ সমষ্টিত এটা ভাল আঁচনি আছে, সেইটো হৈছে Ghagua Irrigation Scheme. এই আঁচনি খনৰ জৰিয়তে প্ৰায় ৩০ হাজাৰ বিঘা মাটিত  মানুহে খেতি -বাতি কৰিব পৰা আছিল। প্ৰায় ২০ খন গাঁও যেনেদৰে পলদিবাৰী, ডামবীৰবাচা, ঝাতলি, গাৰোজান, চিমলাবাৰী, গোলকেৰপাম,  পটিমাৰী, কুলচেৰ ভিতা, দাকাৰ ভিতা, কুমেৰ গাওঁ এই অঞ্চলৰ মানুহ বোৰে খেতি-বাতি কৰিব পাৰে। কিন্তু কেইবছৰ মানৰ পৰা  বানপানীৰ সময়ত মেঘালয়ৰ পৰা অহা পানীয়ে আমাৰ অঞ্চল বোৰৰ ৰাস্তা-ঘাট, দলং আৰু আমাৰ irrigration ৰ Canal বোৰ বেয়া কৰি পেলাই আহিছে। কিন্তু চৰকাৰৰ ফালৰ পৰা ইয়াৰ বাবে কোনো ধৰণৰ সহায়ৰ বাবে ব্যৱস্থা কৰা দেখা পোৱা নাই। এইবাৰ মই আমাৰ MGNREGA আৰু LAD

Fund ৰ পৰা এই কাম বোৰত সহায় কৰি আহিছে। আমি LAD Fund ৰ পৰা মাত্ৰ ১ কোটি টকাহে পাওঁ। কিন্তু irrigation বিভাগৰ ফালৰ পৰা আমাৰ যিটো switch gate আছে, সেই switch gate টো সম্পূৰ্ণৰূপে বেয়াহৈ ভাঙি আছে। গতিকে সেইবোৰ বিভাগৰ ফালৰ পৰা ঠিক নকৰিলে ভাল নহব। মই দেখিছো যে বিভাগৰ Engineer বা SDO সকলক পোৱা নায়ায়। গতিকে এই Ghagua Irrigation Scheme টো যাতে ঠিক কৰি আমাৰ এই ৩০ হাজাৰ বিঘা মাটিত যাতে খেতি-বাতি কৰিব পাৰে আৰু ৰাইজে যাতে খেতি-বাতি কৰি উপকৃত হ'ব পাৰে।

**মাননীয় অধ্যক্ষঃ** Hon'ble Minister

**শ্ৰী অশোক সিংহল, (মন্ত্ৰী)ঃ** মাননীয় অধ্যক্ষ মহোদয়,Ghagua এটা ভাল আঁচনি, মাননীয় সদস্য গৰাকীয়ে ঠিকে কৈছে। আৰু আমাৰ feasibility study চলি আছে। অহা বছৰৰ পৰা ২০২৫-২৬ বৰ্ষত (SMIS) Small and Medium Irrigation Scheme ত Ghagua আঁচনি খন লব পাৰি নেকি তাৰ বাবে আমাৰ feasibility study চলি আছে।

**মাননীয় অধ্যক্ষঃ** ড° ৰফিকুল ইছলাম।

**ড° ৰফিকুল ইছলাম,(জনীয়া)ঃ** মাননীয় অধ্যক্ষ মহোদয়, মাননীয় মন্ত্ৰী মহোদয়ে যে Master plan বনাই আছে আৰু আমাৰ লগত বহি আলোচনা কৰাৰ কথা কৈছে, কিন্তু Master plan বনাওতেই যদি বছৰ বছৰ যায়, তেতিয়াহলে মানুহে পানী কেতিয়া পাব। মই দেখিছো যে, যে ইয়াত যিখন তালিকা দিছে তাত কিছুমান অঞ্চলত বছৰ বছৰ ধৰি কোনো আঁচনি লোৱা হোৱাই নাই। মাননীয় মন্ত্ৰী মহোদয়ে দায়িত্ব লোৱাৰ পাছত মোৰ সমষ্টিত কোনো আঁচনিৰ কাম চলি থকা নাই। ইয়াৰ আগতেও আমাৰ সমষ্টিত যিবোৰ আঁচনি লৈছিল সেই বোৰোও partially damage হৈ আছে। আগতে Bhatkuchi আঁচনি নামৰে এটা পুৰণি আঁচনি আছিল, যদিও সেইটো damage হৈ আছে আৰু নতুন কোনো আঁচনি নাই। আজিৰ পৰা 4/5 বছৰৰ আগৰ চৰকাৰৰ সময়ত কিছু গভীৰ নলী-নাদ ৰ বাবে যিবোৰ আঁচনি লৈছিল, সেইবোৰ আঁচনিৰ দ্বাৰা কোনো পানী দি থকা নাই। তাত বিদ্যুৎৰ বা solar কোনো ব্যৱস্থা নাই। গতিকে মাননীয় মন্ত্ৰী মহোদয়ৰ ওপৰত মোৰ এটা আপত্তি থাকিল যে, ইয়াত তিনিটা crops কৰা অঞ্চল সমূহত আৰু আমাৰ তাত থকা বেকী, মানস, চাউলখোৱা, ব্ৰহ্মপুত্ৰ আদি নদী সমূহৰ পৰা পানী যোগান দিয়াৰ বাবে সঠিক অধ্যয়ন কৰি এই অঞ্চল বোৰত জলসিঞ্চনৰ ব্যৱস্থা কৰিব নে নাই তাৰ বাবে মাননীয় মন্ত্ৰী মহোদয়ৰ ওচৰত মোৰ অনুৰোধ থাকিল।

**অধ্যক্ষ মহোদয়ঃ** মাননীয় মন্ত্ৰী ।

**শ্ৰী অশোক সিংহল, (ঢেকিয়াজুলী)ঃ** মাননীয় অধ্যক্ষ মহোদয়, master plan বনাওঁতে বছৰ বছৰ ধৰি সময় লগা নাই আৰু ইতিমধ্যেই আমি master plan প্ৰস্তুত কৰি দিলো। জিলাত এই বিষয়ে এবাৰ নহয় কেইবাবাৰো আমি মিটিং কৰিছিলো। এবাৰ নহয় 5/6 বাৰ আমি ঘুৰাই দিছো যে এইটো আপোনালোকে incorporate কৰক বা নতুনকৈ ব্যৱস্থাবোৰ গ্ৰহণ কৰক। আৰু ইয়াৰ পাছত বহুত Intensive Discussion, Consultation ৰ পাছত District ৰ Master plan বোৰ কৰা হৈছে। গতিকে মাননীয় বিধায়ক মহোদয়ে এই কথাটো কোৱা উচিত নহয় যে আমি বছৰ বছৰ ধৰি যদি Master plan বোৰকে বনাই থাকো, তেতিয়াহ'লে আমাৰ কাম বোৰ কেতিয়া হ'ব। আৰু এই কামবোৰ হওঁতে মাননীয় অধ্যক্ষ মহোদয, কিছু সময় লাগিব। মাননীয় মুখ্যমন্ত্ৰী মহোদয়ে নিৰ্দেশ দিছে যে এতিয়াৰ পৰা আমি অসমত ডাঙৰ ডাঙৰ প্ৰকল্পৰ irrigation

ৰ আমি কৰিব লাগিব। আৰু তাৰ বাবে আমি ইতিমধ্যে NINFET ক দিছো অধ্যক্ষ মহোদয়। NINFET is assigned with the task of conducting a comprehensive irrigation development plan. It is taken and reported by 2025. Preliminary report টো তেখেত সকলে দিলে Medium measure ত। ভূটান, মিজোৰাম আৰু অৰুণাচল বা পাহাৰীয়া অঞ্চলৰ পৰা অহা পানী বোৰ কেনেকৈ আমি Plains ত irrigation প্ৰকল্পৰ জৰিয়তে খেতিয়ক পানীৰ যোগান ধৰিব পাৰো বা বাৰমাহে পানী যোগান ধৰিব পাৰো আৰু ডাঙৰ প্ৰকল্পৰ কাৰণে NINFET য়ে ইতিমধ্যে কাম আৰম্ভ কৰিছে। Small Mico-Project ৰ কাৰণে আমি ইতিমধ্যে Master plan প্ৰস্তুত কৰিছো আৰু বিধায়ক ডাঙৰীয়াই নিজৰ সমষ্টিত যদি প্ৰকল্প হোৱা নাই বুলি কৈছে , তেতিয়াহ'লে মই এইটো চাই দিম আৰু পুঁজি সাপেক্ষে ব্যৱস্থা গ্ৰহণ কৰিম।

**মাননীয় অধ্যক্ষঃ** Question No, 203 শ্ৰী ৰূপক শৰ্মা।

**শ্ৰী কেশৱ মহন্ত, (মন্ত্ৰী) ঃ** মনানীয় অধ্যক্ষ মহোদয়, উত্তৰ সদনৰ মজিয়াত ৰখা হৈছে।

**শ্ৰী ৰূপক শৰ্মা, (নগাঁও)ঃ** অধ্যক্ষ মহোদয়, মাটি বে-দখল সম্পৰ্কত মই গুৰুত্বপূৰ্ণ প্ৰশ্ন আনিছো। উত্তৰটো পাইছো যে মই নগাঁওত চৰকাৰী আৰু VGR/PGR মাটি কিমান বে-দখল কৰা আছে। অধ্যক্ষ মহোদয় আচৰিত হ'ব যিটো উত্তৰটো পালো মই নিজেও এই সৰ্ম্পকত আচৰিত হ'লো যে চৰকাৰী মাটি ১লাখ ২৯ হাজাৰ ২৭২ বিঘা ৩ কঠা ৪ লোচা মাটি নগাঁও জিলাত বে-দখল হৈ আছে।¯ VGR/PGR মাটিৰ সৰ্ম্পকত VGR মাটি ২৬,৪১৩ বিঘা ৫ লোচা আৰু PGR মাটি ১৭৮৪ বিঘা ১ কঠা ১৪ লোচা মাটি বে-দখল হৈ আছে। অধ্যক্ষ মহোদয়, মই এটা প্ৰশ্ন আনিছো কলংনদী আৰু সোনাই নদী নগাওঁৰ মাজেদি বৈ গৈছে। এই কলং আৰু সোনাই বে-দখল হৈ আছে। কলংৰ বেদখলৰ কথা কলে, যিটো একেবাৰে মোৰ সমষ্টিৰ লগত লাগি আছে। তাত বে-দখল হৈ আছে ২৭বিঘা ৩ কঠা ১৪ লোচা আৰু সোনাই নদীত তাত ৬ বিঘা ২ কঠা ৭ লোচা এইটো মোৰ সমষ্টিত। ৰূপহীত ১৪ বিঘা ১ কঠা আৰু ছামগুৰি সমষ্টিত ১৫ বিঘা। আৰু এটা মই প্ৰশ্ন আনিছিলো এই বে-দখলকৃত ভূমি উচ্ছেদ কৰাৰ বাবে চৰকাৰে কিবা ব্যৱস্থা গ্ৰহণ কৰিছে নেকি ? বা কৰিছে যদি কেতিয়া কৰিছে? এইটো মই উত্তৰটো পাবৰ কাৰণে মাননীয় মন্ত্ৰী মহোদয়ৰ ওচৰত মোৰ অনুৰোধ থাকিল।

**অধ্যক্ষ মহোদয়ঃ** Hon'ble Minister.

**শ্ৰী কেশৱ মহন্ত, (মন্ত্ৰী) ঃ** অধ্যক্ষ মহোদয়, ইতিমধ্যে সন্মানীয় বিধায়ক ৰূপক শৰ্মা ডাঙৰীয়াই গোটেই আজিৰ প্ৰশ্নটো মূল কথাটো হ'ল যে VGR/PGR বে-দখল কৰা চৰকাৰী মাটিও আছে। এই আটেইখিনি কথাৰ ওপৰত আনিছে। এতিয়া নগাঁও জিলাত ইতিমধ্যে বে-দখল মুক্ত কৰা হৈছে। তাত বে-দখল মুক্ত চৰকাৰী মাটি আছে ২০৪০ বিঘা ২ কঠা ১ লোচা। এই মাটি আমি উচ্ছেদ কৰি বে-দখল মুক্ত কৰিছো আৰু VGR মাটি ১ হাজাৰ ১৮৬ বিঘা মাটি আমি তাত বে-দখল মুক্ত কৰিছো। গতিকে বে-দখল থকাইটো যিদৰে হয় তেনেকৈ বে-দখল মুক্তও কৰা হৈছে। ইয়াৰ উপৰিও তেখেতে বিতং ভাৱে যিকেটা কথা কৈছিল যে বে-দখল মুক্ত উচ্ছেদ কৰা হৈছে নেকি আৰু এইখিনি আমাৰ ফালৰ পৰা উচ্ছেদ কৰা হৈছে। এই উচ্ছেদ কৰা অভিয়ানটো বন্ধ হোৱা নাই। এইখিনি কথা আজি উচ্ছেদ কৰিব পৰা অৱস্থা আছো। গতিকে চৰকাৰী ভাবে উচ্ছেদ কৰাৰ এই ব্যৱস্থাটো কোনোধৰণে বন্ধ হোৱা নাই বা ভৱিষ্যতেও এইটো বন্ধ কৰা নহয়। ইয়াৰ উপৰিও আমাৰ বাকী তেখেত সকলে কলংৰ ওপৰত যিখিনি কথা ক'লে সেইখিনিৰ ওপৰত মই

তথ্যখিনি দিছো। বেছিকৈ যদি মাটি আছে, নগাওঁ আমাৰ সদৰ সমষ্টিত তাত ২৭ বিঘা ৩ কঠা ১৪ লেচা বে-দখল আছে আৰু বাকীকেইটা সমষ্টিৰ ক্ষেত্ৰত বৰ বেছি বে-দখলৰ কথা নাই। তাত সোনাই নৈৰ ক্ষেত্ৰত আছে। তাত ৪০ বিঘা আছে ৰূপহী সমষ্টিত আৰু ৬ বিঘা ২ কঠা নগাওঁ সমষ্টিত, চামগুৰি সমষ্টিত আছে ১৫ বিঘা। গতিকে এইখিনি সোনাই নদীৰ ক্ষেত্ৰত বাকীখিনি কলং সুঁতিৰ ক্ষেত্ৰত। মই তেখেতক আশ্বস্ত কৰিছো যে তেখেতৰ সহযোগিতাৰ প্ৰয়োজন হ'ব তেনেকৈ যিখিনি মাটি এতিয়াও বে-দখল আছে আমি উচ্ছেদ কৰাৰ ক্ষেত্ৰত তেখেতৰ সহযোগিতা বিচাৰিম।

**মাননীয় অধ্যক্ষ ঃ** ঠিক আছে।

**শ্ৰী ৰূপক শৰ্মা, (নগাওঁ) ঃ** মাননীয় অধ্যক্ষ মহোদয়, যদি আমি চাওঁ, যিখিনি চৰকাৰী ভূমি, ১ লাখ ২৯ হাজাৰ ৩৭২ বিঘা। ইয়াত নগাওঁ সদৰতে নহয়, এফালৰ পৰা যদি চায়, ধিঙত প্ৰায় ১৫ হাজাৰ বিঘা আৰু কলীয়াবৰ সমষ্টিতো প্ৰায় ৪৫ হাজাৰ বিঘা চৰকাৰী মাটি বে-দখল হৈ আছে। এতিয়া কথা হৈছে যে আমি কলঙৰ কথাত আহিছো, কলং হৈছে নগাওঁবাসীৰ এটা আবেগ, নগাওঁবাসীৰ এটা আয়ুসৰেখা। এই কলং আৰু সোনাই যিধৰণে বে-দখল হৈছে, সোনাইত আপুনি আচৰিত হ'ব যে নদীখন পুতি তাত বিল্ডিং ঘৰ বনাইছে। গতিকে এই যিটো পৰিৱেশ মন্ত্ৰী মহোদয়, কলংপুৰীয়াৰ হয় আমি একেখন জিলাৰে, গতিকে অলপ গুৰুত্ব সহকাৰে লৈ এতিয়া যদি অলপ ব্যৱস্থা গ্ৰহণ আমি সুখী হ'ম।

**মাননীয় অধ্যক্ষ ঃ** ঠিক আছে। মাননীয় মন্ত্ৰী।

**শ্ৰীকেশৱ মহন্ত, (ৰাজহ আৰু দুৰ্যোগ বিভাগৰ মন্ত্ৰী) ঃ** মাননীয় অধ্যক্ষ মহোদয়, মাননীয় বিধায়ক শ্ৰীৰূপক শৰ্মা ডাঙৰীয়াই যিটো কথা কৈছে, সেইটো ঠিকেই কৈছে। আপোনালোকে চাওঁক, নগাওঁ সদৰত এতিয়া কিছু বে-দখল আছে, কিন্তু সিফালে কলঙৰ ওপৰত বে-দখল নাই। কিন্তু সোনাইৰ ক্ষেত্ৰত যথেষ্ট বে-দখল হৈছে আৰু এই বে-দখল এটা সময়ত হৈছে। মই কথা ক'বলৈ গ'লে বিৰোধী পক্ষৰ লগত হয়তো ভাল নহ'ব। তাৰমানে এইখিনি ৰক্ষা কৰা তাত আমি এটা সময়ত লাওঁখোৱা অভয়াৰণ্য ৰক্ষা কৰা, এই চৰকাৰী মাটি ৰক্ষা কৰা, এটা সময়ত চামধৰা গড় যিটো আহোম স্বৰ্গদেউ সকলে নিৰ্মাণ কৰি গৈছিল এইবিলাক চামগুৰি, ৰূপহী সমষ্টি ৰক্ষা কৰাতো আমাৰ কাৰণে ডাঙৰ challange আছিল। এইখন বিধান সভাত মই বিৰোধী পক্ষত আছিলো তেতিয়া এইবিলাক প্ৰশ্ন কৰি কৰি হাইৰাণ হৈ গৈছিলো। কিন্তু কোনোদিনে ইয়াৰ action লোৱা নহ'ল। তাৰ ফলশ্ৰুতিত আজি এই অৱস্থা হৈছে।

**মাননীয় অধ্যক্ষ ঃ** ঠিক আছে। ধন্যবাদ। প্ৰশ্ন নং-২০৪, শ্ৰীসুৰেণ ফুকন।

**শ্ৰী নুৰুল হুদা, (ৰূপহী)ঃ** চাৰ, চাৰ, এটা কথা।

**মাননীয় অধ্যক্ষ ঃ** এইটো নগাওঁ specific case. বেলেগ relevent আহিব তাত সুধিব আৰু আছে ৰাজহ বিভাগৰ তাত সুধিব। Please.

**শ্ৰী সুৰেণ ফুকন, (ডিগবৈ) ঃ** মাননীয় অধ্যক্ষ মহোদয়, বিভাগীয় মন্ত্ৰীৰ পৰা মই উত্তৰখিনি পাইছো। তথাপিতো কেইটামান কথা তেখেতৰ পৰা জানিব বিচাৰিছো। ডিগবৈ সমষ্টিৰ নতুনকৈ অন্তৰ্ভূক্ত হোৱা বৃহৎ অঞ্চল বঢ়ীদিহিং আৰু বুঢ়ীদিহিং অঞ্চলৰ তিনিখন বৃহৎ গাওঁ মহং পথাৰ, তাল পথাৰ, দুৱাৰপৰা First addition, ১৯৫৪ চনতে ৰাজহ গাওঁ proposed revenue গাওঁ আছিল। তাৰপৰা ইতিমধ্যে যোৱা ৩১ জানুৱাৰী ২০২৪ তাৰিখে কেবিনেট বৈঠকত মাননীয় মুখ্যমন্ত্ৰী ডাঙৰীয়াই ৰাহজ বিভাগলৈ অনুমোদন দিছে ৩ খন গাওঁ। তাৰকাৰণে মই মাননীয় মুখ্যমন্ত্ৰী

ডাঙৰীয়াৰ লগতে মাননীয় মন্ত্ৰী মহোদয়ক মই ধন্যবাদ দিছো আৰু কথা হ'ল সেই অঞ্চলৰ অসমৰ আদিম ভূমিপুত্ৰ মৰাণ জনগোষ্ঠীৰ এখন বৃহৎ গাওঁ থাকি গ'ল। তৰানী বঙালী গাওঁ। যিহেতুকে শতবৰ্ষ গৰকা এই গাওঁখনৰ প্ৰায় ৪ শ ঘৰ মানুহ তাত বসবাস কৰে আৰু সেই গাওঁখনৰ ১৯ শ বিঘা আগুৰি এলেকাটোত আছে। কিন্তু এতিয়া কথা হ'ল যে, এই গাওঁখন ১৯৬৪-৬৫ চনতে তেখেত সকলক চৰকাৰৰ পৰা ৰাজহ গাওঁ অনুমোদন দিছিল আৰু পৰৱৰ্তী সময়ত সেই গাওঁখনৰ দুজন ব্যক্তিক ম্যাদী পট্টা দিছিল, ১২ জনক একচনীয়া দিছিল। কিন্তু কিবা অজ্ঞাত কাৰণত ১৯৭৮ চনত পুনৰ সংৰক্ষিত বনাঞ্চললৈ তেওঁলোকে ঘোষণা কৰিছিল। গতিকে অজ্ঞাত কাৰণ আৰু সম্পূৰ্ণ কৈ revenue গাওঁ আছিল। গতিকে এই ভূমিপুত্ৰ শতবৰ্ষ গৰকা ৪ শ ঘৰ মানুহক পুনৰ সংস্থাপিত কৰিব লাগে আৰু ৰাজহ গাওঁলৈ অনুমোদন দিব লাগে বুলি মই ভাবো।

**মাননীয় অধ্যক্ষ** ঃ মাননীয় মন্ত্ৰী।

**শ্ৰীকেশৱ মহন্ত, (ৰাজহ আৰু দুৰ্য্যোগ বিভাগৰ মন্ত্ৰী)** ঃ মাননীয় অধ্যক্ষ মহোদয়, প্ৰশ্নটো যিখিনি কৰিছে, বিশেষকৈ তৰানী বঙালী গাওঁ, মামৰণী, বনগাওঁ, পাৰৈ বনগাওঁ, তামুলী বনগাওঁ, মুলুক বনগাওঁ, খেৰজান, ভীমপথাৰ, বালিজান, বৰজান। এই বনগাওঁ সমূহ প্ৰকৃততে ইয়াৰ যিটো মাটিৰ right এই গোটেই কথাটোত ২০০৬ চনত যিখন Forest য়ে আইন কৰিছিল, সেইমতে কিছু বনগাওঁ বিলাকক Forest right তাত বাসকৰা লোকসকলক দিছে আৰু তেখেতসকলে সেইমতে আজি বনগাওঁত গৈ এতিয়া forest ৰ তৰফৰ পৰা আমাৰ অন্য গাওঁৰ নিচিনা গাওঁবুঢ়া এতিয়া আজি কিছুদিন আগতে মাননীয় মুখ্যমন্ত্ৰী ডাঙৰীয়াই তাত apointment দিছে। গতিকে এইটো যিখন তৰানী বঙালী গাওঁৰ কথা কৈছে, এই গাওঁখন আচলতে বনগাওঁত অন্তৰ্ভুক্ত হোৱা নাই। গতিকে এইখন গাওঁৰ বিষয়টো বেলেগ। গতিকে এই গাওঁখনৰ বিষয়টো আমি বিশেষভাবে বিবেচনা কৰিম।

**মাননীয় অধ্যক্ষ** ঃ ধন্যবাদ আৰু আছে?

**শ্ৰী সুৰেণ ফুকন, (ডিগবৈ)** ঃ মাননীয় অধ্যক্ষ মহোদয়, বিশেষকৈ মোৰ ডিগবৈ সমষ্টিৰ খিলঞ্জীয়া ভূমিপুত্ৰ, বিভিন্ন জাতি-জনগোষ্ঠীৰে বসতি প্ৰধান বগাপানী গাওঁপঞ্চায়তৰ মুলুক গাওঁ, খেৰজান, হালধীবাৰী, ঢেঁকীয়াজান, পানবাৰী, পললুৱা, ভীমপথাৰ, খ্ৰীষ্টিয়ানবস্তি, টেঙাগাওঁ পঞ্চায়তৰ চিৰিং মামৰনী, বৰবিল গাওঁ পঞ্চায়তৰ পানবাৰী, বালিজান, বৰজান, কেন্দুগুৰী আৰু পাৰৈ গাওঁ পঞ্চায়তৰ অন্তৰ্গত নেপালী বনগাওঁ। তেওঁলোকে আজি বহুবছৰ দখল কৰি তাত বসবাস কৰি আছে, তেওঁলোক খিলঞ্জীয়া লোক। তেওঁলোকৰ আচলতে ভূমি পট্টা নথকাৰ কাৰণে বহু চৰকাৰী আঁচনিৰ পৰা তেখতসকল বঞ্চিত হৈ আছে। আমি জানো যে অসম চৰকাৰৰ autority নাই, revenue গাওঁলৈ convert কৰিবৰ কাৰণে। মই ভাবো এই গাওঁখিনি অন্তত আমাৰ কেন্দ্ৰীয় চৰকাৰৰ লগত আলোচনা কৰি তেওঁলোকক পট্টা দিয়া ব্যৱস্থা কৰিব লাগে, তেওঁলোকক চিনাক্ত কৰাৰ কাৰণে পট্টা দিয়াৰ ব্যৱস্থা কৰিব লাগে বুলি মই সদনত অনুৰোধ কৰিলো।

**মাননীয় অধ্যক্ষ**ঃ মাননীয় মন্ত্ৰী।

**শ্ৰীকেশৱ মহন্ত, (ৰাজহ আৰু দুৰ্যোগ বিভাগৰ মন্ত্ৰী)** ঃ মাননীয় অধ্যক্ষ মহোদয়, এই বিষয়টো তেখেতে প্ৰশ্নটো কৰোতেই উত্তৰটো দি দিছে। ইয়াত বনগাওঁত তেনেকুৱা দিয়াৰ কোনো right নাই। গতিকে এইটোৰ এটা বৃহৎ সংশোধন হ'ব লাগিব যদি সেই কথালৈ যাবলগীয়া হয়। কিন্তু মই তাৰ বিকল্প কথাটো কৈ গৈছো যে ২০০৬ চনত এইখন আইন forest ৰ পৰা হ'ল তাৰমতে এই লোকসকল যথেষ্ট equivalent বা আন মানুহৰ দৰে তেখেতসকলক বহুত right দিয়া

হ'ল। যিখিনিৰ কাৰণে আমি তাৰ আগতে কি আছিল? বনগাওঁ বিলাকত লাইট লগাবলৈ দিয়া নাছিল, তাত পানী দিয়া নাছিল, অন্য অনুষ্ঠান হ'বলৈ দিয়া নাছিল। এতিয়াতো বনগাওঁত ইয়াৰ আৰু তাৰ সকলো অধিকাৰ তাত পাইছে। কেৰল মাটিৰ চৰ্তটো ভোগদখল কৰিবলৈ পাইছে। কিন্তু পট্টাটো পোৱা নাই।

**মাননীয় অধ্যক্ষ ঃ** ঠিক আছে। শ্ৰীচৰণ বড়ো।

**শ্ৰীচৰণ বড়ো, (মাজবাট) ঃ** Hon'ble Speaker Sir, FRA 2006 মতে বন গাওঁসমূহ ৰাজহ গাওঁলৈ ৰূপান্তৰিত কৰিব পাৰে। যিমানখিনি আমাৰ তাত বন গাওঁ আছে, সেই গাওঁসমূহক অসম চৰকাৰে ৰাজহ গাঁৱলৈ ৰূপান্তৰিত কৰিব নেকি? মোৰ সমষ্টিত পাঁচ হাজাৰতকৈ অধিক পৰিয়াল বন গাঁৱত বসবাস কৰি আছে। তেওঁলোকে Land title পোৱা পাঁচ-ছয় বছৰ হৈ গ'ল। যিহেতু ইয়াৰ এখন এক্ট আছে, এই এক্ট খন কাৰ্য্যকৰী কৰাৰ বাবে অসম চৰকাৰে ব্যৱস্থা কৰিব নেকি?

**মাননীয় অধ্যক্ষ ঃ** মাননীয় মন্ত্ৰী ডাঙৰীয়াই উত্তৰ দিয়ক।

**শ্ৰী কেশৱ মহন্ত, (মন্ত্ৰী ৰাজহ আৰু দুৰ্য্যোগ ব্যৱস্থাপনা ইত্যাদি বিভাগ) ঃ** মাননীয় অধ্যক্ষ মহোদয়, বন গাওঁ যে গঠন কৰা হৈছিল, ইয়াৰ concept টো কি আছিল? ইয়াৰ concept টো আছিল যে তাৰ ওচৰৰ বনাঞ্চলখন সংৰক্ষণ বা অন্য কিছুমান কাৰণত লোকসকলক বসবাস কৰিবলৈ অনুমতি দিছিল বা বসবাস কৰিছিল। বনাঞ্চলখন বৰ্তমান কি অৱস্থাত আছে তাৰ ওপৰত গোটেইখিনি নিৰ্ভৰ কৰিব আৰু এইখিনি বন বিভাগে ঠিক কৰিব। বৰ্তমান বি টি চিত কিছুমান বন গাওঁ কনভাৰ্ট কৰা হৈছে আৰু এই প্ৰক্ৰিয়াটো যে নাইকিয়া হৈছে সেইটো নহয়। প্ৰক্ৰিয়াটো নিশ্চয় চৰ্ত্ত সাপেক্ষ। গতিকে চৰ্ত্তখিনি পূৰণ কৰিহে আমি কামটো কৰিব পাৰিম। আইনৰ মাজত সুৰুঙা কিমান আছে আৰু কোনখন গাঁৱৰ কাৰণে কিমানখিনি সুৰুঙা আছে সেই সকলোখিনি বিচাৰ-বিবেচনাৰ প্ৰয়োজন আছে। বিষয়টো যিহেতু উত্থাপন কৰা হৈছে, আমি নিশ্চয়কৈ বিচাৰ-বিবেচনালৈ আনিম।

**শ্ৰী চৰণ বড়ো, (মাজবাট) ঃ** মাননীয় অধ্যক্ষ মহোদয়, ইয়াৰ বাবে যিহেতু এক্ট আছে, অসম চৰকাৰে ব্যৱস্থা ল'লে যিসকলে এই কামখিনি কৰে তেওঁলোকৰ এই কামখিনি কৰাত সুবিধা হ'ব। ইয়াৰ বাবে অসম চৰকাৰে বিশেষ পদক্ষেপ ল'লে সুবিধা হ'ব।

**শ্ৰী কেশৱ মহন্ত, (মন্ত্ৰী ৰাজহ আৰু দুৰ্য্যোগ ব্যৱস্থাপনা ইত্যাদি বিভাগ) ঃ** মাননীয় অধ্যক্ষ মহোদয়, মই কৈছো যে ইয়াৰ ওপৰত বিচাৰ-বিবেচনা কৰা হ'ব।

**মাননীয় অধ্যক্ষ ঃ** এতিয়া প্ৰশ্ন নং-২০৫। মাননীয় সদস্য আশ্ৰাফুল হুছেইন ডাঙৰীয়াই কওঁক।

**শ্ৰী কেশৱ মহন্ত, (মন্ত্ৰী ৰাজহ আৰু দুৰ্য্যোগ ব্যৱস্থপনা ইত্যাদি বিভাগ) ঃ** মাননীয় অধ্যক্ষ মহোদয়, উত্তৰ সদনৰ মজিয়াত দিয়া হৈছে।

**শ্ৰী আশ্ৰাফুল হুছেইন, (চেঙা) ঃ** মাননীয় অধ্যক্ষ মহোদয়, দেখিবলৈ পাইছো যে ৰাজ্যখন বৰ্তমান non-cadastral গাওঁ সমূহক চাৰ্ভেৰ জৰিয়তে ভূমি পট্টা প্ৰদানৰ দিশত আগবাঢ়িছে। সেই অনুযায়ী কিছুমান non-cadastral গাওঁ চাৰ্ভে কৰা হৈছে। চেঙা সমষ্টিখন এনেকুৱা এখন সমষ্টি য'ত দুই কুৰি খনমান non-cadastral গাওঁ হৈ আছে। আমি আশা কৰিছিলো যে পৰৱৰ্তী সময়ত চাৰ্ভেৰ জৰিয়তে ভূমি পট্টা প্ৰদানৰ ব্যৱস্থা কৰা হ'ব। দেখা গৈছে যে ১৯৫৬ চনৰ পৰা ১৯৬৪ চনলৈ অন্তিম বাৰলৈ কামৰূপ জিলা, বৰপেটা জিলা চাৰ্ভে কৰা হৈছিল। সেই সময়তো non-cadastral গাওঁসমূহক cadastral গাওঁ ঠিকেই কৰা হৈছিল। কিন্তু দাগ কাটি পট্টা দিয়াৰ ব্যৱস্থা কৰা হোৱা নাছিল। মই মাননীয় মন্ত্ৰী মহোদয়ৰ পৰা জানিব বিচাৰিছো যে সেই

সময়ত cadastral কৰি থোৱা আৰু বৰ্তমান নতুনকৈ non-cadastral ৰ পৰা cadastral হ'বলৈ ওলোৱা গাওঁসমূহক আৰু বিশেষকৈ চেঙা সমষ্টিৰ চৰ অঞ্চলৰ মানুহখিনিক কেতিয়া ভূমিৰ পট্টা দিয়া হ'ব?

**মাননীয় অধ্যক্ষ ঃ** মাননীয় মন্ত্ৰী ডাঙৰীয়াই উত্তৰ দিয়ক।

**শ্ৰী কেশৱ মহন্ত, (মন্ত্ৰী ৰাজহ আৰু দুৰ্য্যোগ ব্যৱস্থাপনা ইত্যাদি বিভাগ) ঃ** মাননীয় অধ্যক্ষ মহোদয়, মাননীয় বিধায়ক আশ্ৰাফুল হুছেইন ডাঙৰীয়াই যিটো বিষয় দাঙি ধৰিছে, সেই বিষয়ে এইবাৰ আমাৰ বাজেটত উল্লেখ কৰা হৈছে আৰু মাননীয়া বিত্তমন্ত্ৰী ডাঙৰীয়ানীয়ে ঘোষণা কৰিছে যে ইয়াত যিখিনি চৰ আছে, সেই চৰৰ non-cadastral ৰ পৰা cadastral গাওঁলৈ ৰূপান্তৰিত কৰিবলৈ ব্যৱস্থা গ্ৰহণ কৰিব। চাৰ্ভে কৰাৰ পিছত সেই মাটিখিনিৰ যেতিয়া মেপ, নথি-পত্ৰ আদি প্ৰস্তুত হ'ব, তেতিয়া সেই মাটিখিনি কাৰোবাক পট্টা দিয়াৰ বাবে উপযুক্ত হ'ব। মাননীয় মুখ্যমন্ত্ৰী মহোদয়ে আপোনালোকক কৈছে যে যিখিনি stake holder আছে, তেওঁলোকৰ লগত আলাপ-আলোচনা কৰি ভূমি পট্টা দিয়াৰ ব্যৱস্থা গ্ৰহণ কৰা হ'ব। এই কথাখিনি মাননীয় মুখ্যমন্ত্ৰী মহোদয়ে ঘোষণা কৰিছে আৰু বাজেটতো আগ্ৰহ কৰা হৈছে। তেওঁৰ ইচ্ছা অনুসৰি আমি আগবাঢ়িছো।

**শ্ৰী আশ্ৰাফুল হুছেইন, (চেঙা) ঃ** মাননীয় অধ্যক্ষ মহোদয়, আমি ইয়াত প্ৰশ্ন সুধিছিলো যে সম জিলাৰ কাৰ্যলয় আৰু ৰাজহ চক্ৰসমূহ ডি-লিমিটেশ্যনৰ পিছত নতুনকৈ গঠিত সমষ্টিসমূহ কিদৰে কেতিয়া গঠন কৰা হ'ব? উত্তৰত দিয়া হৈছে যে পুৰণি মহকুমা আৰু নতুন মহকুমা সামৰি ৩৯ খন সম জিলা ইতিমধ্যে গঠন কৰা হৈছে। চেঙা সমষ্টিখন এখন এনেকুৱা সমষ্টি যাক ব্ৰহ্মপুত্ৰ নদীয়ে দুভাগত বিভক্ত কৰিছে। ব্ৰহ্মপুত্ৰৰ ইপাৰে সিপাৰে ন খনমান গাওঁ পঞ্চায়ত আৰু মাজত প্ৰায় তিনিখনমান গাওঁ পঞ্চায়ত আছে। যাতায়তৰ কাৰণে গাড়ীৰে গ'লে দুঘণ্টা লাগে আৰু নাওঁৰো প্ৰয়োজন হয়। এনেকুৱা সমষ্টিসমূহত দুটা চাৰ্কোল অফিচ আৰু এখন সমা জিলাৰ কাৰ্য্যালয়ৰ খুবেই প্ৰয়োজন আছে। কিন্তু দেখা গৈছে যে এই সমষ্টিসমূহত এখনো চাৰ্কোল অফিচ নাই আৰু সমজিলাৰ কাৰ্য্যালয়ো এতিয়ালৈকে ঘোষণা হোৱা নাই। আমি যদি খোজ কাঢ়ি থাকোতে হৃৎপিণ্ডটো হাতত লৈ ঘূৰি থাকো কেনেকুৱা লাগিব। আমি বিচাৰিছো যে জিলা এখনৰ, সমষ্টি এখনৰ মূল প্ৰাশাসনীয় কামখিনি অৰ্থাৎ হৃৎপিণ্ড তাৰ ভিতৰৰ পৰা চলক। আমি বাহিৰৰ পৰা পেচমেকাৰ বা অন্য সহায়ৰ দ্বাৰা নচলাওঁ। মই মাননীয় মন্ত্ৰী মহোদয়ৰ পৰা জানিব বিচাৰিছো যে চেঙা সমষ্টিৰ ভিতৰত ব্ৰহ্মপুত্ৰৰ ইপাৰে আৰু সিপাৰে দুখন ৰেভিনিউ চাৰ্কোল, এখন চৰ অঞ্চলত আলু খুঁটি , বাঘমৰাৰ কাষত আৰু এখন চেঙা সমষ্টিৰ মেৰুদণ্ড, যিখন টাউনৰ পৰা নিচেই কাষত, কেতিয়া স্থাপন কৰিব? লগতে আমাৰ সম জিলা কেতিয়া ঘোষণা কৰা হ'ব?

**মাননীয় অধ্যক্ষ ঃ** মাননীয় মন্ত্ৰী ডাঙৰীয়াই উত্তৰ দিয়ক।

**শ্ৰী কেশৱ মহন্ত, (মন্ত্ৰী ৰাজহ আৰু দুৰ্য্যোগ ব্যৱস্থাপনা ইত্যাদি বিভাগ) ঃ** মাননীয় অধ্যক্ষ মহোদয়, বিধান সমষ্টি সমূহৰ ডি-লিমিটেশ্যন কৰা হোৱাৰ পিছত ৰাজহ চক্ৰ, খণ্ড উন্নয়ণ কাৰ্য্যালয় বা অন্য কাৰ্য্যালয় সমূহৰ স্থানসমূহ কিছু আগ-পিছ হ'ল আৰু বেলেগ বেলেগ সমষ্টিতো অন্তৰ্ভূক্ত হ'ল। মাননীয় মুখ্যমন্ত্ৰী মহোদয়ে ঘোষণা কৰিছে যে আমি প্ৰত্যেকটো সমষ্টিতে ইয়াৰ এটা কাৰ্য্যালয় অন্তৰ্ভূক্ত কৰাৰ বাবে চেষ্টা কৰি থকা হৈছে। সেই অনুসৰি চেঙাত এটা ৰাজহ কাৰ্য্যালয় থাকিব লাগিব। যদি সীমা নাইকিয়া হৈছে আমি কৰোবাৰ পৰা আনি দিয়াৰ ব্যৱস্থা কৰিম। মাননীয় অধ্যক্ষ মহোদয়, মই এটা কথা আপোনাক জনাব বিচাৰিছো যে চেঙা সমষ্টিত বৰপেটা ৰাজহ চক্ৰৰ ২৭ খন, বাঘবৰ ৰাজহ চক্ৰৰ ৬১ খন, চেঙা ৰাজহ চক্ৰৰ ৫৯ খন, সৰ্থেবাৰী ৰাজহ চক্ৰৰ ১৭ খন গাওঁ

আছে। ডি-লিমিটেশ্যনৰ পিছত ১৬৪ খন গাঁৱৰে চেঙা সমষ্টিটো গঠন হৈছে। কিন্তু এই চাৰিখন চাৰ্কোলৰ এটাও হেড কোৱাৰ্টাৰ ইয়াত নাই। বাঘবৰ আৰু চেঙাৰ অধিক গাওঁ ইয়াত আছে। বৰপেটা এল এ চিত ৬ টা ৰাজহ চক্ৰ গাওঁ আছে। বৰপেটা ৰাজহ চক্ৰৰ ৩৯ খন,বাঘবৰ ৰাজহ চক্ৰৰ ২ খন, সৰুপেটা ৰাজহ চক্ৰৰ ২ খন, চেঙা ৰাজহ চক্ৰৰ ১৩ খন, সৰ্থেবাৰী ৰাজহ চক্ৰৰ ৬১ খন, বজালী ৰাজহ চক্ৰৰ ১৭ গাওঁ আছে। তাত তিনিটা চাৰ্কোলৰ হেড কোৱাৰ্টাৰ আছে- বৰপেটা, সৰ্থেবাৰী আৰু চেঙা সমষ্টিৰ। তেখেতৰ যিটো চেঙা ৰাজহ চক্ৰ আগতে তেখেতৰ সমষ্টিত আছিল, সেইটো চৰ্কোলে ১৩ খন গাওঁ লগত লৈ নতুনকৈ গঠিত বৰপেটা এল এ চিত সোমাল। মোৰ লগত গোটেই জিলাৰ তালিকাখন আছে, দৰকাৰ হ'লে ক'ব পাৰো। তেওঁক মই আশ্বস্ত কৰিছো যে তাত এটা ৰাজহ চক্ৰৰ হেড কোৱাৰ্টা হৈ এটা ৰাজহ চক্ৰ হ'ব। ইয়াৰ প্ৰতিবেদনখন জিলাৰ জিলা আয়ুক্তৰ লগত আলোচনা কৰি ডি-লিমিটেশ্যনৰ পিছত এইখিনি কেনেকৈ পুনৰ নিৰ্দ্ধাৰণ হ'ব সেই বিষয়ে জিলা আয়ুক্তৰ পৰা বিচাৰিছিলো। সেই খন এতিয়ালৈকে আহি পোৱা নাই আৰু প্ৰতিবেদনখন আহিলে ক'ব পাৰিম।

**শ্ৰী আশ্ৰাফুল হুছেইন, (চেঙা) ঃ** মাননীয় অধ্যক্ষ মহোদয়, এই যি প্ৰতিবেদন বিচৰা হৈছে আমি আজিৰ পৰা চাৰি-পাঁচ মাহ আগতে এই বিষয়টোৰ প্ৰস্তাৱলৈ জিলালৈ পঠিওৱা হৈছে আৰু সেই সময়তে সম্ভৱতঃ যোগাযোগ কৰা হৈছিল। তাৰ পৰৱৰ্তী সময়ত অৱশ্যে কোনো যোগাযোগ হোৱা নাই। মই পুনৰ কৈছো যে চেঙা সমষ্টি খন এনেকুৱা এখন দুৰ্গম সমষ্টি যাক ব্ৰহ্মপুত্ৰ নদীয়ে সমানে দুভাগ কৰিছে। যদি আপুনি ব্ৰহ্মপুত্ৰৰ উত্তৰ পাৰে ৰাজহ চক্ৰ কৰে তেতিয়াহ'লে দক্ষিণ পাৰৰ পৰা এক লাখতকৈ অধিক ভোটৰক গোটেই জীৱন নাঁৱৰে অহাৰ বাবে বাধ্য কৰিব। ব্ৰহ্মপুত্ৰৰ দক্ষিণ পাৰে এখন উন্নয়ণ খণ্ড, মহকুমাৰ কৃষি কাৰ্য্যালয় গঠন হৈছে আৰু ভাৱিষ্যতে চি ডি পি অ', বি ডি অ'ৰ অপিচ গঠন কৰিব পাৰিম। সেয়েহে আপুনি যেতিয়া ৰাজহ চক্ৰৰ বিষয়ে চিন্তা কৰিব তেতিয়া দুখন ৰাজহ চক্ৰৰ বিষয়ে চিন্তা কৰিব আৰু হাজাৰ হাজাৰ মানুহৰ অৰ্শীবাদ পাব। ধন্যবাদ।

**মাননীয় অধ্যক্ষ ঃ** মাননীয় মন্ত্ৰী মহোদয়ে উত্তৰ দিয়ক।

**শ্ৰী কেশৱ মহন্ত, (মন্ত্ৰী, ৰাজহ আৰু দুৰ্যোগ ব্যৱস্থাপনা ইত্যাদি)ঃ** মাননীয় অধ্যক্ষ মহোদয়, তাৰ পৰা মই ৰাজহুৱা আবেদনো পাইছো যিটো পলাশবাৰী, বকো আৰু ছমৰীয়াৰ লগত সম্পৰ্ক আছে। এতিয়া এই গোটেই কথাখিনি আমি বিচাৰ-বিবেচনা কৰিম আৰু তেখেত নিশ্চিত থাকক যে নিজৰ সমষ্টিত এটা circle থাকিব।হুহু

**মাননীয় অধ্যক্ষঃ** ঠিক আছে। প্ৰশ্ন নং-২০৬ শ্ৰী মৃণাল শইকীয়া। মাননীয় মন্ত্ৰী।

**শ্ৰী অশোক সিংহল, (মন্ত্ৰী, স্বাস্থ্য আৰু পৰিয়াল কল্যাণ)ঃ** অধ্যক্ষ মহোদয়, উত্তৰ সদনৰ মজিয়াত দিয়া আছে।

**শ্ৰী মৃণাল শইকীয়া, (খুমটাই)ঃ** মাননীয় অধ্যক্ষ মহোদয়, আমাৰ সমাজত কেঞ্চাৰ আৰু কিড্‌নী এই দুটা অসুখ খুব ব্যাপকভাৱে বৃদ্ধি হোৱা বাবে মই এই প্ৰশ্ন উত্থাপন কৰিছিলো। ইয়াৰ উত্তৰত মই পাইছো যে প্ৰতি বছৰে Indian Council of Medical Research and Dr. Bhubaneswar Barooah Cancer Institute ৰ মতে ৪০,০০০ৰ পৰা ৪৬,০০০ গৰাকী লোক কৰ্কট ৰোগত আক্ৰান্ত হয়। এইটো এটা ভয়াৱহ সংখ্যা। লগতে, কিড্‌নী অসুখৰ সংখ্যাও খুব বৃদ্ধি পাইছে। আমাৰ ঘৰলৈ যদি ১০০ জন visitor আহে, তাৰে ৫০% অসুখীয়া মানুহ আহে। কিড্‌নীয়েই হওঁক বা কেঞ্চাৰেই হওঁক কি কাৰণে এই অসুখ বৃদ্ধি হৈছে তাৰ কাৰণ সমূহো ইয়াত দিছে। কিন্তু কথা হ'ল যে এই কাৰণবোৰ নাইকিয়া কৰিবলৈ চৰকাৰে কি পদক্ষেপ লৈছে? আমি

সচেতনতা বৃদ্ধি কৰিছো, সেইটো ঠিকেই। কিন্তু ইয়াত যিকেইটা কাৰণ দিছে যে- তেজত ইউৰিয়াৰ পৰিমাণ বৃদ্ধি হৈছে। তেজত ইউৰিয়াৰ পৰিমাণ কিয় বৃদ্ধি হয়? খাদ্য পাচলিত, কুকুৰা মাংসত, মাছত ইউৰিয়া দিয়া শুনিছো, গতিকে এই খাদ্যৰ পৰাই আমাৰ তেজলৈ ইউৰিয়া আহিছে নেকি? অন্য এটা কাৰণ দিছে যে ৰাসায়নিক সাৰ/দ্ৰব্য মিহলি শাক-পাচলি খোৱা। আমি শাক-পাচলি বজাৰত পাইছো কাৰণে খাইছো। Prevention is better than Cure। চাৰ, আমি অটল অমৃত যোজনা, আৰোগ্য নিধি, আয়ুষ্মান ভাৰত আদি আঁচনিৰ পৰা বহুত সকাহ পাইছো কিন্তু কেঞ্চাৰ আৰু কিড্‌নী অসুখৰ আনুসংগিক খৰচবিলাকৰ কাৰণে গাঁৱৰ এটা এটা দুখীয়া পৰিয়াল ধ্বংস হৈ গৈছে। মোৰ ঘৰত যদি এজন কেঞ্চাৰ ৰোগী আছে, আনুসংগিক খৰচবিলাকৰ কাৰণে মোৰ ঘৰখন উদং হৈ গৈছে। কৰ্কট ৰোগৰ যিবিলাক কাৰণ -তামোল-পাণ, ধপাত সেৱন (ধোঁৱা আৰু ধোঁৱাবিহীন), অত্যধিক মদ্যপান কৰা, এইখিনি বস্তু বজাৰত available কাৰণে খাইছে। অন্যহাতে তেজত ইউৰিয়া পোৱাৰ কাৰণ সমূহ -ৰাসায়নিক সাৰ/দ্ৰব্য মিহলি শাক-পাচলি আদি বজাৰত available। গতিকে, প্ৰথমে মই জানিব বিচাৰিছো যে- এই যিবোৰ কাৰণত কেঞ্চাৰ হৈছে সেই বস্তু সমূহ বজাৰৰ পৰা উঠাব নেকি? কিয়নো Prevention is better than Cure. দ্বিতীয়তে, কেঞ্চাৰ আৰু কিড্‌নী বেমাৰৰ সম্পূৰ্ণ খৰচ, বাছত অহা-যোৱা কৰাৰ পৰা, থকা, চিকিৎসা কৰালৈকে সকলো চৰকাৰে বিনামূলীয়া কৰিব নেকি?

**মাননীয় অধ্যক্ষঃ** মাননীয় মন্ত্ৰী।

**শ্ৰী অশোক সিংহল, (মন্ত্ৰী, স্বাস্থ্য আৰু পৰিয়াল কল্যাণ)ঃ** অধ্যক্ষ মহোদয়, মাননীয় বিধায়ক শ্ৰী মৃণাল শইকীয়া ডাঙৰীয়াই বহুত গুৰুত্বপূৰ্ণ প্ৰশ্ন এটা উত্থাপন কৰিছে। অসম আৰু অসমৰ লগতে ভাৰতবৰ্ষত বৃদ্ধি হোৱা কৰ্কট আৰু কিড্‌নী ৰোগীৰ সংখ্যা দিনক দিনে বৃদ্ধি হৈ গৈ আছে। কেঞ্চাৰ ৰোগ কিয় হয় সেই সম্পৰ্কত Medical Science এ 100% accuracy ত আহিব পৰা নাই। বহুত কেইটা কাৰণ দিয়া হৈছে যেনে Oral Cancer ৰ বাবে tobacco smoking আৰু কিড্‌নীৰ বাবে ইউৰিয়া সেৱনৰ পৰিমাণ বৃদ্ধি হোৱা। কেঞ্চাৰ ৰোগৰ চিকিৎসাৰ বাবে চৰকাৰে যথেষ্ট ব্যৱস্থা হাতত লৈছে। মই ভাৱো যে ভাৰতবৰ্ষৰ ভিতৰত অসম ৰাজ্যতে কৰ্কট ৰোগৰ ক্ষেত্ৰত চৰকাৰী ব্যৱস্থা অতি আধুনিক আৰু ই প্ৰত্যেক জিলাকে সাঙুৰি লৈছে। ৰোগী হ'লে আমি চিকিৎসা কৰাৰ ওপৰতো ব্যৱস্থা গ্ৰহণ কৰি আছো। কিন্তু আচল কথাটো হ'ল যে খাদ্যত যি pesticides, ইউৰিয়া ব্যৱহাৰ কৰা হয় সেইটো আমি সেৱন কৰিলে ক'ৰবাত নহয় ক'ৰবাত আমাক ই প্ৰভাৱ পেলায়। মোৰ সমষ্টিৰে জনজাতীয় অঞ্চলতো কেঞ্চাৰ ৰোগী ওলোৱা মই দেখিছো। আমি যেতিয়া মেল-মিটিঙলৈ যাওঁ, তেতিয়া দেখো যে আমাক প্লাষ্টিকৰ পাতল কাপত গৰম চাহ দিয়ে। এই প্লাষ্টিকৰ কাপত যেতিয়া গৰম চাহ দিয়া হয়, তেতিয়া তাৰ chemical অলপ হ'লেও চাহৰ লগত আমাৰ শৰীৰৰ ভিতৰত যায়। ফলত ই আমাৰ শৰীৰত reaction কৰে। গতিকে, এই গোটেই ব্যৱস্থাটো চৰকাৰৰ ওপৰত ঠেলি দিলেই নহ'ব। আমি আমাৰ শৰীৰটো কেনেকৈ ব্যৱহাৰ কৰিম, খোৱা-বোৱা কেনেকৈ কৰিম আৰু নিজক কেনেকৈ পৰিচালনা কৰি লৈ যাম এই বিষয়টোও আমাৰ সন্মুখত থিয় হৈছে। যেতিয়ালৈকে আমাৰ জীৱন শৈলী ঠিক নাথাকে, শাৰীৰিক চৰ্চা দৈনন্দিন জীৱনৰ যদি আমি অংশ কৰি নলওঁ, আমি যদি নিজে স্বাস্থ্যৱান হৈ থকাৰ বাবে চেষ্টা নকৰো, তেন্তে যিমানেই হস্পিতাল নোখোলক কিয়, এই ব্যৱস্থাটো সঠিকভাৱে চলিব নোৱাৰিব। ইয়াকে উদ্দেশ্য কৰি অসমৰ প্ৰত্যেকটো গাওঁ পঞ্চায়ত, গাওঁ পৰিষদ, জিলা পৰিষদ, এম.চি. এলেকাত, ১ এপ্ৰিলৰ পৰা "স্বাস্থ্যৱান সমাজ, স্বাস্থ্যৱান অসম" এই মেলাখন

আৰম্ভ কৰিব বিচাৰিছো যাৰ দ্বাৰা পঞ্চায়তত থকা প্ৰত্যেকজন মানুহ, প্ৰত্যেকজন শিশুক তাত checkup কৰিব বিচাৰিছো আৰু যদি কিবা ৰোগ ওলায়, তেন্তে তাৰ চিকিৎসাৰ বাবেও যাৱতীয় ব্যৱস্থা কৰিম। ইয়াৰ লগতে, Wellness, Yoga, Exercise, Healthy Lifestyle, Motivationৰ ওপৰতো বৃহৎ কাৰ্য্যসূচী পঞ্চায়তত লোৱা হ'ব। বিধায়কসকলে ...interruptions......

**শ্ৰী ৰফিকুল ইছলাম, (জনিয়া)ঃ** এইখিনিতো হৈ গ'ল, এতিয়া কেঞ্চাৰ আৰু কিড্‌নীৰ ৰোগী সকলৰ বাবে ঔষধ সম্পূৰ্ণ বিনামূলীয়া কৰিলে ভাল হয়। সেইটো কৰিব নে নাই?

**শ্ৰী অশোক সিংহল, (মন্ত্ৰী, স্বাস্থ্য আৰু পৰিয়াল কল্যাণ)ঃ** স্বাস্থ্য মেলা নালাগে নেকি? যদি নালাগে তেন্তে কেৱল আপোনাৰ উত্তৰটো দি বহি দিওঁ ...interruptions......

**শ্ৰী জাকিৰ হুছেইন সিকদাৰ, (সৰুক্ষেত্ৰী)ঃ** মেলা লাগিব। কিন্তু, তামোল-পাণ, ধপাত সেৱনৰ লগতে অত্যধিক মদ্যপানেই কেঞ্চাৰৰ কাৰণ বুলি আপুনি কৈছে। এইবোৰ কেতিয়া বন্ধ কৰিব? সেই উত্তৰটোও লাগে ...interruptions...... এইবোৰ বন্ধ নকৰিলে নহ'ব। ...interruptions......

**শ্ৰী চৰণ বড়ো, (মাজবাট)ঃ** অধ্যক্ষ মহোদয়, মোৰো একেই প্ৰশ্ন। একেলগে উত্তৰ দিলে ভাল হয়। Dialysis centre খুলিছে কিন্তু বিচনাৰ বহুত অভাৱ । সেয়েহে বিচনাৰ সংখ্যা বৃদ্ধি কৰিব লাগে।

**মাননীয় অধ্যক্ষঃ** Please মন্ত্ৰী মহোদয়ক উত্তৰটো দিবলৈ দিয়ক, সময় ১ মিনিট আছে।

**শ্ৰী অশোক সিংহল, (মন্ত্ৰী, স্বাস্থ্য আৰু পৰিয়াল কল্যাণ)ঃ** অধ্যক্ষ মহোদয়, Dialysis ৰ বিচনা যোৱা এক বছৰত বহুত পৰিমাণে বৃদ্ধি কৰা হৈছে। নতুনকৈ ৩২ টা Dialysis centre নিৰ্মাণাধীন হৈ আছে। কিড্‌নী ৰোগী বাঢ়ি বাঢ়ি গৈ আছে। সেই অনুযায়ী আমি বিচনাৰ সংখ্যাও বঢ়াই গৈ আছো। Apolloৰ লগত আমাৰ tie-up আছে। প্ৰত্যেকটো সমষ্টিত এটা এটা Dialysis centre হোৱাৰ বাবে আমি কাম কৰি আছো...interruptions......

**শ্ৰী জাকিৰ হুছেইন সিকদাৰ, (সৰুক্ষেত্ৰী)ঃ**অসমত ধপাত বন্ধ হ'ব নে নাই সেই বিষয়ে কওঁক।

**শ্ৰী অশোক সিংহল, (মন্ত্ৰী, স্বাস্থ্য আৰু পৰিয়াল কল্যাণ)ঃ** ধপাত বন্ধ কৰাত চৰকাৰৰ কোনো আপত্তি নাই যদি বিধান সভাই প্ৰস্তাৱ লয় ...interruptions......

**শ্ৰী জাকিৰ হুছেইন সিকদাৰ, (সৰুক্ষেত্ৰী)ঃ** স্বাস্থ্য মন্ত্ৰী হিচাপে আপুনি চৰকাৰৰ ফালৰ পৰা ধপাত বন্ধ কৰাৰ বাবে এখন আইন আনক ...interruptions......

**শ্ৰী অশোক সিংহল, (মন্ত্ৰী, স্বাস্থ্য আৰু পৰিয়াল কল্যাণ)ঃ** কিন্তু, ....interruptions.....

**শ্ৰী দেৱব্ৰত শইকীয়া, বিৰোধী দলৰ দলপতি ঃ** মাননীয় অধ্যক্ষ মহোদয়, কেইটামান point of order আছিল ক'ব পাৰি নে ? অধ্যক্ষ মহোদয়, যোৱাকালি ৰাজ্যসভাৰ এজন সাংসদ সুধাংশু ত্ৰিবেদীয়ে অসমৰ ধুবুৰী জিলাখনক বাংলাদেশ বুলি অসমবাসী ভাৰতীয় নাগৰিকক অপমান কৰিছে । ধুবুৰী জিলাখননো কেতিয়া বাংলাদেশ বা পাকিস্তানৰ অন্তৰ্ভুক্ত আছিল। ধুবুৰী জিলাত বহুত স্বাধীনতা সংগ্ৰামী ব্যক্তি আছে, যোগেন্দ্ৰ নাথ, নৰেন্দ্ৰ চক্ৰৱৰ্ত্তী, শৰৎ সিংহ, সেইগতিকে মহোদয়, তেখেতৰ সেই মন্তব্যৰ বিৰুদ্ধে অসম বিধান সভাৰ পৰা প্ৰস্তাৱ ল'ব লাগে আৰু লোকসভালৈ জনাব লাগে তেখেতক যাতে ভৎসৰ্না জনায়। আমি NRC খন মানিলো, চৰকাৰে ১৯ লাখ মানুহক বাহিৰত থৈছে কিন্তু চৰকাৰে না appeal কৰিব দিছে না rejection slip খন দিছে। এনেকুৱা ভুল তথ্য দি অসমৰ বিৰুদ্ধে গোটেই বিশ্বত আমাক অপমান কৰিছে আৰু মহাশয় ইয়াৰ ব্যৱস্থা

ল'ব লাগে।

**শ্ৰী ভৰেশ কলিতা, সদস্য ঃ** মাননীয় অধ্যক্ষ মহোদয়, এই খন উচ্চ সদন নহয়, এই অসম বিধান সভা। ......... Interruption........

**শ্ৰী দেৱব্ৰত শইকীয়া, বিৰোধী দলৰ দলপতি ঃ** মাননীয় অধ্যক্ষ মহোদয়, হয় আমাৰ অসমক অপমান কৰিছে, সেই গতিকে আমি এই কথাষাৰ অসমৰ বাবে, ধুবুৰী অসমক কিয় অপমান কৰিব মহাশয়? ধুবুৰীৰ মানুহখিনি কি বাংলাদেশী নেকি? তেওঁলোক বাংলাদেশী যদি বিদেশলৈ পঠাই দিয়ক, কিন্তু যদি ভাৰতীয় হয়, বিদেশী বুলি ক'ব নোৱাৰে নহয় কেতিয়াও। ধুবুৰীক কিয় অপমান কৰিব মহাশয়, সেইকাৰণে এটা গৰিহণা প্ৰস্তাৱ দিব লাগে। ........ Interruption........

**মাননীয় অধ্যক্ষঃ** Please take your seat. আপোনালোকে বহক।

**শ্ৰী দেৱব্ৰত শইকীয়া, বিৰোধী দলৰ দলপতি ঃ** মাননীয় অধ্যক্ষ মহোদয়, আমাক বহুত অপমান কৰিলে, সেই জিলাখনত আমি কেনেকৈ ওলাম, বহিস্কাৰ কৰক, দেশান্তৰিত কৰক কিন্তু ভাৰতীয় নাগৰিক, যিসকল স্বাধীনতা সংগ্ৰামী, যিসকলে সাহিত্য-সংস্কৃতি,কালিচৰণ ব্ৰহ্ম সেই ঠাইৰ আছিল, যিজনে ব্ৰাহ্ম ধৰ্ম প্ৰচাৰ কৰিছিল, প্ৰতিমা বৰুৱা, পুলকেশ বৰুৱা কাৰ কাৰ নাম ল'ম? হাজাৰ হাজাৰ মানুহৰ নাম ল'ব পাৰো, যিসকলৰ অৰদান আছে, সেইবাবে এই ক্ষেত্ৰত গৰিহণা প্ৰস্তাৱ ল'ব লাগে।

**মাননীয় অধ্যক্ষঃ** ঠিক আছে।

**শ্ৰী দেৱব্ৰত শইকীয়া, বিৰোধী দলৰ দলপতিঃ** মাননীয় অধ্যক্ষ মহোদয়, দ্বিতীয় কথা হ'ল কেইটামান breach of privilege দিছিলো, মাননীয় মুখ্যমন্ত্ৰী মহোদয়ে Article 275 ৰ যিটো কেন্দ্ৰীয় চৰকাৰৰ scheduled অঞ্চল, scheduled tribe সকলক যি পইচা দিয়ে সেইটো নিদিয়ে বুলি কৈছে। সেইটো এটা বহুত ডাঙৰ ঘটনা,চাৰ।

**মাননীয় অধ্যক্ষঃ** ঠিক আছে, মই notice পোৱা নাই। ....Interuption...

**শ্ৰী দেৱব্ৰত শইকীয়া, বিৰোধী দলৰ দলপতিঃ** আপোনাক notice দিয়া আছে মাননীয় অধ্যক্ষ মহোদয়। মুখ্যমন্ত্ৰীৰ বিৰুদ্ধে আৰু এটা কথা আছিল, আমি ভাৱো যে অসম বিধান সভাত শপত লোৱাৰ পিছত আমি সকলোৰে অধিকাৰ একে, শাসক বিৰোধী দুটা বেলেগ বস্তু, কিন্তু আমাৰ সকলোৰে সম অধিকাৰ। কিন্তু অসম চৰকাৰে যোৱা ১৯ নে ২০ তাৰিখে প্ৰধানমন্ত্ৰী আৱাস যোজনাত ঘোষণা কৰিছিল, তাত আমাৰ এগৰাকী বিধায়িকা শ্ৰীমতী শিৰামণি বৰাক invite নকৰিলে। সেইটো এটা বিষয় আপুনি চাব লাগে আৰু শেষত মহাশয় আজি এটা প্ৰস্তাৱ আনিছিলো, এই বিষয়ে আপুনি মন্তব্য দিলে ভাল পাম। এটা বিশেষাধিকাৰ সভা স্থগিত প্ৰস্তাৱ আনিছিলো এগৰাকী মন্ত্ৰীৰ দূৰ্নীতিৰ বিৰুদ্ধে।

**ড° ৰফিকুল ইছলাম, জনিয়া ঃ** ইতিমধ্যে আমাৰ বিৰোধী দলৰ দলপতি ডাঙৰীয়াই কৈছে, অসম চৰকাৰৰ পৰা আমি বিবৃতি বিচাৰিছো যে ধুবুৰী লোকসভা এৰিয়াটো অসমৰ অংগ বুলি অসম চৰকাৰে মানে নে নাই? যদি তেখেতসকলে ধুবুৰী লোকসভা এৰিয়াটো অসমৰ বুলি ভাৱে তেতিয়া ৰাজ্যসভাৰ সেইজন সাংসদ সুধাংশু ত্ৰিবেদীলৈ গৰিহণাৰ প্ৰস্তাৱ ল'ব চৰকাৰৰ ফালৰ পৰা সেইটো আমাৰ দাবী থাকিল।

**মাননীয় অধ্যক্ষঃ** এইটো বিষয়ে ইতিমধ্যে LOP ডাঙৰীয়াই কৈছে। আপুনি বহক। এইটো debate লৈ যাব নালাগে। এতিয়া সন্মানীয় সদস্যা শ্ৰীমতী শিৰামণি ডাঙৰীয়াণীয়ে invitation নকৰাৰ privilege আনিছিল, এই বিষয়ে আপুনি যদি কয় ক'ব পাৰে।

**শ্ৰীমতী শিৰামণি বৰা, বটদ্ৰৱাঃ** মাননীয় অধ্যক্ষ মহেদয়, PMAYG হিতাধিকাৰীলৈ গৃহ অনুমোদন পাবৰ বাবে প্ৰত্যেক বিধান সভা সমষ্টিত হোৱা অনুষ্ঠানলৈ সকলো বিধায়ককে নিমন্ত্ৰণ দিয়া হ'ল যদিও মোক নিমন্ত্ৰণ দিয়া নহ'ল। বিধায়ক সকলক সমষ্টি অনুসৰি হ'ব লগা অনুষ্ঠান সমূহত কোন ক'ত মুখ্য অতিথি হিচাপে উপস্থিত থাকিব সেই কথা অসমৰ জনতাক পৃষ্ঠাজোৰা বিজ্ঞাপন দি অসমৰ সকলো দৈনিক বাতৰি কাকতৰ যোগেদি জনোৱা হ'ল। সেই বিজ্ঞাপন সমূহত মাননীয় মুখ্যমন্ত্ৰী মহোদয়, মাননীয় মন্ত্ৰী সকল, মাননীয় অধ্যক্ষ মহোদয়, মাননীয় উপাধ্যক্ষ মহোদয় আৰু অন্যান্য মাননীয় বিধায়কসকল উক্ত ১৯ মাৰ্চ তাৰিখে ক'ত উপস্থিত থাকিব উল্লেখ আছিল কিন্তু আচৰিতভাৱে মোৰ নাম ক'তো উল্লেখ নাছিল। আমি ভাৱো এয়া ইচ্ছাকৃত ভাৱে কৰা অপমানৰ অংশ। ইয়াৰ দ্বাৰা বিশেষাধিকাৰ ভংগ কৰা হৈছে। অধ্যক্ষ মহোদয়, এনেধৰণৰ কাৰ্য্য এইবাৰেই প্ৰথম হোৱা নাই। বিভিন্ন বিভাগৰ আঁচনি সমূহৰ বাবে বিধায়ক হিচাপে ৰাইজৰ স্বাৰ্থত আঁচনি দাখিল কৰি বিৰোধী দলৰ বিধায়ক হিচাপে মাত্ৰ সামান্য আঁচনিহে আমাৰ সমষ্টিত অনুমোদন হয়। অনুমোদন হোৱা আঁচনি সমূহ বিভাগীয় মন্ত্ৰী সকলে আমাক নজোনোৱাকৈ আধাৰশিলা স্থাপন কৰিলেও ক'ব লগা বিশেষ একো নাছিল। কিন্তু অন্য সমষ্টিৰ বিধায়ক সকলে আধাৰশিলা কৰি গুচি যায়, আমি গমেই নাপাওঁ। অধ্যক্ষ মহোদয়, ইয়াৰ আগতে ২০২৪ চনত ১৫ অক্টোবৰ তাৰিখে ৮ জন বিধায়ক চামুগুৰি সমষ্টিৰ, শিঙিমাৰী নে ক'ত গৈ থাকোতে এটা ৰাজনৈতিক দলৰ নিৰ্বাচনী কাৰ্য্যালয়ৰ সন্মুখত ৰাজপথত এদল লোকে লোহাৰ ৰড, প্ৰকাণ্ড কাঠৰ বাটাম আদি লৈ আক্ৰমণ কৰে।

**মাননীয় অধ্যক্ষঃ** নাই, নাই এইটো ইয়াৰ লগত related নহয়। নাই নাই please. এইটোৰ লগত related নহয়। প্ৰধান মন্ত্ৰী আবাস যোজনাৰ distributionৰ ক্ষেত্ৰত প্ৰত্যেকজন বিধায়ককে.....Interuption...

**শ্ৰীমতী শিৰামণি বৰা, বটদ্ৰৱাঃ** মাননীয় অধ্যক্ষ মহেদয়, PMAYG গৃহ অনুমোদন পত্ৰ প্ৰদানৰ ১৯ মাৰ্চ তাৰিখৰ অনুষ্ঠানক লৈ মোক অপমান কৰিছে। আপুনি আমাৰ সাংবিধানিক অভিভাৱক হয় , বিধায়ক হিচাপে আমাৰ বিশেষাধিকাৰ ৰক্ষাৰ দায়িত্ব আপোনাৰ হাতত ন্যস্ত হৈ আছে, সেয়ে আপোনাক আলোচনা কৰি বিহীত ব্যৱস্থা গ্ৰহণ কৰিবলৈ অনুৰোধ জনাইছো।

**মাননীয় অধ্যক্ষঃ** ধন্যবাদ, মই notice খন পাইছো। আপুনি ইয়াত গোটেই তথ্যখিনি দিছে কিন্তু সেইটো এটা executive বিভাগৰ বিষয়ৰ বাহিৰৰ। আমাৰ সদন বা সদনৰ প্ৰক্ৰিয়াৰ লগত ইয়াৰ সম্পৰ্ক নাই। বিশেষাধিকাৰ আপুনি ইয়াত যিটো আনিছে, সেইটো সমিতিত বিচাৰ কৰিব দিয়াটো ভাল হ'ব আৰু ......Interuption... মই ভাবো এই বিষয়ে আপোনালোকে আৰু আমাক যিটো কৈছে সেইটো চৰকাৰলৈও ক'ম যে তেনেকুৱা কিয় হৈছে। প্ৰত্যেকজন বিধায়কক মতাৰ পিছতো শিৰামণি ডাঙৰীয়াণীৰ নামটো কিয় নাহিল ? এতিয়া সন্মানীয় মন্ত্ৰী শ্ৰী চন্দ্ৰমোহন পাটোৱাৰী।

**শ্ৰী চন্দ্ৰমোহন পাটোৱাৰী, মন্ত্ৰীঃ** মাননীয় অধ্যক্ষ মহোদয়, আমাৰ সন্মানীয় বিৰোধী দলৰ দলপতিয়ে সকলো উল্লেখ কৰিছে আৰু মাননীয় সদস্যা শিৰামণি ডাঙৰীয়াণীয়েও কৈছে। আচলতে কথাটো হৈছে যে যোৱাকালি মই এই notice খনৰ কথা গম পাওঁ আৰু গম পোৱাৰ পাছতে মই পঞ্চায়ত বিভাগৰ লগত আলোচনা কৰিছিলো। এইটো এনেকুৱা এটা বিষয় যে delimitation ৰ পিছত এই সমষ্টিটো নগাওঁৰ বটদ্ৰৱা সমষ্টিয়ে হ'ল। গতিকে নগাওঁ সমষ্টিৰ বিধায়ক ৰূপক শৰ্মাৰ নামটো দিয়া হ'ল কিন্তু আপোনাৰ নামটো দিয়া হোৱা নাই। এইটো কোনো ইচ্ছাকৃত নহয়।

**শ্ৰী দেৱব্ৰত শইকীয়া, (বিৰোধী দলৰ দলপতি) ঃ** মাননীয় অধ্যক্ষ মহোদয়, সমষ্টি নোহোৱা বিধায়ক যদি বেলেগত দিছে গতিকে এইটো discrimination 100% হৈছে। এইটো চৰকাৰে স্বীকাৰ কৰিব লাগিব। তেখেতে যিটো delimitation ৰ কথা কৈ আছে আৰু delimitation ত আমাৰ সমষ্টি নথকা বিধায়ক আমি ইয়াত আছো আৰু আমি তেখেতসকলক সন্মান জনাইছো। আমি তেওঁলোকক বাহিৰ কৰি দিয়া নাই ইয়াৰ পৰা। কিন্তু চৰকাৰখনে তেওঁলোকক কেনেকৈ বাহিৰ কৰি দিছে, এইটো নিয়মৰ পৰা ?

**মাননীয় অধ্যক্ষ ঃ** মাননীয় মন্ত্ৰী ডাঙৰীয়া, আপুনি এইটো কেনেকৈ কি হৈছে চাব।

**শ্ৰী চন্দ্ৰমোহন পাটোৱাৰী, (মন্ত্ৰী) ঃ** মাননীয় অধ্যক্ষ মহোদয়, তেখেতে যিটো কথা কৈছে সেইটো মই যোৱাকালি কথা পতা বুলি আপোনাক জনাইছো। কিন্তু এইটো আচলতে ইচ্ছাকৃত নহয়। ভৱিষ্যতে যাতে এনেকুৱা নহয়, চৰকাৰে ইয়াৰ ওপৰত দৃষ্টি ৰাখিব। গতিকে মাননীয় সদস্য গৰাকীয়ে বেয়া পাব নালাগে।

**মাননীয় অধ্যক্ষ ঃ** ঠিক আছে।

**শ্ৰী দেৱব্ৰত শইকীয়া, (বিৰোধী দলৰ দলপতি) ঃ** মাননীয় অধ্যক্ষ মহোদয়, আপোনাৰ ফালৰ পৰা চৰকাৰলৈ এটা warning দিব নেকি যে এনেদৰে আমাৰ সন্মান লাঘৰ নকৰিবলৈ। এজন বিধায়কৰ অপমান হৈছে, তেওঁ সমষ্টি delimitation ৰ কথা কৈ আছে।
-------interruption------
**মাননীয় অধ্যক্ষ ঃ** নিশ্চয়, মোৰ ফালৰ পৰাও এটা যাব। যিহেতু notice খন পাইছো গতিকে ভৱিষ্যতে যাতে পুনৰ তেনেকুৱা নহয় আৰু কিয় হৈছে সেইটো যাতে চায়।

**শ্ৰী দেৱব্ৰত শইকীয়া, (বিৰোধী দলৰ দলপতি) ঃ** মাননীয় অধ্যক্ষ মহোদয়, ভৱিষ্যতে যাতে তেনেকুৱা নহয়। -------interruption------

**মাননীয় অধ্যক্ষ ঃ** হ'ব। এতিয়া শ্বেৰমান আলী ডাঙৰীয়াই বৰপেটাৰ DC ৰ ওপৰত এটা আনিছিল। ইতিমধ্যে তেওঁলোকে মিটিংখন postpone কৰিছে। Already আগতেই আমাৰ ফালৰ পৰাও এটা নিৰ্দেশ দিয়া হৈছে যে বিধানসভা চলি থকাৰ সময়ত বিধায়কৰ লগত সম্পৰ্ক থকা বিষয়ত কোনো মিটিং দিব নোৱাৰে।

**শ্ৰী শ্বেৰমান আলী আহমেদ, (বাঘবৰ) ঃ** ছাৰ, আপুনি লিখাৰ পাছত Chief Secretary য়ে warning দিয়াৰ পাছত তেওঁ আকৌ মিটিং দিলে। এই যে আপুনি ক'লে মিটিং cancel কৰিছিল, it is because we submitted this breach of privilege.The meeting was cancelled by 10:30. DC য়ে সদায় মিটিং দি থাকিব আৰু আমি আপোনাৰ ওচৰত সদায় breach of privilege দি থাকিম। এনেকুৱাতো হ'ব নোৱাৰে আৰু আটাইতকৈ গুৰুত্বপূৰ্ণ বিষয় যে you are the guardian of this House.No.1)When an of-

ficer there's to disobey your instruction,it is devining of this house.So, it is a serious breach of privilege. No 2) The DC or any officer by inviting us to attend a meeting is creating virtual obstruction in attending the Assembly thereby infringing on our rights guaranted by the constitution.So, this is a very serious privilege of rights. So, I would like to request it kindly take a obligeance of this breach of privilege . Take it up or allow us to take it up instantly.

**মাননীয় অধ্যক্ষ ঃ** তেওঁলোকে মিটিংখন cancel কৰিলে বুলি জনাইছে।

**শ্ৰী চন্দ্ৰমোহন পাটোৱাৰী, (মন্ত্ৰী) ঃ** অধ্যক্ষ মহোদয়, মই guardian মন্ত্ৰী, মুখ্যমন্ত্ৰী ডাঙৰীয়াই মোক দিছে। সেই হিচাপত যেতিয়া মই কথাটো গম পাইছো ইতিমধ্যে বিধানসভাৰ তৰফৰ পৰা DC লৈ message এটা গৈছে। DC ও সেই কথাটোৰ ইমান depth লৈ গৈ আলোচনা কৰা নাই। যোৱাকালি ৰাতি মই DC ৰ লগতো কথা পাতিছো। -------হুলস্থুল----

**শ্ৰী শ্বেৰমান আলী আহমেদ, (বাঘবৰ) ঃ** Depth ত কথা পাতা নাই মানে কি ?Chief Secretary য়ে warrant issue কৰিছে যে why the DC is not serious? This is not for the first time.-------হুলস্থুল----guardian মন্ত্ৰীয়ে seriously লোৱা নাই। এইটো এবাৰ নহয় দুবাৰ। আমি কি সদায় appeal কৰি থাকিম নেকি ? -------হুলস্থুল----------

**মাননীয় অধ্যক্ষ ঃ** মাননীয় সদস্য শ্বেৰমান আপুনি please বহক। -------হুলস্থুল-------

**শ্ৰী দেৱব্ৰত শইকীয়া, (বিৰোধী দলৰ দলপতি) ঃ** মাননীয় অধ্যক্ষ মহোদয়, প্ৰতিখন জিলাতে এনেকুৱা হৈ থাকে, আপুনি কিবা কঠোৰ নিৰ্দেশনা দিলে ভাল হয়।-------হুলস্থুল-------

**শ্ৰী চন্দ্ৰমোহন পাটোৱাৰী, (মন্ত্ৰী) ঃ** অধ্যক্ষ মহোদয়, ইয়াৰ পৰা নিৰ্দেশ পোৱাৰ পাছত DC য়ে মিটিংখন postpone কৰিছে। ------ হুলস্থুল-------

**মাননীয় অধ্যক্ষ ঃ** মাননীয় সদস্য সকল, আপোনালোকে please হুলস্থুল নকৰিব, কথাটো solution ত আহিব লাগে। আপোনালোক বহক। উত্তৰটো শুনক।

**শ্ৰী চন্দ্ৰমোহন পাটোৱাৰী, (মন্ত্ৰী) ঃ** অধ্যক্ষ মহোদয়, মই যিখিনি কথা কৈছো, DC ৰ লগত কথা পাতিয়ে কৈছো। ------হুলস্থুল-------

**মাননীয় অধ্যক্ষ ঃ** মই adjournment motion ৰ এটা notice পাইছো।
------হুলস্থুল-------

**শ্ৰী আব্দুল ৰহিম আহমেদ, (বৰপেটা) ঃ** ছাৰ, যোৱাবাৰো মই এই এনেকুৱা ধৰণৰে বিষয় এটা উত্থাপন কৰিছিলো যে Model Anganwadi opening কৰিছে Assembly চলি থকাৰ সময়ত। গতিকে চৰকাৰে কিয় এটা clear নিৰ্দেশ দিব নোৱাৰে? ------হুলস্থুল-------

**শ্ৰী মনোৰঞ্জন তালুকদাৰ, (সৰভোগ) ঃ** মাননীয় অধ্যক্ষ মহোদয়, আপুনি এটা warning দিয়ক----------হুলস্থুল-------

**মাননীয় অধ্যক্ষ ঃ** হ'ব। অনুগ্ৰহ কৰি আপোনালোক সকলোৱে বহক। মই এটা সভা স্থগিত প্ৰস্তাৱৰ জাননী পাইছিলো।

**শ্ৰী দেৱব্ৰত শইকীয়া, (বিৰোধী দলৰ দলপতি) ঃ** মাননীয় অধ্যক্ষ মহোদয়, আমাৰ অসম বিধান সভাৰ প্ৰক্ৰিয়া আৰু কাৰ্য্য পৰিচালনাৰ নিয়মাৱলীৰ ৫৬ নং বিধি অনুসৰি আমি কংগ্ৰেছ বিধায়িনী দলৰ সদস্য সকলে সদনৰ সভা স্থগিত কৰি তলত উল্লেখ কৰা জৰুৰী ৰাজহুৱা গুৰুত্বপূৰ্ণ বিষয়টো আলোচনাৰ দিহা কৰিবলৈ প্ৰস্তাৱ আগবঢ়াইছো। মহোদয়, বৰ্তমানৰ অসম চৰকাৰৰ জলসিঞ্চন মন্ত্ৰী অশোক সিংহল ডাঙৰীয়াৰ জলসিঞ্চন বিভাগত ঠিকা আৱন্টনৰ কেলেঙ্কাৰী আৰু পূৰ্বৰ বিভাগত অত্যাধিক মূল্যত super sucker ক্ৰয় কৰা দূৰ্নীতি সন্দৰ্ভত সদনৰ অন্যান্য কাৰ্য্যসূচী বাতিল কৰি আলোচনাৰ বাবে আপোনাৰ ওচৰত এটা প্ৰস্তাৱ আগবঢ়াইছো। যিহেতু মাননীয় মন্ত্ৰী মহোদয়ে সংবিধান ৰক্ষাৰ নিৰপেক্ষভাৱে সকলো কাৰ্য্য কৰাৰ শপত লৈছে, ইয়াত আমি স্বচ্ছতা দেখা নাই, নিৰপেক্ষতা দেখা নাই। আপুনি সেই গতিকে অনুমতি দিব লাগে।

**মাননীয় অধ্যক্ষ ঃ** সন্মানীয় সদন, আজি আমাৰ Cut- Motion ৰ discussion আছে। যিদিনাখন financial বিষয়ত আলোচনা থাকে, council matter ত বা budget ৰ আলোচনা থাকে, সেইদিনা সাধাৰণতে তেনেকুৱা বিষয়বোৰ লোৱা নহয়, এইটো হ'ল প্ৰথম কথা। S.L. Shakdher ৰ Practice and Procedure of Parliament ত লিখা অনুসৰি Adjournment Motions are normally not allowed during the Budget discussion or during the discussion of the Motion of Thanks of President, Governor's Address. দ্বিতীয় বিষয়টো হ'ল যে আপোনালোকে ইয়াৰ লগত কোনোধৰণৰ তথ্য দিয়া নাই, গতিকে এইবোৰ আমি অন্য দিনতো আলোচনা কৰিব পাৰো। সেইকাৰণে যদিও আজি আপোনালোকে Important matter ৰ ওপৰত আলোচনাৰ বাবে notice দিছে, সেই বিষয়টো আজি আলোচনা কৰিব নালাগে।

**শ্ৰী দেৱব্ৰত শইকীয়া, (বিৰোধী দলৰ দলপতি) ঃ** অধ্যক্ষ মহোদয়, এইবাৰ আমি বিধান সভাত BAC ত কথা পাতিছিলো যে আমাৰ মাত্ৰ 'Private Members' Bill' দুদিন থাকে। এই দুদিনৰ ভিতৰত চৰকাৰী কাৰ্য্যসূচী পৰি যায় শুক্ৰবাৰ আছিলে সেইটো কাৰ্য্যসূচী পৰি গ'ল আৰু গতিকে আমাৰ দিন ক্ষতি হৈছে। সেইকাৰণে আপুনি আমাৰ এটা কাৰ্য্যসূচী বঢ়াই দিব পাৰে, নহ'লে আমি সকলোৱে ব্ৰিটিছ পাৰ্লিয়ামেণ্ট follow কৰো। ব্ৰিটিছ পাৰ্লিয়ামেণ্টত বিধান সভাৰ ২০% সময় বিৰোধীক দিয়ে। গতিকে ১০০ দিনৰ ২০ দিন বিৰোধীয়ে পায়, আমাক তেনেকৈ দিব পাৰে আৰু নহ'লে ছাৰ, এতিয়া আমি ভাৱো যিহেতু দুদিন আছে আমি সকলোৱে কমকৈ লগ পাম

কিন্তু এই দুয়োটা গুৰুত্বপূৰ্ণ বিষয় প্ৰায় ১৩ কোটি টকাৰ কেলেংকাৰী গুৱাহাটীৰ GMDA ৰ Super Sucker ৰ নামত হ'ল। ১ কোটি ৩০ লাখ টকাৰ বস্তুখিনি আনি এখন এখন গাড়ী আঢ়ৈ কোটি টকাত কিনা হৈছে আৰু তেনেকৈ ১০ খন কিনি ৰাইজৰ ধন শৰাধ কৰা হৈছে। দ্বিতীয়তে এজন ব্যক্তিক ঠিকা দিয়া হৈছে এটা joint venture, ভূএগ্ৰা আৰু অন্য এজনৰ নামত। যিটো basis ত ভূএগ্ৰা কোম্পানীটো জলসিঞ্চন বিভাগত register হ'ল তেওঁলোকৰ police verification টো registration ৰ কাৰণে বিশ্বনাথ চাৰিআলিৰ মানুহ এজনক নলবাৰী police ৰ registration কৰি অনৈতিক ভাৱে কাম কৰিছে নিজৰ jurisdiction ৰ বাহিৰত। তাৰপিছত কোটি কোটি টকাৰ কাম কৰিছে। এই কাম কৰাৰ কাৰণে জলসিঞ্চনৰ পানী ওলোৱা নাই নেকি? এই কথাখিনি খুবেই গুৰুত্বপূৰ্ণ কিন্তু আমি আৰু আলোচনা নকৰো, অধ্যক্ষ মহোদয়ে সদন কমিটি দি তদন্ত কৰাব পাৰে। এইটোৱেই আমাৰ দাবী ছাৰ। এতিয়া আপুনি এটা আশ্বাস দিয়ক যে সদন কমিটি কৰি দিম বুলি এই বিলাকৰ কাৰণে, তেতিয়া আৰু আমি হেচাঁ নিদিওঁ।

**মাননীয় অধ্যক্ষ ঃ** মই এই বিষয়টো বিবেচনা কৰিম।

.........(সদনত হুলস্থূল)........

**শ্ৰী দেৱব্ৰত শইকীয়া, (বিৰোধী দলৰ দলপতি) ঃ** অধ্যক্ষ মহোদয়, সময় একেবাৰে নাই, মাত্ৰ তিনি দিন আছে। গতিকে বিষয়টো আলোচনাৰ বাবে আজিয়েই দিয়ক।

**শ্ৰী জাকিৰ হুছেইন সিকদাৰ, (সৰুক্ষেত্ৰী) ঃ** মাননীয় অধ্যক্ষ মহোদয়, আমাৰ বিৰোধী দলৰ দলপতি ডাঙৰীয়াই যি সদন কমিটি বিচাৰিছে, সেই সদন কমিটি দিয়া বুলি আপুনি Report দিব লাগে।

.........(সদনত হুলস্থূল)........

**মাননীয় অধ্যক্ষ ঃ** আমি এই বিষয়ে বিবেচনা কৰি চাম। এতিয়া Hon'ble Parliamentary Affairs Minister এ ক'বলৈ বিচাৰিছে , আপোনালোকে শুনক।

**শ্ৰী চন্দ্ৰমোহন পাটোৱাৰী, (মন্ত্ৰী) ঃ** অধ্যক্ষ মহোদয়, আজি যিটো বিষয় আমাৰ সভা স্থগিত প্ৰস্তাৱত আনিছে, জলসিঞ্চনৰ ক্ষেত্ৰত যিটো আজি সভা স্থগিত প্ৰস্তাৱ আনিছে, এই বিষয়টো Rules ৰ ভিত্তিত হ'লে ভাল হয় আৰু সদন কমিটি কৰাৰ যুক্তি এই কাৰণেই নাই যিহেতু বিষয়টো তন্ন তন্ন কৈ আলোচনা কৰাৰ কাৰণে আমাৰ ব্যৱস্থা আছে।

..................(সদনত হুলস্থূল)..................

**মাননীয় অধ্যক্ষ ঃ** অনুগ্ৰহ কৰি আপোনালোক সকলো বহক।

..................(সদনত হুলস্থূল)..................

**শ্ৰী অখিল গগৈ, (শিৱসাগৰ) ঃ** সদন কমিটি গঠন কৰিব লাগে ছাৰ। গোটেই irrigation বিভাগৰ পইছা খাই শেষ কৰিলে কিন্তু ক'তো এটা পানী যোগান আঁচনি নাই।

.................(সদনত হুলস্থূল).................

**মাননীয় অধ্যক্ষ ঃ** বহক, বহক। সকলোৱে বহক। আজি আমাৰ গুৰুত্বপূৰ্ণ আলোচনা আছে। আজি আমাৰ Cut-Motion আছে। সাধাৰণতে Cut-Motion থকাৰ সময়ত আমি বেলেগ বিষয় আলোচনা নকৰো আৰু আপোনালোকে জানে যে আজি Zero Hour নাই, Rule 54 নাই, 301 নাই ।

..................(মন্ত্ৰী অশোক সিংহলক মন্ত্ৰীত্বৰ পৰা অপসাৰণ কৰিব লাগে বুলি সদনত হুলস্থূলীয়া পৰিৱেশৰ সৃষ্টি হয়)..................

**माननीय अध्यक्ष ঃ** শ্ৰীগোবিন্দ বসুমতাৰী।

**শ্ৰী গোবিন্দ বসুমতাৰী, (চিদলী) ঃ** অধ্যক্ষ মহোদয়, মই আজিৰ কাৰ্য্য তালিকাৰ ক্ৰমিক নং-২ত মোৰ নামৰ বিপৰীতে তালিকা ভুক্ত হোৱা বিভাগীয়ভাৱে সম্পৰ্কিত স্থায়ী সমিতিৰ উন্নয়ন (ক) বিভাগৰ প্ৰতিবেদনসমূহ সদনত উপস্থাপন কৰিলো।

**মাননীয় অধ্যক্ষ ঃ** ধন্যবাদ। শ্ৰী ৰমেন্দ্ৰ নাৰায়ণ কলিতা।

**শ্ৰী ৰমেন্দ্ৰ নাৰায়ণ কলিতা, (পশ্চিম গুৱাহাটী)ঃ** অধ্যক্ষ মহোদয়, মই আজিৰ কাৰ্য্য তালিকাৰ ক্ৰমিক নং- ৩ ত মোৰ নামৰ বিপৰীতে তালিকা ভুক্ত হোৱা বিভাগীয়ভাৱে সম্পৰ্কিত স্থায়ী সমিতিৰ উন্নয়ন (খ) বিভাগৰ প্ৰতিবেদনসমূহ সদনত উপস্থাপন কৰিলো।

**মাননীয় অধ্যক্ষ ঃ** ধন্যবাদ। শ্ৰী প্ৰদীপ হাজৰিকা।

**শ্ৰী প্ৰদীপ হাজৰিকা, (আমগুৰি) ঃ** On behalf of the Chairman, Shri Naba Kumar Doley, I present the Reports of the Departments under the Stanbding Committee on Development (C) in respect of Grants Nos. 71, 26, 6, 7, 41, 72, 27, 69, 75 and 11.

**মাননীয় অধ্যক্ষ ঃ** ধন্যবাদ। শ্ৰী পৰমানন্দ ৰাজবংশী।

**শ্ৰী পৰমানন্দ ৰাজবংশী, (ছিপাঝাৰ) ঃ** অধ্যক্ষ মহোদয়, মই আজিৰ কাৰ্য্য তালিকাৰ ক্ৰমিক নং-৫ ত মোৰ নামৰ বিপৰীতে তালিকা ভুক্ত হোৱা বিভাগীয়ভাৱে সম্পৰ্কিত স্থায়ী সমিতিৰ উন্নয়ণ (ঘ) বিভাগৰ প্ৰতিবেদনসমূহ আজিৰ এই পৱিত্ৰ সদনত উপস্থাপন কৰিলো।

**মাননীয় অধ্যক্ষ ঃ** ধন্যবাদ। ড° অমিয় কুমাৰ ভূঞা ।

**ড° অমিয় কুমাৰ ভূঞা, (বিহপুৰীয়া)ঃ** মাননীয় অধ্যক্ষ মহোদয়, মই শ্ৰী ভুৱন পেগু ডাঙৰীয়াৰ হৈ বিভাগীয়ভাৱে সম্পৰ্কিত স্থায়ী সমিতিৰ উন্নয়ণ (ঙ) ৰ তালিকা ভুক্ত হোৱা বিভাগীয় ভাৱে সম্পৰ্কিত স্থায়ী সমিতি সমূহৰ প্ৰতিবেদনসমূহ সদনত উপস্থাপন কৰিলো।

**মাননীয় অধ্যক্ষ ঃ** শ্ৰী ভৰেন্দ্ৰ নাথ ভৰালী।

**শ্ৰী ভৰেন্দ্ৰ নাথ ভৰালী, (দেৰগাঁও)ঃ** মাননীয় অধ্যক্ষ মহোদয়, মই আজিৰ কাৰ্য্য তালিকাৰ ক্ৰমিক নং- ৭ ত মোৰ নামৰ বিপৰীতে তালিকা ভুক্ত হোৱা বিভাগীয়ভাৱে সম্পৰ্কিত স্থায়ী সমিতিৰ উন্নয়ণ (চ) ৰ অধীনৰ বিভাগ সমূহৰ প্ৰতিবেদনসমূহ এই পৱিত্ৰ সদনত উপস্থাপন কৰিলো।

**মাননীয় অধ্যক্ষ ঃ** শ্ৰী ৰূপক শৰ্মা ।

**শ্ৰী ৰূপক শৰ্মা, (নগাঁও) ঃ** মাননীয় অধ্যক্ষ মহোদয়, মই আজিৰ কাৰ্য্য তালিকাৰ ক্ৰমিক নং- ৮ ত মোৰ নামৰ বিপৰীতে তালিকা ভুক্ত হোৱা বিভাগীয়ভাৱে সম্পৰ্কিত স্থায়ী সমিতিৰ উন্নয়ণ (ছ) বিভাগৰ প্ৰতিবেদনসমূহ এই পৱিত্ৰ সদনত উপস্থাপন কৰিলো।

**মাননীয় অধ্যক্ষ ঃ** শ্ৰী প্ৰমোদ বৰঠাকুৰ।

**শ্ৰী প্ৰমোদ বৰঠাকুৰ, (বিশ্বনাথ) ঃ** মাননীয় অধ্যক্ষ মহোদয়, মই মাননীয় সভাপতি শ্ৰী সঞ্জয় কিষাণৰ হৈ আজিৰ তালিকাৰ ক্ৰমিক নং- ৯ ৰ বিপৰীতে তালিকা ভুক্ত হোৱা বিভাগীয়ভাৱে সম্পৰ্কিত স্থায়ী সমিতিৰ উন্নয়ণ (জ) বিভাগৰ প্ৰতিবেদনসমূহ এই সদনত উপস্থাপন কৰিলো।

**মাননীয় অধ্যক্ষ ঃ** Hon’ble Parliamentary Affairs Minister.

**শ্ৰী চন্দ্ৰমোহন পাটোৱাৰী, (মন্ত্ৰী) ঃ** মাননীয় অধ্যক্ষ মহোদয়, মই এতিয়া ভাৰতৰ নিয়ন্ত্ৰক আৰু মহা হিচাপ পৰীক্ষকৰ ৰাজ্যিক ৰাজহুৱা খণ্ডৰ উদ্যোগৰ প্ৰতিবেদনৰ ওপৰত ৩১ মাৰ্চ, ২০২৩ ত সমাপ্ত হোৱা বৰ্ষটোৰ বাবে অসম চৰকাৰৰ (২০২৪ বৰ্ষৰ প্ৰতিবেদন নং ৪) প্ৰতিবেদন খন সদনৰ

মজিয়াত উত্থাপন কৰিলো।.......

**(বিৰোধী দলৰ অধ্যক্ষৰ আসনৰ ওচৰত আহি প্ৰতিবাদ - প্লে কাৰ্ড প্ৰদৰ্শন)**

**হুলস্থূল- কাৰো মাত শুনা নাযায় ।**

**মাননীয় অধ্যক্ষ ঃ সদন দহ মিনিটৰ বাবে স্থগিত কৰা হ'ল।**

**TIME - 11.15 -11.25**

**(সদন ১১.১৫ বজাত পুনৰ অনুষ্ঠিত হয়)**

(মাননীয় উপাধ্যক্ষৰ সদনত প্ৰৱেশ)

**শ্ৰীঅখিল গগৈ, (শিৱসাগৰ)ঃ উপাধ্যক্ষ মহোদয়, মন্ত্ৰী অশোক সিংঘল ডাঙৰীয়াই দূৰ্নীতি কৰিছে। খেতিয়কৰ টকা শেষ কৰিলে। খেতি পথাৰত পানী নাই। সদন কমিটি গঠন কৰি তদন্ত দিব লাগে।**

**শ্ৰীদেৱব্ৰত শইকীয়া, (বিৰোধী দলৰ দলপতি) ঃ উপাধ্যক্ষ মহোদয়, আমি সদন কমিটি গঠন কৰি তদন্ত কৰাটো বিচাৰিছো । সদন কমিটি দিয়ক ।**

**(বিৰোধী দলৰ অধ্যক্ষৰ আসনৰ ওচৰত আহি পুনৰ প্ৰতিবাদ - প্লে কাৰ্ড প্ৰদৰ্শন)**

**হুলস্থূল- কাৰো মাত শুনা নাযায় ।**

**মাননীয় উপাধ্যক্ষ ঃ** House adjourn for 5 minutes.

**মাননীয় উপাধ্যক্ষ** ঃ এতিয়া কাৰ্য্যসূচী নং ১১। মাননীয় মুখ্যমন্ত্ৰী ডাঙৰীয়াৰ হৈ সংসদীয় পৰিক্ৰমা বিভাগৰ মন্ত্ৰীয়ে “The Assam Cattle Preservation ( Amendment) Bill, 2025 ” খন সদনত উত্থাপন কৰিবলৈ অনুৰোধ কৰিলো।

**শ্ৰী অখিল গগৈ, (শিৱসাগৰ)** ঃ মাননীয় উপাধ্যক্ষ মহোদয়, সদন সমিতি খন নহয় নেকি, জলসিঞ্চন বিভাগক আৰু Super Sucker ৰ পইচাৰ খেলি-মেলিৰ বাবে।

**মাননীয় উপাধ্যক্ষ** ঃ মাননীয় অখিল গগৈ ডাঙৰীয়া আপুনি Rule- 156 আৰু 157 পঢ়িব আৰু তাৰ পিছত এইবোৰ কথা ক'ব।

**শ্ৰী অখিল গগৈ, (শিৱসাগৰ)** ঃ মাননীয় উপাধ্যক্ষ মহোদয়, শ্ৰী অশোক সিংহল ডাঙৰীয়াই যি কেলেংকাৰী কৰিলে তাৰ ওপৰত একো আলোচনাই নহল। এতিয়া আপুনি কওক সদন সমিতি খন হ'ব নে নহয়।

**মাননীয় উপাধ্যক্ষ** ঃ As you are an elected Member you should follow the Rule. এই খন চকীৰ পৰা আপোনাৰ কথা মতে কাম কৰিব নোৱাৰো।

**শ্ৰী অখিল গগৈ, (শিৱসাগৰ)** ঃ মাননীয় উপাধ্যক্ষ মহোদয়, সদন সমিতি খন হব নে নহয় আমাক জনাই দিলেই হ'ল।

**মাননীয় উপাধ্যক্ষ** ঃ আপুনি আপোনাৰ চকীত বহক হুলস্থুল নকৰিব।

**শ্ৰী অখিল গগৈ, (শিৱসাগৰ)** ঃ মাননীয় উপাধ্যক্ষ মহোদয়, সদন সমিতি খন হ'ব নে নহয়।

**মাননীয় উপাধ্যক্ষ** ঃ You are suspended for 10 minutes. You go and read Rule- 156 & 157.

**শ্ৰী ৰণজিৎ দাস, মন্ত্ৰী** ঃ আপুনি এজন জনা-শুনা সদস্য হৈ এনেকুৱা কৰিব নাপায়।

**মাননীয় উপাধ্যক্ষ** ঃ এতিয়া মাননীয় সংসদীয় পৰিক্ৰমা বিভাগৰ মন্ত্ৰী।

**শ্ৰী চন্দ্ৰমোহন পাটোৱাৰী, (মন্ত্ৰী)** ঃ মাননীয় উপাধ্যক্ষ মহোদয়, মই মুখ্যমন্ত্ৰী ডাঙৰীয়াৰ হৈ “The Assam Cattle Preservation ( Amendment) Bill, 2025 ” খন সদনত উত্থাপনৰ বাবে প্ৰস্তাৱ কৰিলো।

**মাননীয় উপাধ্যক্ষ** ঃ এতিয়া প্ৰশ্নটো হ'ল বিধেয়ক খন সদনত উত্থাপন কৰাৰ বাবে সকলোৰে সন্মতি আছে নে। যি সকল সপক্ষে আছে তেওঁলোকে কওঁক হয় আৰু যিসকল বিপক্ষে আছে তেওঁলোকে কওঁক নহয়। মই ভাবো হয় সপক্ষে হয় সপক্ষে হয় সাপক্ষে। এতিয়া প্ৰস্তাৱটো গৃহীত হল। এতিয়া মাননীয় মন্ত্ৰীয়ে বিধেয়ক খন উত্থাপন কৰিব।

**শ্ৰী চন্দ্ৰমোহন পাটোৱাৰী, (মন্ত্ৰী)** ঃ মাননীয় উপাধ্যক্ষ মহোদয়,মই আপোনাৰ অনুমতি সপক্ষে, মুখ্যমন্ত্ৰী ডাঙৰীয়াৰ হৈ "The Assam Cattle Preservation ( Amendment) Bill, 2025 " সদনত উত্থাপন কৰিলো।

**মাননীয় উপাধ্যক্ষ** ঃ বিধেয়ক খন সদনত উত্থাপন হ'ল। এতিয়া কাৰ্য্যসূচী নং ১২ মাননীয় মুখ্যমন্ত্ৰী ডাঙৰীয়াৰ হৈ সংসদীয় পৰিক্ৰমা বিভাগৰ মন্ত্ৰীয়ে " The Srimanta Sankaradeva University of Health Sciences ( Amendment) Bill, 2025 " খন সদনত উত্থাপন কৰিবলৈ অনুৰোধ কৰিলো।

**শ্ৰী চন্দ্ৰমোহন পাটোৱাৰী, (মন্ত্ৰী)** ঃ মাননীয় উপাধ্যক্ষ মহোদয়, মই মুখ্যমন্ত্ৰী ডাঙৰীয়াৰ হৈ "The Srimanta Sankaradeva University of Health Sciences ( Amendment) Bill, 2025 " খন সদনত উত্থাপনৰ বাবে প্ৰস্তাৱ কৰিলো।

**মাননীয় উপাধ্যক্ষ** ঃ এতিয়া প্ৰশ্নটো হ'ল বিধেয়ক খন সদনত উত্থাপন কৰাৰ বাবে সকলোৰে সন্মতি আছে নে। যি সকল সপক্ষে আছে তেওঁলোকে কওঁক হয় আৰু যিসকল বিপক্ষে আছে তেওঁলোকে কওঁক নহয়। মই ভাবো হয় সপক্ষে হয় সপক্ষে হয় সপক্ষে। এতিয়া প্ৰস্তাৱটো গৃহীত হ'ল। এতিয়া মাননীয় মন্ত্ৰীয়ে বিধেয়ক খন উত্থাপন কৰিব।

**শ্ৰী চন্দ্ৰমোহন পাটোৱাৰী, (মন্ত্ৰী)** ঃ মাননীয় উপাধ্যক্ষ মহোদয়,মই আপোনাৰ অনুমতি সপক্ষে, মুখ্যমন্ত্ৰী ডাঙৰীয়াৰ হৈ "The Srimanta Sankaradeva University of Health Sciences (Amendment) Bill, 2025 " খন সদনত উত্থাপন কৰিলো।

**মাননীয় উপাধ্যক্ষ** ঃ বিধেয়কখন সদনত উত্থাপন হ'ল। এতিয়া কাৰ্য্যসূচী নং ১৩। মাননীয় মন্ত্ৰী ডাঃ ৰণোজ পেগু ডাঙৰীয়াক " The Bonaigaon University ( Amendment) Bill, 2025" খন সদনত উত্থাপন কৰিবলৈ অনুৰোধ কৰিলো।

**ডাঃ ৰণোজ পেগু, মন্ত্ৰী** ঃ মাননীয় উপাধ্যক্ষ মহোদয়, মই আপোনাৰ অনুমতি সপক্ষে, " The Bonaigaon University ( Amendment) Bill, 2025" খন সদনত উত্থাপন ৰ বাবে প্ৰস্তাৱ কৰিলো।

**মাননীয় উপাধ্যক্ষ** ঃ এতিয়া প্ৰশ্নটো হ'ল বিধেয়ক খন সদনত উত্থাপন কৰাৰ বাবে সকলোৰে সন্মতি আছে নে? যি সকল সপক্ষে আছে তেওঁলোকে কওঁক হয় আৰু যিসকল বিপক্ষে আছে তেওঁলোকে কওঁক নহয়। মই ভাবো হয় সপক্ষে, হয় সপক্ষে, হয় সপক্ষে। এতিয়া প্ৰস্তাৱটো গৃহীত হ'ল। এতিয়া মাননীয় মন্ত্ৰীয়ে বিধেয়ক খন উত্থাপন কৰিব।

**ডাঃ ৰণোজ পেগু, (মন্ত্ৰী)** ঃ মাননীয় উপাধ্যক্ষ মহোদয়, মই আপোনাৰ অনুমতি সপক্ষে, " The Bonaigaon University ( Amendment) Bill, 2025" খন সদনত উত্থাপন কৰিলো।

**মাননীয় উপাধ্যক্ষ** ঃ বিধেয়ক খন সদনত উত্থাপন হ'ল। এতিয়া কাৰ্য্যসূচী নং ১৪। মাননীয় মন্ত্ৰী ডাঃ ৰণোজ পেগু ডাঙৰীয়াক " The Gurucharan University ( Amendment) Bill, 2025" খন সদনত উত্থাপন কৰিবলৈ অনুৰোধ কৰিলো।

**ডাঃ ৰণোজ পেগু, মন্ত্ৰী** ঃ মাননীয় উপাধ্যক্ষ মহোদয়, মই আপোনাৰ অনুমতি সপক্ষে, " The

Gurucharan University ( Amendment) Bill, 2025" খন সদনত উত্থাপনৰ বাবে প্ৰস্তাৱ কৰিলো।

**মাননীয় উপাধ্যক্ষ** ঃ এতিয়া প্ৰশ্নটো হ'ল বিধেয়ক খন সদনত উত্থাপন কৰাৰ বাবে সকলোৰে সন্মতি আছে নে। যি সকল সপক্ষে আছে তেওঁলোকে কওক হয় আৰু যিসকল বিপক্ষে আছে তেওঁলোকে কওক নহয়। মই ভাৰো হয় সাপক্ষে হয় সাপক্ষে হয় সাপক্ষে। এতিয়া প্ৰস্তাৱটো গৃহীত হল। এতিয়া মাননীয় মন্ত্ৰীয়ে বিধেয়ক খন উত্থাপন কৰিব।

**ডাঃ ৰণোজ পেগু, মন্ত্ৰী** ঃ মাননীয় উপাধ্যক্ষ মহোদয়, মই আপোনাৰ অনুমতি সাপক্ষে, " The Gurucharan University ( Amendment) Bill, 2025" খন সদনত উত্থাপনৰ বাবে প্ৰস্তাৱ কৰিলো।

**মাননীয় উপাধ্যক্ষ** ঃ বিধেয়ক খন সদনত উত্থাপন হ'ল। এতিয়া কাৰ্য্যসূচী নং ১৫। মাননীয় মন্ত্ৰী ডাঃ ৰণোজ পেগু ডাঙৰীয়াক " The Jagannath Barooah University ( Amendment) Bill, 2025" খন সদনত উত্থাপন কৰিবলৈ অনুৰোধ কৰিলো।

**ডাঃ ৰণোজ পেগু, মন্ত্ৰী** ঃ মাননীয় উপাধ্যক্ষ মহোদয়, মই আপোনাৰ অনুমতি সপক্ষে, " The Jagannath Barooah University ( Amendment) Bill, 2025" খন সদনত উত্থাপনৰ বাবে প্ৰস্তাৱ কৰিলো।

**মাননীয় উপাধ্যক্ষ** ঃ এতিয়া প্ৰশ্নটো হ'ল বিধেয়ক খন সদনত উত্থাপন কৰাৰ বাবে সকলোৰে সন্মতি আছে নে? যি সকল সপক্ষে আছে তেওঁলোকে কওঁক হয় আৰু যিসকল বিপক্ষে আছে তেওঁলোকে কওঁক নহয়। মই ভাৰো হয় সাপক্ষে, হয় সাপক্ষে, হয় সাপক্ষে। এতিয়া প্ৰস্তাৱটো গৃহীত হল। এতিয়া মাননীয় মন্ত্ৰীয়ে বিধেয়ক খন উত্থাপন কৰিব।

**ডাঃ ৰণোজ পেগু, মন্ত্ৰী** ঃ মাননীয় উপাধ্যক্ষ মহোদয়, মই আপোনাৰ অনুমতি সাপক্ষে, " The Jagannath Barooah University ( Amendment) Bill, 2025" খন সদনত উত্থাপন কৰিলো।

**মাননীয় উপাধ্যক্ষ** ঃ বিধেয়ক খন সদনত উত্থাপন হ'ল। এতিয়া কাৰ্য্যসূচী নং ১৬। মাননীয় মন্ত্ৰী ডাঃ ৰণোজ পেগু ডাঙৰীয়াক " The Nagaon University ( Amendment) Bill, 2025" খন সদনত উত্থাপন কৰিবলৈ অনুৰোধ কৰিলো

**ডাঃ ৰণোজ পেগু, মন্ত্ৰী** ঃ মাননীয় উপাধ্যক্ষ মহোদয়, মই আপোনাৰ অনুমতি সপক্ষে, " The Nagaon University ( Amendment) Bill, 2025" খন সদনত উত্থাপনৰ বাবে প্ৰস্তাৱ কৰিলো।

**মাননীয় উপাধ্যক্ষ** ঃ এতিয়া প্ৰশ্নটো হ'ল বিধেয়ক খন সদনত উত্থাপন কৰাৰ বাবে সকলোৰে সন্মতি আছে নে। যি সকল সপক্ষে আছে তেওঁলোকে কওক হয় আৰু যিসকল বিপক্ষে আছে তেওঁলোকে কওক নহয়। মই ভাৰো হয় সাপক্ষে হয় সাপক্ষে হয় সাপক্ষে। এতিয়া প্ৰস্তাৱটো গৃহীত হল। এতিয়া মাননীয় মন্ত্ৰীয়ে বিধেয়ক খন উত্থাপন কৰিব।

বিধেয়ক খন সদনত উত্থাপন হ'ল। এতিয়া কাৰ্য্যসূচী নং ১৭। মাননীয় মন্ত্ৰী ডাঃ ৰণোজ পেগু ডাঙৰীয়াই The North Lakhinpur University ( Amendment) Bill, 2025" খন সদনত উত্থাপন কৰিব।

**ডাঃ ৰণোজ পেগু, মন্ত্ৰী** ঃ মাননীয় উপাধ্যক্ষ মহোদয়, মই আপোনাৰ অনুমতি সাপেক্ষে, " The

North Lakhimpur University ( Amendment) Bill, 2025" খন সদনত উত্থাপন কৰিলো।

**মাননীয় উপাধ্যক্ষ** ঃ এতিয়া প্ৰশ্নটো হ'ল বিধেয়ক খন সদনত উত্থাপন কৰাৰ বাবে সকলোৰে সন্মতি আছে নে? যি সকল সপক্ষে আছে তেওঁলোকে কওঁক হয় আৰু যিসকল বিপক্ষে আছে তেওঁলোকে কওঁক নহয়। মই ভাৱো হয় সাপক্ষে, হয় সাপক্ষে, হয় সাপক্ষে। এতিয়া প্ৰস্তাৱটো গৃহীত হল। এতিয়া মাননীয় মন্ত্ৰীয়ে বিধেয়ক খন উত্থাপন কৰিব।

বিধেয়ক খন সদনত উত্থাপন হ'ল। এতিয়া কাৰ্য্যসূচী নং ১৮। মাননীয় মন্ত্ৰী ডাঃ ৰণোজ পেগু ডাঙৰীয়াক " The Sibsagar University ( Amendment) Bill, 2025" খন সদনত উত্থাপন কৰিবলৈ অনুৰোধ কৰিলো

**ডাঃ ৰণোজ পেগু, মন্ত্ৰী** ঃ মাননীয় উপাধ্যক্ষ মহোদয়, মই আপোনাৰ অনুমতি সপক্ষে, " The Sibsagar University ( Amendment) Bill, 2025" খন সদনত উত্থাপনৰ বাবে প্ৰস্তাৱ কৰিলো।

**মাননীয় উপাধ্যক্ষ** ঃ এতিয়া প্ৰশ্নটো হ'ল বিধেয়ক খন সদনত উত্থাপন কৰাৰ বাবে সকলোৰে সন্মতি আছে নে। যি সকল সপক্ষে আছে তেওঁলোকে কওঁক হয় আৰু যিসকল বিপক্ষে আছে তেওঁলোকে কওঁক নহয়। মই ভাৱো হয় সাপক্ষে, হয় সাপক্ষে, হয় সাপক্ষে। এতিয়া প্ৰস্তাৱটো গৃহীত হল।

বিধেয়ক খন সদনত উত্থাপন হ'ল। এতিয়া কাৰ্য্যসূচী নং ১৯। মাননীয় মন্ত্ৰী ডাঃ ৰণোজ পেগু ডাঙৰীয়াই " The Swahid Kanaklata Barua State University ( Amendment) Bill, 2025" খন সদনত উত্থাপনৰ বাবে প্ৰস্তাৱ কৰিলো

**ডাঃ ৰণোজ পেগু, মন্ত্ৰী** ঃ মাননীয় উপাধ্যক্ষ মহোদয়, মই আপোনাৰ অনুমতি সাপক্ষে, " The Swahid Kanaklata Barua State University ( Amendment) Bill, 2025" খন সদনত উত্থাপন কৰিলো।

**মাননীয় উপাধ্যক্ষ** ঃ এতিয়া প্ৰশ্নটো হ'ল বিধেয়ক খন সদনত উত্থাপন কৰাৰ বাবে সকলোৰে সন্মতি আছে নে? যি সকল সপক্ষে আছে তেওঁলোকে কওঁক হয় আৰু যিসকল বিপক্ষে আছে তেওঁলোকে কওঁক নহয়। মই ভাৱো হয় সাপক্ষে, হয় সাপক্ষে, হয় সাপক্ষে। এতিয়া প্ৰস্তাৱটো গৃহীত হল। এতিয়া মাননীয় মন্ত্ৰীয়ে বিধেয়ক খন উত্থাপন কৰিব।

**কাৰ্যসূচী নং- ২০** , মাননীয় মন্ত্ৰী ডাঃ ৰণোজ পেগু ডাঙৰীয়াই "The Kokrajhar University (Amendment) Bill, 2025" বিধেয়কখন উত্থাপন কৰিবলৈ সদনৰ অনুমতি বিচাৰিব।

**ডাঃ ৰণোজ পেগু, (শিক্ষামন্ত্ৰী)** ঃ মাননীয় উপাধ্যক্ষ মহোদয়, আপোনাৰ অনুমতি সাপেক্ষে মই "The Kokrajhar University (Amendment) Bill, 2025" বিধেয়কখন উত্থাপনৰ বাবে প্ৰস্তাৱ কৰিলো।

**মাননীয় উপাধ্যক্ষ** ঃ প্ৰশ্নটো হ'ল,

বিধেয়কখন উত্থাপন কৰাত সদনৰ সন্মতি আছেনে?
যিসকল সপক্ষে আছে, তেখেতসকলে কওঁক 'হয়'
যিসকল বিপক্ষে আছে, তেখেতসকলে কওঁক 'নহয়'
মই ভাবো 'হয়'ৰ সপক্ষে, 'হয়'ৰ সপক্ষে, 'হয়'ৰ সপক্ষে,
প্ৰস্তাৱটো গৃহীত হ'ল।

এতিয়া মাননীয় মন্ত্ৰীয়ে বিধেয়কখন উত্থাপন কৰিব।

**ডাঃ ৰণোজ পেগু, (শিক্ষামন্ত্ৰী)** ঃ মাননীয় উপাধ্যক্ষ মহোদয়, আপোনাৰ অনুমতি সাপেক্ষে মই "The Kokrajhar University (Amendment) Bill, 2025" বিধেয়কখন সদনত উত্থাপন কৰিলো।

**মাননীয় উপাধ্যক্ষ** ঃ বিধেয়কখন উত্থাপন হ'ল।

এতিয়া কাৰ্য্যসুচী নং ২১, মাননীয় মন্ত্ৰী ডাঃ ৰণোজ পেগু ডাঙৰীয়াক "The Assam Private Universities (Amendment) Bill, 2025" বিধেয়কখন উত্থাপন কৰিবলৈ সদনৰ অনুমতি বিচাৰিব।

**ডাঃ ৰণোজ পেগু, (শিক্ষামন্ত্ৰী)** ঃ মাননীয় উপাধ্যক্ষ মহোদয়, আপোনাৰ অনুমতি সাপেক্ষে মই "The Assam Private Universities (Amendment) Bill, 2025" বিধেয়কখন উত্থাপনৰ বাবে প্ৰস্তাৱ কৰিলো।

**মাননীয় উপাধ্যক্ষ** ঃ প্ৰশ্নটো হ'ল,

বিধেয়কখন উত্থাপন কৰাত সদনৰ সন্মতি আছেনে?
যিসকল সপক্ষে আছে, তেখেতসকলে কওঁক 'হয়'
যিসকল বিপক্ষে আছে, তেখেতসকলে কওঁক 'নহয়'
মই ভাবো 'হয়'ৰ সপক্ষে, 'হয়'ৰ সপক্ষে, 'হয়'ৰ সপক্ষে,
প্ৰস্তাৱটো গৃহীত হ'ল।

এতিয়া মাননীয় মন্ত্ৰীয়ে বিধেয়কখন উত্থাপন কৰিব।

**ডাঃ ৰণোজ পেগু, (শিক্ষামন্ত্ৰী)** ঃ মাননীয় উপাধ্যক্ষ মহোদয়, আপোনাৰ অনুমতি সাপেক্ষে মই "The Assam Private Universities (Amendment) Bill, 2025" বিধেয়কখন সদনত উত্থাপন কৰিলো।

**মাননীয় উপাধ্যক্ষ** ঃ বিধেয়কখন উত্থাপন হ'ল।

এতিয়া কাৰ্য্যসুচী নং ২২, মাননীয় মন্ত্ৰী ডাঃ ৰণোজ পেগু ডাঙৰীয়াক "The Maa Kamakhya Universities Bill, 2025" বিধেয়কখন উত্থাপন কৰিবলৈ সদনৰ অনুমতি বিচাৰিব।

**ডাঃ ৰণোজ পেগু, (শিক্ষামন্ত্ৰী)** ঃ মাননীয় উপাধ্যক্ষ মহোদয়, আপোনাৰ অনুমতি সাপেক্ষে মই "The Maa Kamakhya Universities Bill, 2025" বিধেয়কখন উত্থাপনৰ বাবে প্ৰস্তাৱ কৰিলো।

**মাননীয় উপাধ্যক্ষ** ঃ প্ৰশ্নটো হ'ল,

বিধেয়কখন উত্থাপন কৰাত সদনৰ সন্মতি আছেনে?
যিসকল সপক্ষে আছে, তেখেতসকলে কওঁক 'হয়'
যিসকল বিপক্ষে আছে, তেখেতসকলে কওঁক 'নহয়'
মই ভাবো 'হয়'ৰ সপক্ষে, 'হয়'ৰ সপক্ষে, 'হয়'ৰ সপক্ষে,
প্ৰস্তাৱটো গৃহীত হ'ল।

এতিয়া মাননীয় মন্ত্ৰীয়ে বিধেয়কখন উত্থাপন কৰিব।

**ডাঃ ৰণোজ পেগু, (শিক্ষামন্ত্ৰী)** ঃ মাননীয় উপাধ্যক্ষ মহোদয়, আপোনাৰ অনুমতি সাপেক্ষে মই "The Maa Kamakhya University Bill, 2025" বিধেয়কখন সদনত উত্থাপন

কৰিলো।

**माननीय উপাধ্যক্ষ** ঃ বিধেয়কখন উত্থাপন হ'ল।

এতিয়া কাৰ্য্যসুচী নং ২৩, মাননীয় মন্ত্ৰী ডাঃ ৰণোজ পেগু ডাঙৰীয়াক "The Edtech Skills University Bill, 2025" বিধেয়কখন উত্থাপন কৰিবলৈ সদনৰ অনুমতি বিচাৰিব।

**ডাঃ ৰণোজ পেগু, (শিক্ষামন্ত্ৰী)** ঃ মাননীয় উপাধ্যক্ষ মহোদয়, আপোনাৰ অনুমতি সাপেক্ষে মই "The Edtech Skills University Bill, 2025" বিধেয়কখন উত্থাপনৰ বাবে প্ৰস্তাৱ কৰিলো।

**মাননীয় উপাধ্যক্ষ** ঃ প্ৰশ্নটো হ'ল,

বিধেয়কখন উত্থাপন কৰাত সদনৰ সন্মতি আছেনে?
যিসকল সপক্ষে আছে, তেখেতসকলে কওঁক 'হয়'
যিসকল বিপক্ষে আছে, তেখেতসকলে কওঁক 'নহয়'
মই ভাবো 'হয়'ৰ সপক্ষে, 'হয়'ৰ সপক্ষে, 'হয়'ৰ সপক্ষে,
প্ৰস্তাৱটো গৃহীত হ'ল।

এতিয়া মাননীয় মন্ত্ৰীয়ে বিধেয়কখন উত্থাপন কৰিব।

**ডাঃ ৰণোজ পেগু, (শিক্ষামন্ত্ৰী)** ঃ মাননীয় উপাধ্যক্ষ মহোদয়, আপোনাৰ অনুমতি সাপেক্ষে মই "The Edtech Skills Universities Bill, 2025" বিধেয়কখন সদনত উত্থাপন কৰিলো।

**মাননীয় উপাধ্যক্ষ** ঃ বিধেয়কখন উত্থাপন হ'ল।

এতিয়া কাৰ্য্যসুচী নং ২৪, মাননীয় মন্ত্ৰী ডাঃ ৰণোজ পেগু ডাঙৰীয়াক "The Swami Vivekanand University Bill, 2025" বিধেয়কখন উত্থাপন কৰিবলৈ সদনৰ অনুমতি বিচাৰিব।

**ডাঃ ৰণোজ পেগু, (শিক্ষামন্ত্ৰী)** ঃ মাননীয় উপাধ্যক্ষ মহোদয়, আপোনাৰ অনুমতি সাপেক্ষে মই "The Swami Vivekanand University Bill, 2025" বিধেয়কখন উত্থাপনৰ বাবে প্ৰস্তাৱ কৰিলো।

**মাননীয় উপাধ্যক্ষ** ঃ প্ৰশ্নটো হ'ল,

বিধেয়কখন উত্থাপন কৰাত সদনৰ সন্মতি আছেনে?
যিসকল সপক্ষে আছে, তেখেতসকলে কওঁক 'হয়'
যিসকল বিপক্ষে আছে, তেখেতসকলে কওঁক 'নহয়'
মই ভাবো 'হয়'ৰ সপক্ষে, 'হয়'ৰ সপক্ষে, 'হয়'ৰ সপক্ষে,
প্ৰস্তাৱটো গৃহীত হ'ল।

এতিয়া মাননীয় মন্ত্ৰীয়ে বিধেয়কখন উত্থাপন কৰিব।

**ডাঃ ৰণোজ পেগু, (শিক্ষামন্ত্ৰী)** ঃ মাননীয় উপাধ্যক্ষ মহোদয়, আপোনাৰ অনুমতি সাপেক্ষে মই "The Swami Vivekanand University Bill, 2025" বিধেয়কখন সদনত উত্থাপন কৰিলো।

**মাননীয় উপাধ্যক্ষ** ঃ বিধেয়কখন উত্থাপন হ'ল।

এতিয়া কাৰ্য্যসুচী নং ২৫, মাননীয় মন্ত্ৰী ডাঃ ৰণোজ পেগু ডাঙৰীয়াক "The Assam Coaching Institutes (Control and Regulation) Bill, 2025" বিধেয়কখন

উত্থাপন কৰিবলৈ সদনৰ অনুমতি বিচাৰিব।

**শ্ৰী দেবব্ৰত শইকীয়া, (বিৰোধী দলৰ দলপতি)** ঃ মাননীয় উপাধ্যক্ষ মহোদয়, University বিলাক হৈ আছে, এখন University pending আছে, চাউলুঙ চুকাফা স্কুল University, এইখনৰ বিষয়ে মন্ত্ৰী মহোদয়ে যদি এবাৰ অৱগত কৰি দিয়ে, ভাল পাম চাৰ।

**ডাঃ ৰণোজ পেগু, (শিক্ষামন্ত্ৰী)** ঃ মাননীয় উপাধ্যক্ষ মহোদয়, আপোনাৰ অনুমতি সাপেক্ষে মই "The Assam Coaching Institutes (Control and Regulation) Bill, 2025" বিধেয়কখন উত্থাপনৰ বাবে প্ৰস্তাৱ কৰিলো।

**মাননীয় উপাধ্যক্ষ** ঃ প্ৰশ্নটো হ'ল,

বিধেয়কখন উত্থাপন কৰাত সদনৰ সন্মতি আছেনে?
যিসকল সপক্ষে আছে, তেখেতসকলে কওঁক 'হয়'
যিসকল বিপক্ষে আছে, তেখেতসকলে কওঁক 'নহয়'
মই ভাবো 'হয়'ৰ সপক্ষে, 'হয়'ৰ সপক্ষে, 'হয়'ৰ সপক্ষে,
প্ৰস্তাৱটো গৃহীত হ'ল।
এতিয়া মাননীয় মন্ত্ৰীয়ে বিধেয়কখন উত্থাপন কৰিব।

**ডাঃ ৰণোজ পেগু, (শিক্ষামন্ত্ৰী)** ঃ মাননীয় উপাধ্যক্ষ মহোদয়, আপোনাৰ অনুমতি সাপেক্ষে মই "The Assam Coaching Institutes (Control and Regulation) Bill, 2025" বিধেয়কখন সদনত উত্থাপন কৰিলো।

**মাননীয় উপাধ্যক্ষ** ঃ বিধেয়কখন উত্থাপন কৰা হ'ল।

মাননীয় মন্ত্ৰী ডাঙৰীয়া, বিৰোধী দলৰ দলপতি ডাঙৰীয়া কোৰা কথাখিনিৰ আপোনাৰ ওচৰত উত্তৰ আছে যদি ক'ব পাৰে, নহলে পিছত কলেও হ'ব।

**ডাঃ ৰণোজ পেগু, (শিক্ষামন্ত্ৰী)** ঃ মাননীয় উপাধ্যক্ষ মহোদয়, এতিয়ালৈকে সেইটো আমাৰ তালিকাভূক্ত হোৱা নাই। মই আপোনাক ব্যক্তিগতভাৱে তাৰে status টো জনাম।

**মাননীয় উপাধ্যক্ষ** ঃ ধন্যবাদ।

এতিয়া কাৰ্য্যসূচী নং ২৬, মাননীয় শিক্ষামন্ত্ৰী ডাঃ ৰণোজ পেগু ডাঙৰীয়াক নিয়ম ৫৫ ৰ অধীনত "Release of part time faculty" ৰ ওপৰত বক্তব্য ৰাখিবলৈ অনুৰোধ জনালো।

**ডাঃ ৰণোজ পেগু, (শিক্ষামন্ত্ৰী)** ঃ মাননীয় উপাধ্যক্ষ মহোদয়, মই বিবৃতি এটা পাঠ কৰি দিবলৈ ওলাইছো। অসম চৰকাৰৰ উচ্চ শিক্ষা কাৰিকৰী বিভাগৰ অধীনত নতুনকৈ স্থাপন কৰা ১১ খন পলিটেকনিক আৰু এখন অভিযান্ত্ৰিক মহাবিদ্যালয় ২০১৬ চনত অংশকালীন সহকাৰী অধ্যাপক আৰু প্ৰবক্তা অস্থায়ী ভাৱে নিয়োগ কৰা হৈছিল। অসম কাৰিকাৰী শিক্ষা সেৱা বিধি অনুসৰি পলিটেকনিক আৰু অভিযান্ত্ৰিক মহাবিদ্যালয় সমূহত স্থায়ী প্ৰবক্তা আৰু সহকাৰী অধ্যাপকৰ পদসমূহ অসম লোকসেৱা আয়োগৰ জৰিয়তে স্থায়ীভিত্তিত নিযোগ কৰিব লাগে। সেই মৰ্মে অসম লোকসেৱা আয়োগে বিভাগীয় অনুৰোধ সাপেক্ষে অসমৰ পলিটেকনিক আৰু অভিযান্ত্ৰিক মহাবিদ্যালয় সমূহত স্থায়ী ভিত্তিত নিয়োগৰ বাবে বিজ্ঞাপন নম্বৰ যোগে ২৫ মাৰ্চ তাৰিখে, ৬৪ টা সহকাৰী অধ্যাপক (কাৰিকৰী), ১৫ সহকাৰী অধ্যাপক (অকাৰিকৰী), ১ টা লাইব্ৰেৰিয়ান, ১১৩ টা প্ৰবক্তা (কাৰিকৰী), ৮৪ টা প্ৰবক্তা (অকাৰিকৰী), ১১ টা লাইব্ৰেৰিয়ান আৰু ৬১ টা জ্যেষ্ঠ নিৰ্দেশক পদৰ বাবে বিজ্ঞাপন জাৰি কৰে। পৰবৰ্তী পৰ্য্যায়ত অভিযান্ত্ৰিক মহাবিদ্যালয়ৰ বাবে নিৰ্ধাৰিত পদসমূহ লোক সেৱা আয়োগৰ বাচনিযোগে স্থায়ী ভিত্তিত পূৰণ কৰা হয়। কিন্তু পলিটেকনিক সমূহৰ বাবে অংশকালীন

প্ৰবক্তা সকলে মহামান্য গুৱাহাটী উচ্চ ন্যায়ালয়ত তৰা WP(C) No. 8795/2019 নম্বৰত Write Petition দাখিল কৰাত স্থবিৰ হৈ পৰে। মহামান্য ন্যায়লয়ে এক অন্তবৰ্তীকালীন আবেদন যোগে আবেদনকাৰী অংশকালীন প্ৰবক্তা সকলৰ চাকৰিৰক্ষেত্ৰত আদলতৰ প্ৰয়োজনীয় অনুমতি নোলোৱাকৈ চাকৰিৰ পৰা আঁতৰাই পঠিয়াবলৈ বাধা প্ৰদান কৰে। এই ক্ষেত্ৰত পৰবৰ্তীসময়ত আৰু কেইবাখনো Write Petition আন আন অংশকালীন প্ৰবক্তাসকলেও দাখিল কৰাত গোটেই প্ৰক্ৰিয়াটো স্থবিৰ হৈ পৰে। পৰবৰ্তীকালত মহামান্য আদলতে লোকসেৱা আয়োগৰ দ্বাৰা প্ৰকাশিত পলিটেকনিকৰ বাবে নিৰ্ধাৰিত বিজ্ঞাপন খাৰিচ কৰি উক্ত পদসমূহ পুৰণৰ ক্ষেত্ৰত যথাবিহিত ব্যৱস্থা গ্ৰহণ কৰিবৰ বাবে বিভাগীয় কতৃপক্ষক নিৰ্দেশ দিয়ে। সেই অনুসাৰে চাকৰি সেৱা বিধি সংশোধনৰ পৰা নৰ-গঠিত অসম অভিযান্ত্ৰিক সেৱা নিয়োগ বোৰ্ডে "Assam Engineering Service Recruitment Board" ৰ অধীনত কতৃপক্ষই ২০২৩ চনৰ ফেব্ৰুৱাৰী মাহত অসম অভিযান্ত্ৰিক মহাবিদ্যালয় আৰু পলিটেকনিকত খালী হৈ থকা ১০৭ টা সহকাৰী অধ্যাপক আৰু ১৩৭ টা প্ৰবক্তা পদৰ বাবে বিজ্ঞাপন প্ৰকাশ কৰে। উক্ত পদসমূহৰ বাবে লিখিত পৰীক্ষা সুকলমে সম্পূৰ্ণ কৰা হয় যদিও অংশকালীনভিত্তিত কাম কৰি থকা শিক্ষকসকলে পুনৰ মহামান্য উচ্চ ন্যায়লয়ত তৰা কেইবাটাও গোচৰৰ বাবে প্ৰাৰ্থী নিৰ্বাচন প্ৰক্ৰিয়াটো স্থবিৰ হৈ পৰে। পাছলৈ মহামান্য আদলতে এই ৰায়যোগে গোচৰসমূহ খাৰিচ কৰাৰ পিছত "Assam Engineering Service Recruitment Board" য়ে প্ৰয়োজনীয় প্ৰক্ৰিয়া সমূহ পূৰ্ণ কৰি বিভাগীয় কতৃপক্ষৰ ওচৰত নিৰ্বাচিত প্ৰাৰ্থীৰ তালিকা দাখিল কৰে। সেই মৰ্মে বিভাগে পলিটেকনিকসমূহত খালী থকা পদসমূহত স্থায়ী ভিত্তিত প্ৰবক্তা নিয়োগ কৰে। কিন্তু যিসকল পাৰ্থীৰ বিপৰীতে ন্যায়ালয়ে don't disturb বুলি জাৰি কৰি থৈছিল, সেই সকল পদত স্থায়ী ভিত্তিত নিয়োগ কৰিব পৰা হোৱা নাছিল। আনহাতে "Assam Engineering Service Recruitment Board" য়ে অভিযান্ত্ৰিক মহাবিদ্যালয়ৰ বাবে দাখিল কৰা ১০৫ গৰাকী সহকাৰী অধ্যাপকৰ পদৰ বিপৰীতে চৰকাৰে যোৱা ১০ ফেব্ৰুৱাৰীত ৯৩ পদত নিয়োগ প্ৰদান কৰিবলৈ সক্ষম হয় যদিও আন ১২ টা পদত ন্যায়ালয়ৰ don't disturb আদেশ থকাৰ বাবে নিয়োগ প্ৰদান কৰিব পৰা হোৱা নাছিল। অৱশেষত মহামান্য আদালতে কেইবাটাও ৰায়ৰ দ্বাৰা পূৰ্বতে দি যোৱা don't disturb আদেশ সংশ্লিষ্ট write petition সমূহ খাৰিচ কৰাত উঠি যায়। সেই মৰ্মে যোৱা ৯ মাৰ্চ তাৰিখে চৰকাৰে অভিযান্ত্ৰিক মহাবিদ্যালয় সমূহৰ বাবে বৈ যোৱা ১২ টা সহকাৰী অধ্যাপকৰ পদত নিয়োগ প্ৰদান কৰে। আনহাতে যিহেতু পলিটেকনিক প্ৰবক্তা সকলৰ পদৰ বিপৰীতে ইমান দিনে চলি থকা আদেশ নোহোৱাৰ পৰা তেওঁলোকক সম্পূৰ্ণৰূপে অস্থায়ী ভিত্তিত নিয়োগ কৰা অংশকালীন প্ৰবক্তা পদ সমূহৰ পৰা ৰেহাই দিয়া হয় আৰু সেই সমূহ পদত স্থায়ীভাৱে নিয়োগৰ বাবে চাকৰি সেৱা বিধি অনুসৰি ইতিমধ্যে Assam Engineering Service Recruitement Board ৰ যোগেদি বিজ্ঞাপন প্ৰকাশ কৰা হৈছে। আৰু লিখিত পৰীক্ষা সম্পূৰ্ণ কৰা হৈছে। উক্ত পক্ৰিয়াত যোগ্যঅংশকালীন প্ৰবক্তা সকলেও অংশ গ্ৰহণ কৰাৰ সুবিধা আছে। মাননীয় উপাধ্যক্ষ মহোদয়, মই এই কথা জনাব বিচাৰো যেতিয়া অংশকালীন প্ৰবক্তা নিয়োগ কৰা হৈছিল বা 3 (f) ৰ অধীনত যেতিয়া নিয়োগ কৰা হয় সেই নিয়োগ সম্পূৰ্ণ অস্থায়ী ৩ মাহৰ কাৰণে দিয়া হয়। Personal বিভাগৰ পৰা এখন ও এম আছে যি খন ও এম ত উল্লেখ আছে যে দুবাৰৰ বাবে extend কৰিব পাৰি সেই নিয়োগ। কিন্তু তাৰ পিছলৈ তাক আৰু extend কৰিব নোৱাৰি। এই অংশকালীন প্ৰবক্তাৰ নিযুক্তিৰ যিটো প্ৰক্ৰিয়া আছিল সেইটো অসম চৰকাৰৰ যি যথা বিহিত নিয়োগ প্ৰক্ৰিয়া,

সম্পূৰ্ণ নিয়োগ প্ৰক্ৰিয়া তাত Follow কৰা হোৱা নাছিল, যেনেকৈ আমি যি কোনো নিয়োগ প্ৰক্ৰিয়াত সংৰক্ষণৰ নীতি পালন কৰিব লাগে, reservation ৰ rule টো আমি ফলো কৰিব লাগে কিন্তু reservation ৰ rule ফলো কৰা হোৱা নাছিল, যিহেতু সেইখিনি অস্থায়ী মাত্ৰ ৩ মাহৰ বাবে নিযুক্তি দিয়া হৈছিল, পৰৱৰ্তী কালত litigation ৰ কাৰণে বহুত দীঘলীয়া হ'ল। গতিকে এতিয়া আমি নিয়মীয়া নিযুক্তি আগুৱাই লৈ গৈছো, নিয়মীয়া নিযুক্তি সুকলমে হৈছে। যি সকল প্ৰবক্তাই অংশকালীন ভাৱে কাম কৰি আছিল তেওঁলোকেও এই নিয়োগ প্ৰক্ৰিয়াত অংশ গ্ৰহণ কৰিব আৰু যি সকলৰ বয়স ভাটি হৈছে বুলি কৈছে বিভাগে তেওঁলোকৰ Age consolation কৰা অৰ্থাৎ বয়স ৰেহায় দিয়া মানে কৰ্মৰত অংশকালীন প্ৰবক্তা সকলৰ ক্ষেত্ৰত বয়স ৰেহাই দিয়াৰ কথাটো বিবেচনা কৰিছে। অৰ্থাৎ সকলো প্ৰাৰ্থীয়ে নিয়মীয়া নিয়োগ প্ৰক্ৰিয়াত তেওঁলোকে অংশ গ্ৰহণ কৰিব পাৰিব আৰু তাত সহযোগীতা কৰিবলৈ মই সংশ্লিষ্ট সকলো পক্ষক আহ্বান জনাইছো।

**মাননীয় উপাধ্যক্ষ** ঃ ধন্যবাদ। এতিয়া কাৰ্য্যসূচী নং ২৭, দাবী মঞ্জুৰী নং ৰ ওপৰত আলোচনা। মঞ্জুৰী নং ৬৪, পথ আৰু দলং ৰ ওপৰত অনা হৈছে। এতিয়া মাননীয় মুখ্যমন্ত্ৰী ডাঙৰীয়াৰ হৈ সংসদীয়া পৰিক্ৰমা মন্ত্ৰী ডাঙৰীয়াই প্ৰস্তাৱ কৰিব।

**শ্ৰীচন্দ্ৰমোহন পাটোৱাৰী, (মন্ত্ৰী)** ঃ মাননীয় উপাধ্যক্ষ মহোদয়, অসমৰ ৰাজ্যপালৰ অনুমোদন ক্ৰমে মই অসমৰ মাননীয় মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মা ডাঙৰীয়াৰ হৈ প্ৰস্তাৱ কৰিব খোজো যে, ২০২৬ চনৰ ৩১ মাৰ্চত শেষ হ'বলগীয়া বছৰটোৰ কালছোৱাত ভাৰপ্ৰাপ্ত মন্ত্ৰীক 'পদ আৰু দলং' শিতানৰ প্ৰশাসনৰ অৰ্থে মুঠ ১০৫২৭৮১.২৪ লাখ টকা মঞ্জুৰ কৰিব লাগে।

**মাননীয় উপাধ্যক্ষ** ঃ এতিয়া মঞ্জুৰীৰ ওপৰত কৰ্তন প্ৰস্তাৱ আছে, যি সকল সদস্যই কৰ্তন প্ৰস্তাৱ আনিছে তেখেত সকলৰ এজন এজনকৈ প্ৰস্তাৱটো উত্থাপন কৰিবলৈ দিছো। এতিয়া মাননীয় সদস্য শ্ৰীদেৱব্ৰত শইকীয়া।

**শ্ৰীদেৱব্ৰত শইকীয়া, (বিৰোধী দলৰ দলপতি)** ঃ Sir, I propose that the total provision of Rs. 1052781.24 lakh under Grant No. 64 in respect of "Roads and Bridges" at page 73-106 Volume-II, Part-V of the Budget for 2025-2026 Financial Year be reduced to Re.1.00 i.e, the amount of the whole grant of Rs.1052781.24 lakh do stand reduced to Rs.1.00.

**মাননীয় উপাধ্যক্ষ** ঃ ধন্যবাদ। এতিয়া মাননীয় সদস্য হাফিছ বছিৰ আহমেদ।

**শ্ৰীআমিনুল ইছলাম, (জ্যেষ্ঠ, ধিং)** ঃ Sir, I would like to move that the total provision of Rs. 1052781.24 lakh under Grant No. 64 in respect of "Roads and Bridges" at page 73-106 Volume-II, Part-V of the Budget for 2025-2026 Financial Year be reduced to Rs.1.00 i.e, the amount of the whole grant of Rs.1052781.24 lakh do stand reduced to Rs.1.00. ছাৰ, আমি এল ও পি ৰ আগুৱাত এটা সিদ্ধান্ত লৈছো যে দুটা আজি আমি কাঠমোচন আছে দুটাই যাতে আজি আহে আমাৰ প্ৰত্যেক দলৰ সময়টো আধা আধা কৰি যে এইটো কাঠমোচনত আমাক টোটেল সময়টো আধা আধা কৰি দি যাতে দুটাই আহে।

**মাননীয় উপাধ্যক্ষ** ঃ ধন্যবাদ। এতিয়া মাননীয় সদস্য মনোৰঞ্জণ তালুকদাৰ।

**শ্ৰীমনোৰঞ্জন তালুকদাৰ, (সৰভোগ)** ঃ মাননীয় উপাধ্যক্ষ মহোদয়, that the total provision of Rs. 1052781.24 lakh under Grant No. 64 in respect of "Roads and Bridges" at page 73-106 Volume-II, Part-V of the Budget for 2025-2026 Financial Year be reduced to Re.1.00 i.e, the amount of the whole grant of Rs.1052781.24 lakh do stand reduced to Re.1.00.

**মাননীয় উপাধ্যক্ষ** ঃ ধন্যবাদ। মাননীয় সদস্য অখিল গগৈ ডাঙৰীয়াক ১০ মিনিটৰ কাৰণে suspend কৰা হৈছিল, তেওঁ অনুপস্থিত। গতিকে তেখেতে কৰ্তন প্ৰস্তাৱটো উত্থাপন কৰিব নোৱাৰিব। এতিয়া মাননীয় সদস্য শ্বেৰমান আলী আহমেদ।

**শ্ৰীশ্বেৰমান আলী আহমেদ** ঃ মাননীয় উপাধ্যক্ষ মহোদয়, I hereby propose the Budget provision for PWD under Grant 64 be reduced to Re.1.00.

**মাননীয় উপাধ্যক্ষ** ঃ ধন্যবাদ। মাননীয় সদস্য বিশ্বজিৎ ফুকন।

**শ্ৰীবিশ্বজিৎ ফুকন** ঃ সন্মানীয় উপাধ্যক্ষ মহোদয়, আজি সদনত পি দব্লিউ দি ৰ পথ আৰু দলং সম্পৰ্কত যিটো মঞ্জুৰীৰ বাবে প্ৰস্তাৱ উত্থাপন হৈছে প্ৰায় ১০ হাজাৰ ৫২৭ কোটি টকা, মই ভাৱো এটা সময়উপযোগী প্ৰস্তাৱ আৰু অসমৰ ইতিহাসত পি দব্লিউ ডি বিভাগত এইবাৰে সৰ্বাধিক ধন ধৰা হৈছে। এই বিভাগ টোত কৰ্তন প্ৰস্তাৱ অনাৰ জৰিয়তে বিৰোধী দলে যদিও কৰ্তন প্ৰস্তাৱ আনিছে এটাৰ কাৰণে তেখেত সকলক ধন্যবাদ জনাইছো যে কৰ্তন প্ৰস্তাৱৰ আলোচনাৰ জৰিয়তে অসমৰ লোকনিৰ্মাণ বিভাগত যি আমোল পৰিবৰ্তন হৈছে, সেই আমোল পৰিবৰ্তনৰ আলোচনা কৰাৰ সুযোগ বিৰোধী দলে আমাক প্ৰদান কৰিলে মই বিৰোধী দলক সেই কাৰণে ধন্যবাদ জ্ঞাপন কৰিছো। উপাধ্যক্ষ মহোদয়, যোৱা সময়ছোৱা যদি চাও মই দুটা শব্দ বিশেষ ভাৱে উল্লেখ কৰিব বিচাৰো। এটা হ'ল ৰূপান্তৰ আৰু দ্বিতীয়টো হ'ল যুগান্তৰ। ৰূপান্তৰ এই কাৰণে কব বিচাৰিছো যে আজি ৫ বছৰ ১০ বছৰ আগত কোনোবা এজন ব্যক্তি অসমলৈ যদি আহিছিল, যি জন ব্যক্তিয়ে বহু দিনৰ মূৰত অসমলৈ আহিছে বা আজি ৫ বছৰ আগত অসমৰ পৰা বাহিৰলৈ চাকৰি কৰিবলৈ যোৱা এজন ব্যক্তি ৫ বছৰৰ পাছত উভতি আহি যেতিয়া পাইছেহি তেতিয়া তেওঁলোকৰ মনত এটা সন্দেহ হয় যে সচাঁই আমি এৰি থৈ যোৱা অসম খনৰ, আমি এৰি থৈ যোৱা গাওঁ খনৰ, আমি এৰি থৈ যোৱা চহৰ খনৰ বাত-পথ ইমান সোনকালে ভাল হ'ল নেকিঙ্গ আৰু ই এটা যুগান্তৰকাৰী ঘটনা, সেই কাৰণে ড০ হিমন্ত বিশ্ব শৰ্মা ডাঙৰীয়াৰ নেতৃত্বত এই সময়ছোৱাত অসমত যি পৰিবৰ্তন হ'ল এটা যুগান্তৰ সৃষ্টি কৰিলে আৰু মই এই কাৰণে মুখ্যমন্ত্ৰী ডাঙৰীয়াৰ বলিষ্ট নেতৃত্বক ধন্যবাদ জনাইছো। কিছুমান মানুহ থাকে স্বপ্ন স্ৰষ্টা। তেওঁলোকে সপোন ৰচনা কৰে। সপোন ৰচনা কৰাৰ পিছত তেওঁলোকে সপোন কেতিয়াবা আধৰুৱা হয়, কেতিয়াবা তেওঁলোকৰ সপোন সম্পূৰ্ণ হয়। স্বপ্ন স্ৰষ্টা ব্যাক্তি সকলৰ বিপৰীতে পৃথিৱীত কেতিয়াবা কেতিয়াবা এনে কিছুমান ব্যক্তিৰ জন্ম হয় যি সকল ব্যক্তি স্বপ্ন দ্ৰষ্ট্ৰা স্বপ্ন দ্ৰষ্ট্ৰা সেই সকলে ব্যক্তি যিসকল ব্যক্তিয়ে স্বপ্ন দেখাৰ লগে লগে সেই স্বপ্নটো বাস্তৱত ৰূপায়িত হয় আৰু আমাৰ অসমৰ মাননীয় মুখ্যমন্ত্ৰী মহোদয়ক তেখেতৰ অভূতপূৰ্ব উন্নয়নৰ যি ধাৰাবাহিকতা তাৰ কাৰণে আমি সকলো অসমবাসীয়ে স্বপ্নদষ্টা মুখ্যমন্ত্ৰী বুলি ক'ব পাৰো। অসমৰ যি উন্নয়ন এই উন্নয়নৰ গতিশীলতা মাননীয় মুখ্যমন্ত্ৰী মহোদয়ৰ নেতৃত্বত হৈছে আৰু স্বপ্নদ্ৰষ্টা মুখ্যমন্ত্ৰী ডাঙৰীয়াই আমাৰ অসমখন পৰিবৰ্তন কৰিছে। মই নিজৰ এটা অভিজ্ঞতাৰ কথা আজি ক'ব বিচাৰিছো। মাননীয় মুখ্যমন্ত্ৰী মহোদয়ৰ আৰ্শীবাদত মোৰ সমষ্টিটোত বিগত সময়চোৱাত অভূতপূৰ্বভাৱে ৰাস্তা-ঘাটৰ উন্নয়ন হৈছে। এজন বৰপথাৰৰ বাহিৰত চাকৰি

কৰা ব্যক্তিয়ে এবাৰ ট্ৰেইন যোগে চাৰিবছৰৰ পিছত ঘৰলৈ আহিছিল। ঘৰলৈ আহি ৰাতি দুটা বজাত তেখেতে সৰুপথাৰ ৰেলৰে ষ্টেশ্যনত নামিল। দুটা বজাৰ পিছত তেওঁ টাউনখন খোজকাঢ়ি গৈ আছে। আধা ৰাস্তা যোৱাৰ পিছত তেওঁ হঠাৎ বহি দিলে। কাৰণ সেই টাউনখনৰ আগতে এনেকুৱা আছিল যে ৰাস্তাত যাব নোৱাৰা অৱস্থা আছিল। তাৰ মাজেদি গ'লে মানুহৰ গাত বোকাপানী লাগিছিল। আৰু এতিয়া বৰপথাৰ টাউনখন ৰাস্তাত ডিভাইদাৰ দি ইমান ধুনীয়াকৈ বহল ৰাস্তাৰ জৰিয়তে নিৰ্মাণ কৰা হ'ল যে এই মানুহজনে নিজে চিনি পোৱা নাছিল যে মই জন্মগ্ৰহণ কৰা টাউনখনলৈ আহিছো নে ভুলতে মই কোনোবা ৰেল ষ্টেশ্যনত নামি বেলেগ টাউনেৰে গৈ আছো। তেনেকুৱা ধৰণৰ এটা ধাৰণা তেওঁৰ মনত সৃষ্টি হৈছিল যাৰকাৰণে তেওঁ ৰৈ দিছিল। তাৰ পিছত তেওঁ দোকানৰ চাইনবোৰ্ড পঢ়ি কনফাৰ্ম হৈছিল যে এইখন বৰপথাৰ টাউনেই হয়, যিখন টাউনৰ পৰা মই তিনিবছৰ আগতে গুছি গৈছিলো। মাননীয় মুখ্যমন্ত্ৰী মহোদয়ৰ নেতৃত্বত আজি যি ৰূপান্তৰ হৈছে সেই ৰূপান্তৰৰ প্ৰতিচ্ছবি আজি আমাৰ অসমত প্ৰতিফলিত হৈছে। অসমৰ বাজেটত ১০,৫২৭ কোটি টকা দলং আৰু পথ নিৰ্মাণৰ কাৰণে ধাৰ্য্য কৰা হৈছে। মাননীয় উপাধ্যক্ষ মহোদয়, পূৰ্ব্বতে দলং, পথ আদি নিৰ্মাণৰ কাৰণে কংগ্ৰেছ চৰকাৰৰ দিনত আঢ়ৈ শ, পাঁচ শ কোটি টকাৰ বাজেট আছিল। কিন্তু ১০,৫২৭ কোটি টকাৰ বাজেট পথ নিৰ্মাণৰ কাৰণে লোৱা কথাটো ভাবিবলগীয়া কথা। অসমৰ আন্তঃগাঁথনি অভূতপূৰ্বভাৱে সলনি হৈছে। আজি flyover হৈছে, ৰাস্তা হৈছে, অসমমালাৰ ৰাস্তাৰ জৰিয়তে ৰাষ্ট্ৰীয় ঘাইপথৰ সমপৰ্য্যায়ৰ ৰাস্তা-ঘাট প্ৰত্যেকখন জিলাতেই হৈছে। এই বাজেটত এইটো প্ৰভিজন কৰা হৈছে যে প্ৰত্যেকখন জিলাত ২৫ কিলোমিটাৰকৈ পথ অসমমালাৰ অধীনত য'তে-ত'তে গাড়ী চলাব পৰাকৈ কৰি লৈ যোৱা হ'ব। এই ২৫ কিলোমিটাৰ পথ ৰাষ্ট্ৰীয় ঘাইপথৰ সম পৰ্য্যায়ত নিৰ্মাণ কৰিবলৈ যাওঁতে আমি অসমৰ আন্তঃগাঁথনি বহুত আগবঢ়াই লৈ যাব পাৰিম। মাননীয় উপাধ্যক্ষ মহোদয়, দলং নিৰ্মাণৰ ক্ষেত্ৰত প্ৰায় ১০০০ দলং অসম চৰকাৰে নিৰ্মাণ কৰাৰ প্ৰক্ৰিয়া অব্যাহত ৰাখিছে। ১০০০ পকী দলং নিৰ্মাণ কৰা কথাটো আগতে কোনেও ভাবিব নোৱাৰা কথা। ১০০০ পকী দলঙৰ নিৰ্মাণৰ প্ৰক্ৰিয়া চলি আছে আৰু Asian Development Bank ৰ জৰিয়তে গাঁৱে-ভূঞে দলং নিৰ্মাণ হৈছে। মাননীয় উপাধ্যক্ষ মহোদয়, আজি একো একোখন fly over নিৰ্মাণ কৰিবৰ বাবে পূৰ্বতে যদি ৭-৮ বছৰৰ প্ৰয়োজন হৈছিল, এতিয়া তাৰবাবে ডেৰ বছৰ বা দুবছৰৰ প্ৰয়োজন হয়। এইখিনিতে মই এটা কথা ক'ব খোজো যে মাজে মাজে আমি সংবাদ মাধ্যমত বা বেলেগ ঠাইত আমি শুনো যে flyover নিৰ্মাণৰ ক্ষেত্ৰত কিছুলোকে বিৰোধিতা কৰে। তেওঁলোকে কি কাৰণে বিৰোধিতা কৰে নাজানো। কিন্তু flyover নিৰ্মাণ কৰাৰ যি সুফল সেই সুফল অসমবাসীয়ে লাভ কৰিছে। মই এটা সৰু কথা ক'ব বিচাৰিছো। আজি যদি গণেশগুৰিৰ পৰা দীঘলীপুখুৰীলৈকে ৰাস্তাত এখনো flyover নোহোৱাকৈ থাকিল হেঁতেন তেতিয়াহ'লে গণেশগুৰিৰ পৰা দীঘলীপুখুৰীলৈকে বহুত ট্ৰেফিক জাম হ'ল হেঁতেন। এখন গাড়ী যাবলৈ কেতিয়াবা এঘন্টা বা দুঘন্টা সময় লাগিল হেঁতেন। কিন্তু flyover হোৱাৰ বাবে এই পথচোৱাত আমাক ১৫ মিনিট সময়ৰ প্ৰয়োজন হ'ল। অৰ্থাৎ গুৱাহাটীত flyover হোৱাৰ ফলত ট্ৰেফিকজাম যেতিয়া হ্ৰাস হ'ব তেতিয়া একো-একোখন গাড়ীৰ যাত্ৰা পথৰ সময় দুঘন্টা হ্ৰাস হ'ল। আমি যদি চাওঁ গুৱাহাটীত দৈনিক ৫০ হাজাৰখন গাড়ী চলিছে। ৫০ হাজাৰ গাড়ীৰ যদি দৈনিক দুঘন্টাকৈ সময় ৰাহী হৈছে সেই ৫০ হাজাৰ গাড়ীত চলাচল কৰা ব্যক্তিসকলৰ জীৱনত আমি দুঘন্টাকৈ সময় আমি উপহাৰ দিব পাৰিছো। আটাইতকৈ ডাঙৰ কথাটো হ'ল সেই ৫০ হাজাৰ গাড়ী দুঘন্টা চলোতে যিমান কাৰ্বনডাইঅক্সাইড আমি বতাহত এৰি দিছো, যিমান

পৰ্য্যায়ত pollution হৈছে তাৰ তুলনাত কৰ'বাত যদি এজোপা গছ ও কাটিছে সেইটো তুলনাই কৰিব নোৱাৰি। এই flyover নিৰ্মাণৰ জৰিয়তে কেৱল যে যাতায়তেই সুচল হৈছে এনে নহয়। Flyover নিৰ্মাণৰ জৰিয়তে আমাৰ পৰিবেশৰ ওপৰতো এটা positive impact বাঢ়িছে। এইবোৰ কথা চিন্তা নকৰি কেৱল flyover নিৰ্মাণ কৰাৰ বাবেই আপত্তি কৰি থকা কিছুমান মানুহে মই ভাবো তেওঁলোকে বিষয়বস্তুৰ গভীৰতালৈ যোৱাতো উচিত। আজি অসমমালাৰ ৰাস্তা আৰু মুখ্যমন্ত্ৰী উন্নয়নৰ পকীপথ আঁচনি, মুখ্যমন্ত্ৰীৰ নবীকৰণ আঁচনি, প্ৰধানমন্ত্ৰীৰ গ্ৰাম চড়ক যোজনা এই সকলোবোৰ ৰাস্তাই গাওঁবোৰক চহৰৰ ওচৰলৈ লৈ গৈছে। যাৰ ফলত আমাৰ জীৱনৰ সময়বোৰ সঞ্চয় কৰাত সহায়হুহৈছে। প্ৰধানমন্ত্ৰী গাওঁ চড়ক যোজনাৰ অধীনত আহি থকা দিনবোৰত ৪ হাজাৰ কিলোমিটাৰ গ্ৰাম্য পথ নিৰ্মাণৰ কাৰণে বাজেটত প্ৰস্তাৱ লোৱা হৈছে। মাননীয় উপাধ্যক্ষ মহোদয়, এটা আঁচনিৰ অধীনত ৪ হাজাৰ কিলোমিটাৰ পকীপথ নিৰ্মাণ কৰাতো ইমান সহজ কথা নহয়। ইতিমধ্যে এই আঁচনিৰ অধীনত ৩৪১৭ কিলোমিটাৰ ৰাস্তাৰ কাম PMGSY আঁচনিৰ অধীনত কৰাৰ কাৰণে অনুমোদন লাভ কৰিছে। সেয়েহে মই আজিৰ দিনটোত অসমৰ ৰূপান্তৰকাৰী স্বপ্নদষ্টা মাননীয় মুখ্যমন্ত্ৰী ডাঙৰীয়াক আৰু লগতে মাননীয়া বিত্তমন্ত্ৰী ডাঙৰীয়াণীক ধন্যবাদ জনাব বিচাৰিছো। কিয়নো লোকনিৰ্মাণৰ নিচিনা এটা বিভাগক বুজন পৰিমাণৰ ধন আবন্টন দি অসমৰ উন্নয়নৰ ধাৰা অব্যাহত ৰখাত যি পদক্ষেপ লৈছে তাৰবাবে ধন্যবাদ জনাই মই মোৰ বক্তব্য সামৰণি মাৰিলো।

**মাননীয় উপাধ্যক্ষ ঃ** এতিয়া মাননীয় বিধায়ক শ্ৰী দেৱব্ৰত শইকীয়া।

**শ্ৰী দেৱব্ৰত শইকীয়া, (বিৰোধী দলৰ দলপতি ) ঃ** মাননীয় উপাধ্যক্ষ মহোদয়, মই চৰকাৰৰ দৃষ্টিগোচৰ কৰিবলৈ এই কৰ্তন প্ৰস্তাৱটো আনিছো যাতে এই প্ৰথাটোৰ জৰিয়তে আমি আলোচনা কৰিব পাৰো। কিয়নো চৰকাৰে কি কি কাম কৰিব বা ক'ত ক'ত দলং নিৰ্মাণ কৰিব আৰু এই কামবোৰৰ কাৰণে ক'ৰ পৰা টকা ল'ব এই গোটেইকথাখিনি আমাক কৈছে। গতিকে এইবোৰৰ কাৰণে যে এটা আন্তঃগাঁথনিৰ প্ৰয়োজন তাত আমাৰ আপত্তি নাই। কিন্তু বিধান সভাতেই হওঁক বা অন্য সময়তেই হওঁক আমি ক'ব বিচাৰিছো যে বহনশীল হ'ব লাগে বা sustainable development হ'ব লাগে। Sustainable development ৰ কথা কওঁতে কেৱল flyover ৰ কথা কোৱা নহয়। যিবোৰ দেশত আগতে flyover হৈছিল সেইবোৰ দেশত আজিকালি সেইবোৰ পৰিৱৰ্তন কৰি অন্য উপায় কৰিছে। Mass rapid transport system কৰিছে যাতে বাছৰ ব্যৱস্থা individual ভাৱে কমৈ হয়। এনেকুৱা ধৰণৰ অন্যান্য যিবিলাক ব্যৱস্থা আমেৰিকাৰ বিভিন্ন নগৰ বা ইউৰোপৰ দেশ বিলাকত কৰিছে। এটা সময়ত কোৱা হৈছিল যে nuclear energy য়ে আটাইতকৈ ভাল energy আৰু সেইকাৰণে সকলোৱে ল'ব লাগে। পিছত এই দেশবিলাকে ক'লে যে তাৰ পৰা radiation হ'ব পাৰে সেয়েহে আমি nuclear energy ৰ পৰিৱৰ্ত্তে আমি renova energy ল'ব লাগে। মাননীয় উপাধ্যক্ষ মহোদয়, এতিয়া মই যিকেইটা কথা ক'ব বিচাৰিছো তাত আমি flyover নিৰ্মাণ কৰিবলৈ যাওঁতে যিটো কথা কলো যে আমাৰ পৰিবেশ সংৰক্ষণ হৈছে নে নাই এই কথাটো আমি চাব লাগিব আৰু অসমৰ ক্ষেত্ৰত আমি যেতিয়া এই কামবিলাক কৰিবলৈ গৈছো বাৰে বাৰে প্ৰাকৃতিক ভাৰসাম্য ৰক্ষা কৰিব পৰা নাই বুলি বিভিন্ন অভিযোগ আহি আছে। সেই কাৰণে আমাৰ যিবিলাক পৰিবেশ ৰক্ষাৰ বাবে Natioanl Agency আছে তেখেতসকলে যিকোনো ডাঙৰ প্ৰজেক্ট লোৱাৰ আগতে বিভিন্ন ধৰণৰ ক্লিয়াৰেঞ্চৰ কথা কয়। কিন্তু আমি দেখিবলৈ পাওঁ যে গুৱাহাটীত যেতিয়া হাইকোৰ্টৰ কাষত এখন flyover লোৱাৰ

কথা কোৱা হ'ল তেতিয়া তাৰবাবে যিটো environmental clearance বা environmental impact assessment, economic impact assessment বা socio economic কি ক'ভাৰ হ'ব এই গোটেইবিলাকৰ এটাও লোৱা নাছিল। মাননীয় মুখ্যমন্ত্ৰী মহোদয়ে ঘোষণা কৰিছিল আৰু বিভাগে তাৰ কাম কৰিবলৈ গৈছিল। ঠিক তেনেকৈ কিছুমান ক্ষেত্ৰত PWD বিভাগত দেখা গৈছে ফিটা কাটি মুকলি কৰিলে, তাৰপাছতহে tender হৈছে। সেই গতিকে আমি যিহেতু ৰাইজৰ বাবে কাম কৰিব বিচাৰিছো, আমি ৰাইজৰ বাবে কি কাম কৰিম, আগতীয়াকৈ সেই কথাখিনি আমি কিয় ক'ব নিবিচাৰো? আৰম্ভ হোৱাৰ পাছত ৰাইজে প্ৰতিবাদ কিয় কৰিবলগীয়া হয়? মাননীয় মুখ্যমন্ত্ৰীয়ে কয় যে আমি কোনো প্ৰতিবাদী একো ব্যৱস্থা নলওঁ, তেনেহ'লে কিয় প্ৰতিবাদ হৈ থাকে? এইক্ষেত্ৰত মই মাত্ৰ দুটামান কথাই ক'ব বিচাৰিছো এটা 4 lane যুক্ত ৰাষ্ট্ৰীয় ঘাইপথ নিৰ্মাণ সমিতি নামৰ এখন সমিতি গঠন হোৱাৰ এটা ব্যৱস্থা আহিল। গুৱাহাটী High Court ত clear হ'বলগীয়া হ'ল একমাত্ৰ কলীয়াবৰত এটা ৰাষ্টা নতুন এটা alignment দিব বিচৰাৰ কাৰণে। প্ৰকৃততে সেই alignment হ'বলগীয়া নাছিল। যিহেতু সেইটো এটা brown field project আছিল। যেতিয়া green field project হ'ল তেতিয়া মাটি অধিগ্ৰহণ কৰি নতুন ৰাষ্টা বনোৱা হয়। কিন্তু brown field ৰ ক্ষেত্ৰত পুৰণা ৰাষ্টাটোকে আৰু improved কৰা হয়। সেই গতিকে এতিয়া ইমান বিতৰ্ক আহিছিল, কি কাৰণে আহিছিল সেই কথাবিলাক নহ'বলৈ হ'লে নে কাৰোবাক লাভান্বিত কৰিবলৈ কাৰোবাৰ মাটি আছে, মাটিৰ কাষেদি যাব লাগে। এই কথাবিলাকে আমাৰ বিধান সভাৰ image বেয়া কৰে আৰু চৰকাৰৰো image বেয়া কৰে। সেয়েহে তেনেকুৱা ধৰণৰ কথাত সতৰ্ক হ'ব লাগে। ঠিক তেনেকৈ আমগুৰিত বা আমাৰ সিদিনা ধোদৰআলি নিৰ্মাণত বিসংগতিত ক্ষুদ্ৰ গঞাঁৰ অবৰোধ। আজি দুদিন আগৰ বাতৰি এটা ক'বলগীয়া হৈছে। অসমৰ বিভিন্ন অঞ্চল এনেকুৱা হৈ আছে যিবিলাক কাম ২০১৫ চনতে শেষ হোৱাৰ কথা আছিল, ২০১৬ চনৰ পিছৰ চৰকাৰখনে কামখিনি কৰিম বুলি কৈছিল। কাৰ বেমেজালিৰ বাবে, কি বিসংগতিৰ বাবে এই কামবিলাক হৈ নুঠিল ৰাইজে জীয়াতু ভূগিছে। এই কথাবিলাকৰ জৱাবদিহি হ'ব লাগে। আমাৰ যি বিভাগৰ জৱাবদিহি, সেইবিলাক কিজানি হোৱা নাই. সেই কাৰণে প্ৰতিদিনে আমি গম পাও যে, ৰোলাৰ চলাই যোৱাৰ পিছত তৰপা-তৰপে বোলে কিবা আলকাটৰাৰ চামনিবিলাক উঠি গৈছে. তেনেকুৱা নিম্নমানৰ কামৰ কথাও বাতৰি কাকতত প্ৰকাশ পায়। সেইগতিকে বিভাগক পুঁজি আৱণ্টন দিয়া হ'ব, আজি পাছ হ'ব কিন্তু কামখিনি যাতে ভালকৈ হয়, সেই কথাটো গুৰুত্বপূৰ্ণ। গতিকে মই দুটামান কথা উল্লেখ কৰি মোৰ কৰ্তন প্ৰস্তাৱটোৰ যোগেদি যিহেতু আলোচনা কৰো, সেই আলোচনাখিনি move কৰি চৰকাৰক এইবিলাক বিষয় দৃষ্টি আকৰ্ষণ কৰিবলৈ অনুৰোধ জনালো।

**(সদনত অধ্যক্ষৰ আসনত উপবিস্ত মাননীয় সভাপতি শ্ৰী জ্বলেন দৈমাৰী)**

**শ্ৰী জ্বলেন দৈমাৰী, (সভাপতি)** ঃ ধন্যবাদ থাকিল। শ্ৰী ধৰ্মেশ্বৰ কোঁৱৰ। আপোনাৰ সময় ১০ মিনিট।

**শ্ৰী ধৰ্মেশ্বৰ কোঁৱৰ, (সোণাৰী)** ঃ সন্মানীয় সভাপতি মহোদয়, আজি বিৰোধী অনা কৰ্তন প্ৰস্তাৱ অৰ্থাৎ লোকনিৰ্মাণ বিভাগত যি কৰ্তন প্ৰস্তাৱ আনিছে, এই কৰ্তন প্ৰস্তাৱৰ সম্পূৰ্ণ বিৰোধিতা কৰি মই দুযাৰমান ক'ব বিচাৰিছো। কিয়নো সমগ্ৰ কেৱল অসমেই নহয়, ভাৰতবৰ্ষয়েই নহয়, বিশ্বই উন্নয়ণ বিচাৰে আৰু সেয়েহে সেই উন্নয়ণৰ প্ৰতি লক্ষ্য ৰাখি আজি আমাৰ যিখন পঞ্চদশ বিধান সভাৰ পঞ্চমখন বাজেটত আমাৰ বিত্ত মন্ত্ৰী গৰাকীয়ে ১০,৫২৭ কোটি টকা আমাৰ এই PWD

বিভাগত, লোকনিৰ্মাণ বিভাগত যি টকা ধাৰ্য্য কৰিলে, তাৰ কাৰণে মই আমাৰ মাননীয় মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মা ডাঙৰীয়াৰ লগতে আমাৰ মাননীয়া বিত্ত মন্ত্ৰী গৰাকীক মই বিশেষভাৱে ধন্যবাদ জনাইছো। কাৰণ আজি প্ৰায় ১০ বছৰৰ আগত আমাৰ অসমে নহয়, সমগ্ৰ ভাৰতবৰ্ষত যেনেধৰণে উন্নয়ণ হ'ব লাগিছিল, কোনো উন্নয়ণৰ পথ আমি দেখিবলৈ পেৱা নাছিলো। বিশেষকৈ আমাৰ উত্তৰ পূৰ্বাঞ্চল অসমক সদায় আগৰ চৰকাৰে, বিৰোধী চৰকাৰে মাহী আইৰ চকুৰে চাইছিল আৰু সেয়েহে আজি বৰ্তমান চৰকাৰখন আমাৰ মাননীয় প্ৰদান মন্ত্ৰী শ্ৰীনৰেন্দ্ৰ মোদী ডাঙৰীয়াই আমাৰ উত্তৰ পূৰ্বাঞ্চলক North East অৰ্থাৎ North -East ক আমাৰ দক্ষিণ -পূৱ এচিয়াৰ দুৱাৰমুখ হিচাপে নিৰ্মাণ কৰিবলৈ যেনেধৰণে চেষ্টা কৰিছে তাৰ কাৰণে তেখেতকো বিশেষভাৱে ধন্যবাদ দিছো। আমাৰ যি লোকনিৰ্মাণ বিভাগত আমাৰ বৰ্তমান যোৱা লোকসভাত পৰহি আমাৰ গড়কাপ্তানী বিভাগৰ কেন্দ্ৰীয় মন্ত্ৰী গৰাকীয়ে আমাৰ অসমৰ ৰাস্তা পদুলি আমেৰিকাৰ দৰে সজাই তোলাৰ এখন তেখেতে ঘোষণা কৰিলে আৰু কেইটামান আঁচনি ঘোষণা কৰিলে। তাৰ কাৰণে তেখেতকো ধন্যবাদ দিব লাগিব। যিহেতু আমাৰ যিবিলাক ৰাস্তা আমাৰ যিহেতু কাজিৰঙাৰ ওপৰেদি যিখন overbridge বা উৰণীয়া সেতু নিৰ্মাণ কথা ক'লে তাৰ উপৰি অসমৰ বিভিন্ন ৰাষ্টা 4 lane কৰাৰ যি তেওঁ উথাপন কৰিলে বা যিখিনি ঘোষণা কৰিলে গতিকে তাৰ কাৰণে আমি অসমে আৰু কিছুদিনৰ পিছত কিমানখিনি আমি উন্নয়ণ দেখিবলৈ পাম এইটো হয়তো আমি কল্পনাই কৰিব নোৱাৰো। যিহেতু আজি আমাৰ অসমত যিবিলাক ৰাষ্টা আগতে আমাৰ চৰাইদেউৰ পৰা শিৱসাগৰলৈ সেই ৰাস্তাটোত আহোতে প্ৰায় দেৰ ঘণ্টাৰো ওপৰত আমাৰ সময় লাগিছিল। কিন্তু আজি আমাৰ আধাঘণ্টা সময় নালাগে। গতিকে এনেধৰণে ৰাস্তা-পদূলি নিৰ্মাণ হৈছে, দলং নিৰ্মাণ হৈছে আৰু এই ৰাষ্টাবিলাক অসম মালাৰ অধীনত এইবাৰ বাজেটত আমাৰ মাননীয়া বিত্ত মন্ত্ৰী গৰাকীয়ে ২,৬২৫ কোটি টকা ধাৰ্য্য কৰিছে প্ৰত্যেকটো সমষ্টিত যে ২৫ কিলোমিটাৰ কৈ যি অসম মালাৰ অধীনত ৰাস্তা নিৰ্মাণ কৰাৰ কথা ঘোষণা কৰিছে আৰু তাৰ আগৰ পৰা আমাৰ যি অসম মালাৰ অধীনত ৰাস্তা নিৰ্মাণ হৈ আছে প্ৰত্যেকটো সমষ্টিৰ প্ৰত্যেকখন জিলাত। ঠিক তেনেকৈ আমাৰ মাননীয় মুখ্যমন্ত্ৰী পথ পকীকৰণ আঁচনি, মুখ্যমন্ত্ৰী আঁচনি নবীকৰণ আঁচনি, মুখ্যমন্ত্ৰী মথাউৰি পকীকৰণ আঁচনিৰ জৰিয়তে আমাৰ সমগ্ৰ অসমত বিভিন্ন জিলাত, বিভিন্ন সমষ্টিত সকলো সমষ্টিতে পথ নিৰ্মাণ হৈ আছে বুলি ক'লেও বেয়া নহয়। কাৰণ আমাৰ অসমত প্ৰত্যেক দিনাই ১৩ কিলোমিটাৰকৈ ৰাস্তা নিৰ্মাণ হৈ আছে বুলি আজি আমি ক'ব পাৰো। যিহেতু ১৩ কিলোমিটাৰ ৰাস্তা প্ৰতিদিনে নিৰ্মাণ হৈ থাকিলে আমাৰ অসমত বৰ্তমান ইমান ৰাস্তা-পদুলি নিৰ্মাণ হৈছে, কেনেধৰণে নিৰ্মাণ কৰি থকা হৈছে, সেইখিনি কথা আমি অন্তত সকলোৱে নক'লেও আমি বুজি পাইছো। যিহেতু মোৰ নিজৰ সমষ্টিৰ কথাই মই কওঁ। মোৰ নিজৰ সমষ্টিতে আজি ১১ খনকৈ দলঙৰ কাম হ'বলৈ গৈ আছে। এতিয়া দুখন দলঙৰ কাম আধাৰশিলা কৰাৰ পিছত সম্পূৰ্ণ হ'বলৈ গৈ আছে। তাৰ উপৰিও PMGSY ৰ অধীনত প্ৰায় চাৰে চাব্বিশ কিলোমিটাৰ ৰাস্তা নিৰ্মাণ কৰি আছে, অসম মালা আঁচনিৰ অধীনত প্ৰায় ৪২ কিলোমিটাৰ ৰাস্তা নিৰ্মাণ হৈ আছে, RIDF ৰ আঁচনিৰ অধীনত ১০ কিলোমিটাৰ ৰাস্তা নিৰ্মাণ হৈ আছে, মুখ্যমন্ত্ৰী পথ পকীকৰণ আঁচনিৰ অধীনত প্ৰায় ২৭ কিলোমিটাৰ ৰাস্তা নিৰ্মাণ সম্পূৰ্ণ হৈছে। তাৰ উপৰিও দ্বিতীয় পৰ্য্যায়ত চাৰে চৈধ্য কিলোমিটাৰ ৰাস্তা আমাৰ মুখ্যমন্ত্ৰী পকীপথ আঁচনিৰ অধীনত হৈছে, নগৰীয়া যোজনাৰ অধীনত হৈছে প্ৰায় ৭ কিলোমিটাৰ ৰাস্তা। ঠিক তেনেধৰণে নবীকৰণৰ কামৰ ১৫ কিলোমিটাৰ ৰাস্তা বৰ্তমান চলি আছে। ঠিক তেনেকৈ SOPD আঁচনিৰ অধীনত ৮ কিলোমিটাৰ ৰাস্তা SOPD যি গ্ৰামীনৰ

আঁচনিৰ অধীনত ২৭ কিলোমিটাৰ ৰাস্তা এনেধৰণে নিৰ্মাণ হৈ আছে তাৰ উপৰিও আৰু আমাৰ যিবিলাক বাগানৰ ৰাস্তা বা আমাৰ যিবিলাক পঞ্চায়তৰ যোগেদি কৰিবলগীয়া ৰাস্তা সকলোখিনি কাম কেৱল মোৰ সমষ্টি বুলিয়েই নহয়, আমাৰ জিলাখন বুলিয়েই নহয়, আমাৰ সমগ্ৰ অসমতে তেনেধৰণৰ কাম চলি আছে। গতিকে দ্ৰুতগতিত উন্নয়ণ যে হৈছে আমাৰ মাননীয় মুখ্যমন্ত্ৰী মহোদয়ে যিটো পৰিকল্পনা কৰিছিল, যেনেধৰণে পৰিকল্পনা কৰিছিল বা যেনেধৰণে চিন্তা ধাৰাই আজি কাম খিনি আগুৱাই লৈ গৈছে। কাৰণ যিহেতু বিগত সময়ছোৱাত বিভিন্ন কাৰণত আমাৰ অসমৰ বিভিন্ন সময়ত আমাৰ উন্নয়ণৰ যিটো গতি স্থবিৰ হৈ গৈছিল, তাৰ ২০-২৫ বছৰ আমি পিছুৱাই গৈছিলো। আজি সেই ২০-২৫ বছৰে কেনেধৰণে আগুৱাব পাৰি, কেনেকুৱা ধৰণৰ মানসিকতাৰে মাননীয় মুখ্যমন্ত্ৰী মহোদয়ে আজি আমাৰ এই সৰ্বাঙ্গীন উন্নয়ণৰ ক্ষেত্ৰখনক আগুৱাই লৈ গৈছে। গতিকে আমাৰ মাননীয় মুখ্যমন্ত্ৰী মহোদয়ে যি চিন্তাধাৰাৰে কাম কৰিছে, বিভিন্ন ঠাইত যেনিয়ে যায়, আপুনি সেইফালে 4 lane ৰ কাম চলি থকা দেখিব, overbridge কাম চলি থকা দেখিব বা অন্যান্য দলং নিৰ্মাণ হৈ থকা দেখিব। গতিকে এনেধৰণৰ উন্নয়ণৰ কাম আজি কিছুদিনৰ পৰা অৰ্থাৎ আজি চাৰিটা বছৰ বা আজি ৯ টা বছৰৰ পৰা আৰু ক্ৰমান্বয়ে আজি চাৰিটা বছৰত দ্ৰুতগতিত উন্নয়ণ হ'বলৈ ধৰিছে। সমগ্ৰ অসমবাসীৰ লগতে দেশবাসীয়ে দেখিছে। গতিকে সেয়েহে আজি অসমক কেন্দ্ৰীয় চৰকাৰেও বিভিন্ন ধৰণৰ সুবিধাখিনি দিবৰ কাৰণে কামৰ যি দ্ৰুতগতিৰ উন্নয়ণ দেখিছে, কাম কৰা মানুহৰ বা কাম কৰা নেতৃত্ব দিয়া ব্যক্তিক কেন্দ্ৰীয় চৰকাৰে যি প্ৰত্যক্ষ কৰিছে তাৰ কাৰণে আজি কেৱল অসমেই নহয়, উত্তৰ-পূৰ্বাঞ্চলক সংযোগ কৰি ৰাখি বা সংযুক্ত কৰি ৰাখিব পাৰি এনেধৰণৰ মানসিকতাৰে সকলো দিশত উন্নয়ণ কৰিবৰ কাৰণে আজি আমাৰ কেন্দ্ৰীয় চৰকাৰে চিন্তা কৰিছে। মাননীয় অধ্যক্ষ মহোদয়, উত্তৰ-পূৰ্বাঞ্চলক কেনেদৰে সংযোগ কৰি বা সংযুক্ত কৰি ৰাখিব পাৰি তেনেধৰণৰ মানসিকতাৰে সকলো দিশত উন্নয়ন কৰিবৰ বাবে অসম চৰকাৰে চিন্তা কৰিছে। তাৰ প্ৰতি লক্ষ্য ৰাখি অসম চৰকাৰৰ মাননীয় মুখ্যমন্ত্ৰী মহোদয়ে আজি আমাৰ কেৱল ৰাস্তা-পদূলি, দলঙেই নহয় অন্যান্য শিতানতো উন্নয়ণৰ কথা চিন্তা কৰি সৰ্বাঙ্গীন উন্নয়নৰ বাবে আগুৱাই লৈ গৈছে। মই ভাৱো যে বিৰোধীয়ে যেনেধৰণে লোক নিৰ্মাণ বিভাগত যি কৰ্তন প্ৰস্তাৱ আনিছে তাৰ সম্পূৰ্ণ বিৰোধিতা কৰি মই আজি মোৰ চমু বক্তব্যৰ সামৰণি মাৰিছো। ধন্যবাদ।

**শ্ৰী জ্বলেন দৈমাৰী, (সভাপতি)** ঃ মাননীয় সদস্য মজিবুৰ ৰহমান ডাঙৰীয়াই কওঁক। আপোনাক দহ মিনিট সময় দিয়া হ'ল।

**শ্ৰী মজিবুৰ ৰহমান, (দলগাওঁ) ঃ** মাননীয় সভাপতি মহোদয়, আমাৰ আৰু এজন বক্তা উপস্থিত নাই। গতিকে তেওঁৰ সময়খিনি যোগ হৈ যাব।

**শ্ৰী জ্বলেন দৈমাৰী, (সভাপতি)** ঃ ঠিক আছে।

**শ্ৰী মজিবুৰ ৰহমান, (দলগাওঁ) ঃ** মাননীয় সভাপতি মহোদয়, বিৰোধীয়ে অনা কৰ্তন প্ৰস্তাৱৰ সমৰ্থনত দু-আষাৰ ক'বলৈ সুযোগ দিয়াৰ বাবে ধন্যবাদ জ্ঞাপন কৰিলো। আজিৰ এই সদনত যিটো বিভাগৰ কৰ্তন প্ৰস্তাৱৰ আলোচনা চলি আছে, সেই বিভাগৰ কোনো বিষয়া আৰু মন্ত্ৰী দেখা পোৱা নাই। বিভাগীয় মন্ত্ৰী আৰু বিষয়াসকল থাকিলে কথাখিনি ক'লে গুৰুত্ব পোৱা যায়। মোৰ সমষ্টি দলগাওঁ অসমৰ ভিতৰত .......

**শ্ৰী আমিনুল ইছলাম, (জেম্ঠ, ধিং) ঃ** মাননীয় সভাপতি মহোদয়, মাননীয় সংসদীয় পৰিক্ৰমা মন্ত্ৰী ডাঙৰীয়াও ইয়াত নাই। গতিকে কোনে কি নোট কৰি আছে আমি একো বুজি পোৱা নাই।

**ডাঃ ৰণোজ পেগু, (মন্ত্ৰী, শিক্ষা ইত্যাদি বিভাগ) ঃ** মাননীয় সভাপতি ডাঙৰীয়া, মাননীয়

সংসদীয় পৰিক্ৰমা মন্ত্ৰী ডাঙৰীয়াই মোক দায়িত্ব দিছে আৰু মই নোট কৰি আছো।

**শ্ৰী জ্বলেন দৈমাৰী, (সভাপতি)** ঃ মাননীয় শিক্ষা মন্ত্ৰী ডাঙৰীয়াক দায়িত্ব দিয়া হৈছে আৰু আপুনি আপোনাৰ বক্তব্য ৰাখক।

**শ্ৰী মজিবুৰ ৰহমান, (দলগাওঁ) ঃ** মাননীয় সভাপতি মহোদয়, ডি-লিমিটেশ্যনৰ পিছত মোৰ সমষ্টিত তিনি লাখ চাৰি হাজাৰ ভোটাৰ আছে, অসমৰ ভিতৰত দ্বিতীয় সৰ্বাধিক ভোটাৰ থকা সমষ্টি দলগাওঁ সমষ্টি। মোৰ সমষ্টিত যে তিনি লাখ চাৰি হাজাৰ ভোটাৰ হ'ল ইয়াৰ ওপৰত কেতিয়াবা কেতিয়াবা কোনোবাই টি ভিৰ আগত ক'ব যে দলগাওঁ সমষ্টিত ইমান ভোটাৰ ক'ৰ পৰা আহিল? সেয়েহে সদনত এটা কথা স্পষ্টকৈ কৈছো যে ডি-লিমিটেশ্যন হোৱাৰ পিছত কলাইগাঁও সমষ্টি নোহোৱা হ'ল আৰু তাৰ ভোট আনি মোৰ তাত সোমোৱাই দিলে। মঙ্গলদৈ সমষ্টিৰ সৰ্বাধিক মুছলিম ভোট আনি মোৰ সমষ্টিত সোমোৱাই একেবাৰে ডাঙৰ সমষ্টি বনাই দিলে। তেখেতসকলৰ পলিচি আছে যে সংখ্যালঘুৰ সমষ্টি সমূহত ভোট কৰ্তন কৰি সমষ্টি কমাই দিয়া হৈছে। এইখিনি কৰিছে ভাল কথা। মোৰ সমষ্টিত দ্বিতীয় সৰ্বাধিক ভোটাৰ থকা সমষ্টি হোৱাৰ পিছত এইবাৰ যেতিয়া পুঁজি আবণ্টন দিয়া হ'ল তাত পুঁজিও বঢ়াই দিব লাগিছিল। আপুনি শুনি আচৰিত হ'ব যে কেৱল মোৰ সমষ্টিতেই নহয় হাইলাকান্দিৰ তিনিখন জিলা মিলাই এখন সমষ্টি কৰা হৈছে। বিধায়ক তিনিজনক মাৰিয়েই পেলোৱা হ'ল। তাৰ পৰা এজন বিধায়ক আহিব কোনো কথা নাই। ঠিক তেনেকৈ মন্দিয়া, জনীয়া সমষ্টি মিলাই এটা সমষ্টি কৰা হৈছে। কিন্তু আমাক যিটো পুঁজিৰ আবণ্টন দিয়া হৈছে সেই অনুপাতে তাৰ কিছুমান ওচৰৰ সমষ্টিত ত্ৰিশ কোটি টকাও আবণ্টনৰ বাবে বিচাৰিছে। আমাৰ তিনিখন সমষ্টি মিলাই এখন কৰাৰ পিছত কেৱল টকা বাৰ কোটি, চব্বিশ কোটি দিছে। এই বিভাগটো যিহেতু মাননীয় মুখ্যমন্ত্ৰী মহোদয়ৰ অধীনত, সেয়েহে ভেদাভেদ কৰা হ'ব বুলি আশা কৰা নাছিলো। গতিকে আপোনাৰ জৰিয়তে মাননীয় মন্ত্ৰী মহোদয়ক এই বিষয়টো পুনৰ বিবেচনা কৰিবৰ বাবে অনুৰোধ কৰিছো। বাঘবৰ, চেঙা, মন্দিয়া, জনীয়া এইবোৰ অঞ্চলত জনসংখ্যা দুই লাখ, তিনি লাখ। কিন্তু পুঁজিৰ আবণ্টণ দিছে কেৱল বাৰ কোটি। কিন্তু আমাৰ ওচৰত এক লাখ সত্তৰ হাজাৰ মান জনসংখ্যা থকা সমষ্টি কিছুমানত ত্ৰিশ কোটি টকা পুঁজিৰ আবণ্টন দিছে। গতিকে এই টকাৰ ক্ষেত্ৰত ভেদাভেদ কৰা হৈছে। এইটো হ'ব নালাগিছিল আৰু নতুন সমষ্টি হিচাপে টকা দিয়া নাই। মোৰ সমষ্টি দলগাওঁৰ পৰা অসম মালাৰ ৰাস্তা via শিলগুৰি হৈ, বৰচলা হৈ ঢেকীয়াজুলি লৈ গৈছে। এইটো এটা গুৰুত্বপূৰ্ণ ৰাস্তা আৰু বিকল্প ৰাষ্ট্ৰীয় ঘাই পথ বুলি ক'ব পাৰি। এই ৰাস্তাটো দলগাওঁৰ পৰা শিলগুৰি পাওঁতে ধনশিৰি নদীৰ ওপৰত এখন দলং আছে। সেইখন অতি পুৰণি দলং আৰু দুখন গাড়ী একেলগে অহা-যোৱা কৰিব নোৱাৰে। আপোনাৰ জৰিয়তে মাননীয় মন্ত্ৰী মহোদয়ক তাত আৰু এখন অতি সোনকালে দলং নিৰ্মাণ কৰাৰ বাবে চেংশ্যন কৰিব লাগে। সেই ৰাস্তাটো বহু কোটি টকা খৰচ কৰি ৰাইজৰ সুবিধাৰ কাৰণে বনাইছে আৰু তাৰ পৰা যথেষ্ট সুবিধা হৈছে। দৰং, শোণিতপুৰ আৰু নগাওঁ আদিৰ লোকসকল এই ৰাস্তাৰে অহা-যোৱা কৰে। এই ৰাস্তাৰ ওচৰেৰে যি ধনশিৰি নদী বৈ গৈছে, এই নদী অতি বিপদজনক নদী বুলি ক'ব লাগিব। ব্ৰহ্মপুত্ৰ নদীৰ পিছতেই ধনশিৰি নদীৰ কথা ক'ব লাগিব আৰু বহু গড়াখহনীয়াৰ সৃষ্টি কৰে। সেই ৰাস্তাৰ পাঁচ শ, ছয় শ মিটাৰ দূৰৰ পৰাই গড়াখহনীয়াৰ সৃষ্টি হৈছে। অহা বানপানীৰ সময়লৈকে ইয়াক প্ৰতিৰোধৰ ব্যৱস্থা নকৰিলে সেই অসম মালাৰ ৰাস্তাটো নষ্ট হৈ যাব। মাননীয় মুখ্যমন্ত্ৰী মহোদয়ে বহু কোটি টকা খৰচ কৰি অসম মালাৰ অধীনত অতি প্ৰয়োজনীয় ৰাস্তা নিৰ্মাণ কৰিছে। সেয়েহে এই ধনশিৰি নদী প্ৰতিৰোধ কৰাৰ ব্যৱস্থা কৰিব লাগে। ওৰাং ৰাষ্ট্ৰীয় উদ্যান, ভৰপুৰ, ৰহমানপুৰ, ৰঙাপথাৰ গাওঁ

আদি এতিয়া ধনশিৰি নদীৰ গড়াখহনীয়াৰ গ্ৰাসত পৰিছে। যোৱা বিধান সভাত মই এই বিষয়ে কৈছিলো আৰু মাননীয় জলসম্পদ মন্ত্ৰী মহোদয়ে কৰি দিব বুলি কথাও দিছিল। এই ৰাস্তাটোৰ লগতে ওৰাং ৰাষ্ট্ৰীয় উদ্যানখন আছে। কিন্তু এই ৰাস্তাটো এতিয়াও কৰা হোৱা নাই। সেয়েহে আজি মই এই সদনত মাননীয় মন্ত্ৰী মহোদয়ক ধনশিৰি নদীৰ গড়া খহনীয়াৰ পৰা ওৰাং ৰাষ্ট্ৰীয় উদ্যান, ভৰপুৰ, ৰহমানপুৰ, ৰঙাপথাৰ গাওঁ ৰক্ষা কৰিবলৈ এটা মথাউৰি যুক্ত ৰাস্তা নিৰ্মাণ কৰাৰ নিশ্চিত ব্যৱস্থা গ্ৰহণ কৰিবলৈ অনুৰোধ জনাইছো। মোৰ সমষ্টিত এইবাৰ ৰাস্তাৰ কাম যথেষ্ট হৈছে। কিন্তু এই যি ঠিকাদাৰ সকলক ৰাস্তাৰ কাম দিয়া হয় তেওঁলোকে টেণ্ডাৰ কৰোতে বা কামখিনি চেংশ্যন কৰোতে বহুবাৰ মাননীয় মন্ত্ৰী মহোদয়ৰ তাত যাবলগীয়া হয়, বহু এষ্টিমেট বনাব লাগে। তেওঁলোকৰ বহুত কষ্ট হয় আৰু আমিও তেওঁলোকক সহায় কৰো। কিন্তু যেতিয়া ঠিকাদাৰসকলক চিলেকশ্যন কৰা হয় আমাৰ বেছি ভাগ বিধায়ককে জনোৱা নহয়। মই কথাটো কৈ আছো। আপোনালোকে ঠিকাদাৰসকলক দিয়াৰ কাৰণে আগ্ৰহী, য'ত এবছৰ সময় বান্ধি দিয়া হৈছে আমি গালি খাব লাগে, গালি আপুনি খাব নালাগে। মই এটা উদাহৰণ দিছো। পি জয়ছোৱালে বেছিমাৰীৰ পৰা দুইপাম পাৰালৈ এটা ৰাস্তাৰে কাম লৈছিল। মই আৰু আমাৰ মাননীয় সাংসদ মহোদয়ে ০১-০৭-২০২৩ তাৰিখে ইয়াৰ উদ্বোধন কৰিছিলো। বেছিমাৰীত এখন দলং আৰু হাইয়াৰ ছেকেণ্ডাৰী স্কুলো আছে। আমি ২০২৩ চনতে ৰাস্তাৰ কাম আৰম্ভ কৰিছিলো আৰু এতিয়া ২০২৫ চন চলি আছে। ঠিকাদৰে এতিয়ালৈকে ৰাস্তাৰ কাম আৰম্ভ কৰা নাই বুলি ক'ব পাৰি। মই বিভাগক বহুবাৰ ক'লো। বিভাগে ঠিকাদাৰ ভাল নহয় কামটো কেনচেল কৰি দিব বুলি কয়। মই ঠিকাদাৰৰ লগত ব্যক্তিগতভাৱে কথা পাতিছো আজিলৈকে ৰাস্তাৰ কাম দুবছৰত বিশ শতাংশ হৈছে আৰু আশী শতাংশ বাকী আছে। আপোনালোকে ঠিকাদাৰ দিছে ভাল কথা। কিন্তু আমাক কিয় গালি খুৱায়? পেপাৰ-পত্ৰ, টি ভি আদিত সেই ৰাস্তাৰ ফটো তুলি দিয়ে, ধান ৰোৱে, এম এল এ মুৰ্দাবাদ আদি ধ্বনি দিয়ে। এইবোৰ বেয়া কথা। মই বিভাগক এটা কথা কম যে আমি পইচাও খোৱা নাই আৰু ৰাইজৰ স্বাৰ্থত ৰাস্তাটো বনাই দিব লাগে। ঠিকাদাৰক নাকি লগোৱাত আপোনালোকৰ কি অসুবিধা আছে? তাত কিবা অংক আছে নেকি? মাননীয় মন্ত্ৰী মহোদয়ক মই অনুৰোধ কৰিম যে এই ঠিকাদাৰক আজিয়েই show cause কৰিব লাগে। নহ'লে তেখেতৰ পৰা কামটো cancel কৰি বেলেগ ঠিকাদাৰক দি হ'লেও কামটো হ'ব লাগে। আৰু এজন ঠিকাদাৰ আছে, তেখেতৰ নাম শুনিলে আপোনালোক আচৰিত হ'ব। তেখেতৰ নাম হ'ল- মত্ৰিমুদ্দিন আহমেদ। আমাৰ কমলপুৰ সমষ্টিৰ বিধায়ক শ্ৰী দিগন্ত কলিতা ডাঙৰীয়া আছে। ঠিকাদাৰ জন কমলপুৰ সমষ্টিৰ। নাজানো তেখেতে দিছে নে কোনে দিছে, গম নাপাওঁ। Package No. AS16202, Package No. AS16203, Package No. AS16204 -এইকেইটা ৰাস্তা প্ৰায় ২৫-৩০ কোটি টকাৰ পেকেজ। দুবছৰ আগতে কাম আৰম্ভ কৰা হৈছিল। এতিয়া কাম ৩০% ও হোৱা নাই ...interruptions...চাৰ, মোৰ আৰু ১০ মিনিট সময় আছে।

**শ্ৰী জলেন দৈমাৰী, মাননীয় সভাপতিঃ** আপোনাৰ allotted time পাৰ হৈছে। আপোনাৰ দলে আপোনাক extra time allot কৰি দিয়া নাই।

**শ্ৰী মজিবুৰ ৰহমান (দলগাওঁ)ঃ** চাৰ, মই আমাৰ দলৰ পৰৱৰ্তী বক্তাৰ সময়খিনি লৈ লৈছো। আপুনি মোক অনুমতি দিয়ক।

**শ্ৰী জলেন দৈমাৰী, মাননীয় সভাপতিঃ** ঠিক আছে।

**শ্ৰী মজিবুৰ ৰহমান (দলগাওঁ)ঃ** মই ক'ব খুজিছো এই যে ২৫-৩০ কোটি টকাৰ পেকেজ

মত্রিমুদ্দিন নামৰ ঠিকাদাৰজনে লৈছে, তাৰ কাম দুই বছৰ আগতে কৰা হ'ল কিন্তু আজিলৈকে ৩০%কাম হৈ উঠা নাই। দুখন দলং আছে। দলঙৰ কাম শূন্য। এতিয়ালৈকে গৈয়েই পোৱা নাই দলংখন ক'ত হ'ব। মই মত্রিমুদ্দিন ডাঙৰীয়াক কেইবা বাৰো টেলিফোন কৰিছো, কিন্তু কাণসাৰ নাই। ওপৰৰ মহলৰ লগত তেখেতৰ এটা ভাল সম্পৰ্ক আছে হেনো, তেখেত খুব দমত থাকে। কাকো care নকৰে। এ বেটা, তই care কৰা নকৰা পিছৰ কথা, মোৰ সমষ্টিত তই tender দিবই নালাগে। কাম নকৰিব, দুই বছৰ হৈ গ'ল। গতিকে সভাপতি মহোদয় মই আপোনাৰ জৰিয়তে মাননীয় মুখ্যমন্ত্ৰী মহোদয়ৰ দৃষ্টি আকৰ্ষণ কৰিব খুজিছো যে আপোনাৰ বদ্‌নাম হৈছে। বিভাগটো আপোনাৰ। মতিৰউদ্দিন আমাৰ মানুহ, আপোনাৰ ঠিকাদাৰ। বদ্‌নামটো আপোনাৰ হৈ আছে। পেপাৰ-পত্ৰত মই গালি খালি খাই আছো, আপোনাৰ বিভাগৰ লগতে আপুনিও গালি খাই আছে। সেয়েহে এটা ডাঙৰ পদক্ষেপ ল'ব লাগে। মতিৰউদ্দিনক নাকি লগাব লাগে। পাৰিলে তেখেতৰ এই ঠিকা cancel কৰাই বেলেগ মানুহক দি কামখিনি কৰিব লাগে, দলগাওঁ সমষ্টিৰ ৰাইজৰ উপকাৰ হ'ব লাগে...interruptions... গালিটো আপুনি নক'ব আৰু। কয় যে এম.এল.এ মুৰ্দাবাদ। আপুনি অমূক কৰে তমূক কৰে, বিধায়কে পইচা খাইছে, সেইকাৰণে ঠিকাদাৰক কথা নকয়। এতিয়া ঠিকাদাৰক গালি পাৰিলে মুখ্যমন্ত্ৰী ডাঙৰীয়াই শ্বেৰমান দাৰ নিচিনাকৈ মোক জেলত ভৰাই দিব। ঘৰ ঘেৰাও কৰে। মাননীয় সভাপতি মহোদয়, আমি এতিয়া বহুত ডাঙৰ বিপদত আছো। এইফালে ২০২৬ ৰ বিধান সভাৰ নিৰ্বাচন আহি পালে। যিবিলাক প্ৰতিশ্ৰুতি দিছিলো, সেইবিলাক পূৰণ কৰিব নোৱাৰিলো। মাননীয় মুখ্যমন্ত্ৰী ডাঙৰীয়াই বহুত ৰাস্তাৰ কাম দিছে যদিও সেই কাম কৰি শেষ কৰিব পৰা নাই, সেইটোহে ডাঙৰ কথা ...interruptions.... কাম দিছে মই সেইটো মানা কৰা নাই কিন্তু আপোনালোকে যি ঠিকাদাৰ দিছে, সেই ঠিকাদাৰক নাকি লগাব পৰা নাই, তাতে আপোনালোকৰ কিবা আছে? ...interruptions...মাননীয় সভাপতি মহোদয়, আন এটা কথা হ'ল যে মোৰ সমষ্টি এইবাৰ ডাঙৰ কৰি দিলে। ৩ লাখ ৪ হাজাৰ ভোটাৰ হ'ল। ইয়াত মই কোনো objection কৰা নাই। কিন্তু, মংগলদৈ সমষ্টিৰ পৰা ৩ খন চাপৰি অঞ্চল মোৰ সমষ্টিত সোমাই দিছে। মোৰ ঘৰৰ পৰা সেই অঞ্চললৈ যাওঁতে নাঁৱেৰে যাব লাগিব, গাড়ী, মটৰ-চাইকেল লৈ যাব লাগিব আৰু শেষত গাড়ীৰ পৰা নামি খোজকাঢ়ি যাব লাগিব। সেই গাওঁ পঞ্চায়তবোৰৰ আগতে নাম আছিল- পুঠিমাৰী গাওঁ পঞ্চায়ত, চাউলখোৱা গাওঁ পঞ্চায়ত। এই গাওঁবোৰক অন্তৰ্ভুক্ত কৰিছে তাত মোৰ কোনো কথা নাই, মই লৈ লৈছো। আমাৰে মানুহ, আমিয়েই ল'ম। ভাল কথা। কিন্তু এই সমষ্টিৰ গৰিয়াখেতি পঞ্চায়তলৈ যোৱাৰ বাবে এতিয়ালৈকে তাত এখন দলং নাই। তাৰ চাৰিওফালে নদী। বহুত মন্ত্ৰী-বিধায়ক সেই সমষ্টিলৈ গ'ল। এতিয়া মোৰ তাত চপাই দি কৈছে যে বিভাগে আগতে কাম কৰা নাছিল, আপুনি আহিছে ভালেই হৈছে কিয়নো আগতে আপুনি SC সমষ্টিৰ আছিল এতিয়া আপুনি কামখিনি কৰি দিয়ক। কিন্তু এতিয়া যে মোৰ তাত জামেলাটো আহি গ'ল ......interruptions..... বসন্ত দাই কাম কৰিছে কিন্তু দলঙৰ কাম কৰা নাই। যথেষ্টখিনি কাম বসন্ত দাই কৰিছে কিন্তু দলঙৰ কাম কৰা নাই ..interruptions..

**শ্ৰী বসন্ত দাস (মঙ্গলদৈ)ঃ** চাৰ, ব্ৰহ্মপুত্ৰৰ ওপৰত দলং নহয়, তাতে গোটেই চৰ। মোক এনেই বদ্‌নাম কৰিছে।

**শ্ৰী মজিবুৰ ৰহমান (দলগাওঁ)ঃ** আপোনাক বদ্‌নাম কৰা নাই। আপুনি কাম কৰিছে। মই আপোনাক ধন্যবাদ দিছো। কিন্তু সেই সমষ্টিটোত দলং নাই। মই দলঙৰ কথাহে কৈছো। আপুনি ভাল কাম কৰিছে। আপুনি ধন্যবাদৰ পাত্ৰ। গৰিয়াখেতি পঞ্চায়ত, পুঠিমাৰী পঞ্চায়তলৈ যোৱাৰ বাবে এখন

দলঙৰ প্ৰস্তাৱ মই দিছো। আৰুতো মোৰ পুৰণি সমষ্টিটো আছেই। মোক টকা দিছে মাত্ৰ ১২ কোটি। এতিয়া মই মিলাব পৰা নাই। গতিকে সভাপতি মহোদয়, মই আপোনাৰ জৰিয়তে মুখ্যমন্ত্ৰী মহোদয়ৰ দৃষ্টি আকৰ্ষণ কৰিব বিচাৰিছো যে যিহেতু মোক অতিৰিক্ত ১ লাখ ভোটাৰ জাপি দিছে গতিকে মোৰ ওপৰত আৰু দুখনমান দলঙো এতিয়া জাপি দিয়ক। মাত্ৰ দুখন দলং দি দিয়ক। কলাইগাওঁ সমষ্টিৰ পানবাৰীৰ পৰা আৰু গৰিয়াখেতিৰ পৰা দলগাওঁ সমষ্টিক সংযোগ কৰাকৈ দুখন দলং দি দিয়ক। এইখিনি বিবেচনা কৰাৰ বাবে মোৰ অনুৰোধ থাকিল। মোৰ সমষ্টিৰ উন্নয়ন হ'লে, ভাল হ'লে মাননীয় মুখ্যমন্ত্ৰী মহোদয়ক ধন্যবাদ দিয়াত মই কোনো নাটনি নকৰো। ধন্যবাদ দিয়েই থাকিম। সভাপতি মহোদয়, বি.টি.এ.ডি. ৰ ওদালগুৰি আৰু দৰং এই দুখন জিলাৰ মাজত এটা মৰাবেগাই বুলি এখন ঠাই আছে। সেই ঠাইখিনিত মুদৈবড়ি নামেৰে MCLA ৰ এটা সমষ্টি আছে। সেই সমষ্টিৰ লগত সংযোগৰ বাবে এখন দলঙৰ বাবে ৩০ বছৰ ধৰি চেষ্টা কৰি আছে। এইবাৰ মই এই দলংখন তাত সোমাই দিছো। গতিকে, কোনো কাৰণত নামটো যাতে কটা নাযায় আৰু ঠিকাদাৰ দিলে ভাল ঠিকাদাৰ দিব লাগে। মোৰ সমষ্টিৰ বহু ৰাস্তা এতিয়াও জৰাজীৰ্ণ অৱস্থাত আছে। সভাপতি মহোদয়, মোৰ সমষ্টিৰ লগত কলাইগাওঁ সমষ্টিত শ্যামটিলা বুলি আৰু পদুঘাট বুলি গাওঁ আছে। দৈপাম মাজগাওঁৰ পৰা পদুঘাট হায়াৰ ছেকেণ্ডাৰী স্কুললৈকে সংযোগ কৰাৰ বাবে এটা পকী ৰাস্তা লাগে। গতিকে, দয়া কৰি এই ৰাস্তাটো দি দিব লাগে। কেৱল এয়াই নহয়, গলন্দী গাঁও পঞ্চায়ত আৰু বৰুৱাঝাৰ গাওঁ পঞ্চায়ত বুলি দুখন গাওঁ আছে। দলগাওঁক আপুনি সমজিলা দিয়াৰ বাবে ধন্যবাদ জ্ঞাপন কৰিছো। কিন্তু সমজিলালৈ অহাৰ বাবে ৰাস্তাটো ভাল দিব লাগিব। ৰাস্তা দিবলৈ হ'লে দলং লগা হ'ব। টাংনি নামেৰে নদী এখন আছে। সেই অঞ্চলৰ পশ্চিম প্ৰান্তত দলগাওঁ সমষ্টি আৰু পূব প্ৰান্তত দলগাওঁ গাওঁ পঞ্চায়ত। তাকো সমজিলা । সেই পশ্চিম প্ৰান্তৰ মানুহখিনি আহিবৰ বাবে বৰুৱাঝাৰ আৰু গলন্দীৰ মাজত এখন দলঙৰ ব্যৱস্থা কৰি দিব লাগে। আমাৰ সংসদীয় পৰিক্ৰমা মন্ত্ৰী তেখেত নিজে তালৈ গৈছিল আৰু চাই commitment দি আহিছিল যে এই দলংখন কৰি দিয়া হ'ব। আজি তেখেত নাই। সেয়েহে, মন্ত্ৰী মহোদয়ৰ দৃষ্টি আকৰ্ষণ কৰিছো যে তেখেতে দিয়া commitment হৈ উঠা নাই। তেখেতে আগতে AGP ৰ পৰা আৰম্ভ কৰি BJP লৈকে ৩৫ বছৰ ৰাজত্ব কৰিছে, ৩৫ বছৰ বিধায়ক-মন্ত্ৰী থকাৰ পিছতো তেওঁৰ commitment টো হৈ নুঠাৰ বাবে মইয়ে লাজ পাম। সভাপতি মহোদয়, তেখেতৰ কথাটো ৰাখিব লাগে। মই মুখ্যমন্ত্ৰী মহোদয়ক অনুৰোধ কৰিছো যে চন্দ্ৰমোহন পাটোৱাৰী ডাঙৰীয়াই যি commitment কৰিছে, সেই commitment টো ৰাখিলে আমি আনন্দিত হ'ম। দলগাওঁ সমষ্টিৰ উন্নতি হ'ব। সভাপতি মহোদয়, আলিছিঙা বালিগাওঁৰ মাজত এখন দলং, পানবাৰী ধনশিৰিৰ মাজত এখন দলং, কুৱাৰীপুখুৰী দৈপামৰ মাজত এখন দলং, কোনাখাটাপাৰৰ পৰা ইছলামপুৰ চাপৰিতো এখন দলঙৰ প্ৰয়োজন আছে। দলঙৰ দৰকাৰ এই কাৰণেই হৈছে যে আপোনালোকে আগতে এই সমষ্টিবোৰত কাম কৰা নাছিল। সেইকাৰণে অভাৱ থাকি গ'ল। অসমক যিহেতু শ্ৰেষ্ঠ ৫ খন ৰাজ্যৰ ভিতৰত আনিব বিচাৰিছে, তেনে ক্ষেত্ৰত minority সমষ্টিবোৰক বাদ দিলে অসম শ্ৰেষ্ঠ ৰাজ্যলৈ যাব নোৱাৰে। Indexৰ তলত পৰি যাব। মোৰ সতীৰ্থ বিধায়কে কৈছে যে মোক কেৱল দলং লাগে। এই দলংবোৰ এই কাৰণে লাগে কাৰণ ভাৰত স্বাধীন হোৱাৰ পিছৰ পৰা আজিলৈকে minority সমষ্টিবোৰক সদায় ignore কৰা হৈছে। ফলত এতিয়া ৰাস্তা-ঘাট, দলঙৰ demand টো বেছি হৈছে। আমাৰ ঠিকাদাৰবোৰৰ কথা ক'লোৱেই। দুটামান ৰাস্তা আৰু এখন দলং আছে যিখন বি.টি.এ.ডিৰ মাজবাট সমষ্টিৰ লগত মোৰ সমষ্টিৰ connectivity । মাধৱপুৰ

আৰু লালপুল সংযোগৰ বাবে এখন সৰু ২০-২৫ মিটাৰ মানৰ দলঙৰ প্ৰয়োজন। সেয়েহে, সভাপতি মহোদয়, আপোনাৰ জৰিয়তে মই মন্ত্ৰী মহোদয়ক আৰু এখন দলং দিয়াৰ বাবে অনুৰোধ জনাইছো। এটা কথা যে এই কামবোৰ কৰিবলৈ লওঁতে বিভিন্ন ধৰণৰ সমস্যাৰ সন্মুখীন হ'বলগীয়া হয়। গতিকে এই সমস্যাৰ এটা সমাধান সূত্ৰ উলিয়ালে ভাল হয়। মাজতে ওলাইছিল যে পঞ্চায়ত বা Municipality ত কোনো ঘৰ , ৰাস্তা-ঘাট বনাব লগা হ'লে পঞ্চায়তৰ Secretary ৰ পৰা permission ল'ব লাগে বুলি ৰণজিৎ দাস ডাঙৰীয়াই মাজতে প্ৰস্তাৱ আনিছিল। কিন্তু মাননীয় মুখ্যমন্ত্ৰী মহোদয়ে সেইটো প্ৰত্যাখ্যান কৰিছিল। মই সদনক অনুৰোধ জনাও যে-কোনো কাম হোৱা বুলি পঞ্চায়তত বা মিউনিচিপালটিত এটা ঘৰ বনোৱা বুলি অনুমতি ল'ব লাগে, ঘৰ বনাবলৈ পঞ্চায়তত অনুমতি ল'ব লাগে বুলি মাননীয় শ্ৰী ৰঞ্জিত দাস ডাঙৰীয়াই এটা প্ৰস্তাৱ আনিছিল যে পঞ্চায়তত কোনোবাই ঘৰ, ৰাস্তা, wall আদি বনাব লগা হ'লে অনুমতি ল'ব লাগে পঞ্চায়ত secretary ৰ পৰা, কিন্তু মাননীয় মুখ্যমন্ত্ৰীয়ে প্ৰত্যাখ্যান কৰিলে। মই এটা অনুৰোধ ৰাখিম এই বিধান সভাত যে এই কামটো কৰিব লাগে। Permission টো এই কাৰণে কৰিব লাগে আপুনি বিশ্বাস নকৰিব ৰাস্তাৰ ওচৰত electricity post যোৱাৰ কাৰণে ৰাস্তা নাই, নলা বনাবৰ ববে ঠাই নাই। শিয়ালমাৰী বজাৰ, বেচিমাৰী বজাৰ, নেপালী বজাৰৰ ৰাস্তা ধুনীয়া, দুয়োফালে কি ধুনীয়া ঘৰ বনাইছে, ওখ ওখ বিল্ডিং, দোকান বনাইছে , কিন্তু পানী যাবৰ কাৰণে কোনো নলাৰ ব্যৱস্থা নাই। নলাৰ ব্যৱস্থা নথকা বাবে আপোনাৰ এনেকুৱা অৱস্থা হৈছে আৰু কি হৈছে en-croach নাই। ৰাস্তা বিলাকৰ লাহে লাহে encroachment কৰা আৰম্ভ কৰিছে। এই পঞ্চায়তৰ secretaryৰ পৰা NOC নোহোৱাকৈ কোনো ঘৰ বনাব নোৱাৰে, wall বনাব নোৱাৰে তেতিয়া ৰাস্তাৰ encroachment টো কমি যাব। মই এটাই অনুৰোধ কৰিম এই গাওঁৰ ৰাস্তা বিলাক যদি আপোনালোকে ভাল ৰাখিব খোজে, তেতিয়া আপোনালোকে কিবা নহয় কিবা এটা ব্যৱস্থা কৰি যাতে ৰাস্তাবিলাক blockage কৰি পানী যোৱা ৰ বাবে যাতে ব্যৱস্থা লয়, কালভাৰ্টৰ সন্মুখত ঘৰ বনাই দিছে , দোকান বনাই দিছে, এইবিলাক কাম কৰি আছে, এইটো আপোনালোকে মন কৰিব লাগে। অধ্যক্ষ মহোদয় আপুনি ইমানখিনি সময় দিয়াৰ বাবে মই ধন্যবাদ জ্ঞাপন কৰিছো আৰু সৰ্বশেষত মাননীয় মুখ্যমন্ত্ৰী মহোদয়ক আকৌ অনুৰোধ কৰিম আপোনালোকে মোৰ তাত ভোটাৰ বঢ়াই দিছে , পইচা বঢ়াই দিব লাগিব মাত্ৰ মোৰ সমষ্টিতকৈ অসমত যিকেইটা minority সমষ্টি আছে, প্ৰত্যেকটা সমষ্টিত ২ লাখ ৩ লাখকৈ ভোট দিছে কিন্তু পইচাৰ ক্ষেত্ৰত সকলোতকৈ কম দিছে। আপোনালৈ এইটো অনুৰোধ থাকিল যে kindly পইচাটো বঢ়াই দিব।

**শ্ৰী শ্বেৰমান আলী আহমেদ, (বাঘবৰ) ঃ** মাননীয় সভাপতি মহোদয়, কাটমোশ্যনৰ সময়ত আমাৰ senior most officer of the department থাকিব লাগে। আমি দেখা নাই। This is not the in tradition, কোনে আমাৰ এই কথাবিলাক শুনি আছে।

**ড° আছিফ মহম্মদ নজৰ, (লাহৰিঘাট)ঃ** Senior most officer থকাটো আমাৰ পৰম্পৰা। Commissioner বা Cheif Engineer কোনোবা থকা উচিত। ইয়াত আমি কাকো দেখা নাই।

**শ্ৰী জ্বলেন দৈমাৰী, (সভাপতি) ঃ** Hon'ble member শ্ৰী ৰূপজ্যোতি কুৰ্মী।

**শ্ৰী ৰূপজ্যোতি কুৰ্মী, (মৰিয়নি) ঃ** মাননীয় সভাপতি মহোদয়, বিৰোধীয়ে যি কৰ্তন প্ৰস্তাৱ আনিছে, ইয়াৰ সম্পূৰ্ণ বিৰোধিতা কৰি মই মোৰ বক্তব্য দাঙি ধৰিব বিচাৰিছো। এই অসমখনত আমি যদি চাওঁ, মই ১৯৯১ চনৰ পৰা মোৰ মাতৃ প্ৰথম বিধায়িকা হৈ পৱিত্ৰ বিধান সভালৈ আহিছিল।

তেতিয়া মৰিয়নিৰ পৰা গুৱাহাটীলৈ অহা ৮-৯ ঘন্টীয়া যাত্ৰা, সেই যাত্ৰাৰ কথা আজিও মনত পৰে। কেতিয়াবা ১০ ঘন্টা পৰ্য্যন্ত লাগিছিল। মোৰ মনত পৰে মই ফুটবল খেলিছিলো, কাৰ্বি আংলংৰ ডিফুত ১৯৯৪ চনত খেলিছিলো। কেনে এটা কদৰ্য্যময় ৰূপ আছিল, আমি মৰিয়নি হৈ, গোলাঘাট হৈ নামবৰৰ মাজেদি কেনেকৈ ডিফুলৈ গৈছিলো, পথৰ যে কি অৱস্থা আছিল। মই ব্ৰহ্মপুত্ৰ উপত্যকালৈ আহিছিলো ১৯৯৫ চনত, গোৰামৰত ফুটবল খেলিবলৈ, কেনে কদৰ্য্য ৰূপ আছিল পথৰ। যেতিয়া লখিমপুৰলৈ গৈছিলো তেতিয়া মোৰ হ'বলগীয়া পত্নীক ভাল পাই আছিলো। কেনে কষ্ট কৰি যাব লগীয়া হৈছিল লখিমপুৰ। কেতিয়াবা আমি তেজপুৰ হৈ যাব লগীয়া হৈছিল কিমান কষ্টৰ মাজেৰে ইমান দীঘলীয়া ৰাস্তাৰে। বগীবিলৰ দলং নাছিল, শদিয়ালৈ ফুটবল খেলিবলৈ গৈছিলো ১৯৯৮ চনত। কি যে ৰাস্তাৰ অৱস্থা আছিল। ১৯৯১ চনত অলপ ডাঙৰ হ'লো। মাতৃ MLA হ'ল, মাতৃৰ লগত ঘূৰিবলৈ সুযোগ পালো। এজন খেলুৱৈ হিচাপে অসমৰ বিভিন্ন ঠাই ঘূৰিবলৈ সুযোগ পালো। মঙ্গলদৈ খেলপথাৰত আমাৰ sub-junior trial আছিল ফুটবলৰ, কি অৱস্থা আছিল ৰাস্তাৰ। মই ধন্যবাদ জনাম ভগৱানক ঈশ্বৰক যে আমাৰ NDA চৰকাৰ অসমত আহিল আৰু দেশত আহিল। দেশৰ প্ৰধানমন্ত্ৰী শ্ৰী নৰেন্দ্ৰ মোদী ডাঙৰীয়াক ধন্যবাদ জনাম, আজি মাননীয় মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মা ডাঙৰীয়াক ধন্যবাদ জনাম আৰু লগতে মই ঈশ্বৰকো ধন্যবাদ জনাব বিচাৰিছো এটি কলিৰে-

মন ম্যে বচাকৰ তেৰী মূৰ্ত্তি
উতাৰো মে গিৰিধৰ তেৰী আৰতী
কৰো না কৰো কষ্ট, হামে জ্ঞান দো ভগৱান,
বাগ ম্যে ফছী, নাম মেৰি উতাৰ দো ভগৱান,
দৰ্দ ক্যে দৱা তো মেৰে পাচ হ্যে
জিন্দেগী দয়া কি হে ভিক্ মাংগতী

মই ভগৱানক এইটোৱে প্ৰাৰ্থনা কৰিছো যে NDA চৰকাৰ যুগ যুগ ধৰি থাকক আৰু অসম ভাৰতবৰ্ষত থাকক আৰু ভাৰতবৰ্ষক অসমে সেৱা কৰক। আজি ডিমা হাছাও উগ্ৰপন্থীৰে ভৰপূৰ। এইবাৰ ডিমা হাছাও নিৰ্বাচনত গ'লো। সুন্দৰ ৰাস্তা, সুন্দৰ দলং, এনে এটা সুন্দৰ দৃশ্য। আজি ডিমা হাছাওৰ পৰা উগ্ৰপন্থীৰ সমস্যা কাৰ্বি আংলঙৰ ৰাস্তা উন্নয়ন, আজি কাৰ্বি আংলঙতো উগ্ৰপন্থীৰ সমস্যা নোহোৱা হৈ পৰিল, BTR অঞ্চলত আমি যেতিয়া যাওঁ, যোৱাবাৰ BTR নিৰ্বাচনৰ প্ৰচাৰ অভিযানত গৈছিলো, চাৰিওফালে ৰাস্তা যেনে ভূটানলৈ যোৱা পথ, অৰুণাচললৈ যোৱা পথ, আজি national connectivityৰ যিবোৰ ৰাস্তা সেইবোৰ কেনেধৰণৰ উন্নয়ন হৈছে। আজি অন্যায় অনুভৱ কৰাৰ কাৰণে বন্দুক তুলি লৈছে। আজি তেওঁলোকে অনুভৱ কৰিছে যে চৰকাৰে আমাক সুৰক্ষা দিছে, নিৰাপতা দিছে, উন্নয়ন দিছে, আজি সেয়েহে সকলোৱে বন্দুক প্ৰত্যাহাৰ কৰিছে। আজি এনেধৰণৰ পৰিৱেশ যদি আমি অসমত দেখো যে বাজেটত এক জিলা এক পথ আজি প্ৰত্যেক জিলাত ২৫ কি.মি. পথ প্ৰদান কৰাৰ ব্যৱস্থা কৰে। আজি শিলচৰত যদি উৰণীয়া সেতু, বঙাইগাওঁ, কোকৰাঝাৰত উৰণীয়া সেতু। সভাপতি মহোদয় তামোলপুৰত কেনে এটা অৱস্থা আছিল এটা সময়ত। আজি তামোলপুৰৰ উন্নয়নৰ ক্ষেত্ৰতে হওঁক, আজি আমাৰ যোৰহাট জিলাত সাংস্কৃতিক নগৰী বুলি পৰিচিত, শিক্ষা নগৰী বুলি পৰিচিত । যোৰহাটত এখনো উৰণীয়া সেতু নাছিল। আমি আজি চাওঁতে চাওঁতে এখন উৰণীয়া সেতুৰ উদ্বোধন হ'ল। ২ নং আৰু ৩ নং উৰণীয়া সেতু উদ্বোধন হ'বলৈ গৈ আছে। ৪নং উৰণীয়া সেতুৰ নিৰ্মাণ কাৰ্য্য চলি আছে

আৰু মোৰ অতি মৰমৰ মৰিয়নি সমষ্টিত এখনো উৰণীয়া সেতু নাছিল, কিন্তু এতিয়া তাত আমি এখন উৰণীয়া সেতু পাম। যি মৰিয়নি সমষ্টিত আন্তঃৰাজ্যিক আৰু লগতে আমাৰ মোককচং হৈ , টুৱেনচাং হৈ international বাৰ্মা ব'ৰ্ডাৰলৈ যায়। আজি Indian Army যোৰহাটৰ পৰাই আন্তঃৰাষ্ট্ৰীয় সুৰক্ষা নিৰাপত্তাৰ ক্ষেত্ৰত যোৱা এই পথটোৰ ওপৰত বৈ থাকিব লগীয়া হৈছিল বহুত সময়। আজি আমি সেইটো পাবলৈ গৈ আছো। আজি আমি এনেধৰণে যদি চাব যাওঁ ব্ৰহ্মপুত্ৰ নদীৰ ওপৰত তিনিখন দলং আছিল, এই তিনিখন দলঙৰ উপৰিও আকৌ তিনিখন দলং আমি পালো। আজি সংখ্যালঘু অধ্যুষিত সন্মানীয় বিধায়ক সকলক কৈছে যে বৰ্তমান চৰকাৰে সংখালঘু উন্নয়নৰ ক্ষেত্ৰত গুৰুত্ব দিয়া নাই। আজি পৃথিৱীয়ে দেখা পাব যে সকলোতকৈ দীঘল যিখন ফুলবাৰী দলং আজি NDA চৰকাৰে নিৰ্মাণ কৰিছে য'ত ৯৯ শতাংশ বুলি ক'লেও ভুল নহ'ব। সংখ্যলঘু লোক সকলৰ আজি বিকাশ হ'বলৈ গৈ আছে এই দলং খনৰ পৰা। আজি এনেধৰণে যদি আমি চাবলৈ যাওঁ এইখন অসমত কোনো সপোনতো ভবা নাই যে আমি দুখন ৰাজধানী পাম। হিমাচল প্ৰদেশ, জম্মু-কাশ্মীৰ, কৰ্ণাটক, মহাৰাষ্ট্ৰ তেওঁলোকৰ তাত দুখন দুখন ৰাজধানী আছিল যদিও আমি অসমতো দ্বিতীয়খন ৰাজধানী পাবলৈ গৈ আছো ডিব্ৰুগড়ত। আজি এনেধৰণে যদি চাই ৰাজধানী হোৱাৰ লগে লগে অসমৰ এটা সম্পূৰ্ণ নতুন বিকাশৰ ব্যৱস্থা লাভ কৰিব। প্ৰধানমন্ত্ৰী স্ব-নিয়োজন অধীনত চতুৰ্থটো যি বিষয় লৈ ৮০০০ গাৱঁত connectivity নিৰ্মাণ কৰাৰ ব্যৱস্থা লোৱা হৈছে, মাননীয় মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মা ডাঙৰীয়াৰ নেতৃত্বত আমাৰ NDA ৰ যি চৰকাৰ, এই মুখ্যমন্ত্ৰীৰ পথ পকীকৰণেই হওক, মথাউৰি পকীকৰণেই হওক, পথ নৱীকৰণেই হওক, নগৰীয়া পকীপথ আঁচনি নিৰ্মাণ কৰাই হওক গুৱাহাটী, উত্তৰ গুৱাহাটী, শুৱালকুছি, পলাশবাৰীৰ পৰা আদি কৰি আজি আমাৰ ঐতিহাসিক ধোদৰআলী

------------interruption-------

**শ্ৰী অখিল গগৈ, (শিৱসাগৰ) ঃ** ধোদৰ আলীৰ কি অৱস্থা হৈছে? অধ্যক্ষ মহোদয়, তেখেতৰ সমষ্টিৰ ধোদৰ আলিটোৰ অৱস্থা কি হৈ আছে...............(সদনত হুলস্থূল.........)

**শ্ৰী ৰূপজ্যোতি কুৰ্মী, (মৰিয়নী) ঃ** অখিল গগৈ ডাঙৰীয়া, আপুনি মাজত interfere নকৰিব, মই কৈছো আপুনি মাজত interfere নকৰিব। মই আপোনাৰ ওচৰত গৈ....... * ............ ----(সদনত হুলস্থূল.........)------

**শ্ৰী শ্বেৰমান আলী আহমেদ, (বাঘবৰ) ঃ** *............................

* Expunged as ordered by the Chair

**শ্ৰী ৰূপজ্যোতি কুৰ্মী, (মৰিয়নী) ঃ** শ্বেৰমান আলি ডাঙৰীয়া, মোৰ মাজত কথা নকব......মোৰ মাজত কথা নকব। আপুনি কওতে মই একো কোৱা নাছিলো।

**শ্ৰী শ্বেৰমান আলী আহমেদ, (বাঘবৰ) ঃ** Who are you to give me direction, Hon'ble Chair will give direction, আপুনি নোৱাৰে, Don't give me direction.

**(মাননীয় উপাধ্যক্ষ আসনত উপবিষ্ট হয়)**

**মাননীয় উপাধ্যক্ষ ঃ** Rupjyoty Kurmi,.......... Rupjyoty Kurmi, come back to your seat.

-----হুলস্থুল-------

Rupjyoty Kurmi, please sit down, Rupjyoty Kurmi, please sit down.

**শ্ৰী দেৱব্ৰত শইকীয়া, (বিৰোধী দলৰ দলপতি) ঃ** কেনেকুৱা কথা কৈছে ছাৰ, *.........। আমিটো তেনেকুৱা কথা নকও। সম্পত্তি এনেকৈ নষ্ট কৰে নেকি ছাৰ। ছাৰ, এইবিলাক কি শব্দ কৈ আছে? এই অশালীন শব্দবিলাক expunge কৰক।

--------হুলস্থুল---------

---

* Expunged as ordered by the Chair

**শ্ৰী শ্বেৰমান আলী আহমেদ, (বাঘবৰ) ঃ** তেখেতে মোক মাৰিবলৈ খেদি আহিছে। সদনত এনেকুৰা হ'ব নোৱাৰে।

**শ্ৰী অখিল গগৈ, (শিৱসাগৰ) ঃ** তেখেত expel হ'ব লাগে। শ্বেৰমান আলিক মাৰিম বুলি কৈছে। সদনত তেখেতে Leader of the Opposition ক মাৰিম বুলি কৈছে। এইটো হ'ব নোৱাৰে-

---হুলস্থুল---------

**শ্ৰী দেৱব্ৰত শইকীয়া, (বিৰোধী দলৰ দলপতি) ঃ** ছাৰ এনেকুৰা language , খেদাখেদি আগতে দেখা নাই ছাৰ........ এনেকৈ ছাৰ খেদি আহিব নাপায়। নিজৰ চকীৰ পৰা যি কয় কৈ থাকক।

**মাননীয় উপাধ্যক্ষ ঃ** আপোনালোক সকলোৱে বহক। ৰূপজ্যোতি কূৰ্মী বহক। যিবিলাক unparliamentary words কোৱা হৈছে সেই সকলোবোৰ expunge কৰা হ'ব আৰু এটা কথা - কোনো এগৰাকী সদস্যই কৈ থকা সময়ত আন এগৰাকী সদস্যই ..............

----হুলস্থুল---------

অখিল গগৈ ডাঙৰীয়া মই কথা কৈ আছো, মই কথা কৈ আছো.........................

ৰূপজ্যোতি কুৰ্মী plese behave yourself.

----হুলস্থুল---------

Rupjyoti Kurmi will you listen to me or not ?

**শ্ৰী দেৱব্ৰত শইকীয়া, (বিৰোধী দলৰ দলপতি) ঃ** ছাৰ, কিছুমানক বাহিৰ কৰি দিয়ক। এনেকৈ হ'লে কেনেকৈ হ'ব? সদনত কি ক'ব লাগে, সকলো সদস্যই জানিব লাগে। ----হুলস্থুল-

**শ্ৰী দুৰ্গা দাস বড়ো, (কলাইগাওঁ) ঃ** মাননীয় উপাধ্যক্ষ মহোদয়, মই য'ত তত কথা নকওঁ, কিন্তু এটা কথা কওঁ যে সদনৰ সদস্যৰ নিৰাপত্তাৰ দায়িত্ব আপোনালোকৰ। এই দায়িত্ব সুচাৰুৰূপে পালন কৰক।

**মাননীয় উপাধ্যক্ষ ঃ** যিবিলাক unparliamentary কথা কোৱা হৈছে সেই সকলোবোৰ expunge কৰা হ'ব। কথাবিলাক শুনক। এতিয়া আমাক ইয়াতে chairman দিয়া হৈছে চাৰি গৰাকীক। Speaker আৰু Deputy Speaker যদি নবহে chairman সকলক দিয়া হয়। তেখেতসকলৰ learning process, তেখেতসকলৰ যথাযুক্ত অভিজ্ঞতাটো নাই। আপোনালোকে সহায় কৰিব লাগিব আৰু এটা কথা, কোনোবা এগৰাকী সদস্যই যদি কথা কৈ থাকে, আপোনালোকে note কৰিব লাগে আৰু আপোনালোকে যেতিয়া turn পাব তেতিয়া সেইটোৰ ওপৰত counter দিয়ক। কাজিয়াটো ক'ৰ পৰা আৰম্ভ হয়, সেইটোৰ কাৰণে হয়। ৰূপজ্যোতি কূৰ্মী, আপুনি কোনো সদস্যক এনেকুৰা challenge কৰি যোৱাটো ঠিক নহয়। আপুনি তেনেকুৰা নকৰিব, এইটো পৰম্পৰা নহয়। সদনৰ যি মৰ্য্যাদা, সেইটো আপুনি বচাই ৰাখিব। আপোনালোককো কৈছো, ইয়াত আমি কাজিয়া কৰিব আহা নাই।

--------interruption-----

**শ্ৰী অখিল গগৈ, (শিৱসাগৰ) ঃ** ছাৰ, যিজন মানুহে মাৰিবলৈ আহিছে......আপুনি বুজাইহে আছে। আমি কথা ক'লে আপুনি আমাক expel কৰি দিয়ে। কিন্তু মাৰিবলৈ অহা মানুহজনক আপুনি এতিয়ালৈকে expel কৰা নাই।

**মাননীয় উপাধ্যক্ষ ঃ** যেতিয়া আপোনালোকে prompt কৰি থাকে, irritate কৰি থাকে----interruption---------

**শ্ৰী অখিল গগৈ, (শিৱসাগৰ) ঃ** ছাৰ, আমি কথা ক'লে আপুনি আমাক expel কৰি দিয়ে। কিন্তু আমাক মাৰিব অহা মানুহজনক আপুনি এতিয়াও expel কৰা নাই।

**মাননীয় উপাধ্যক্ষ ঃ** মই তেখেতক warning দিছো। -----interruption---------
**শ্ৰী অখিল গগৈ, (শিৱসাগৰ) ঃ** মাৰিব অহা মানুহক আপুনি warning হে দিছে।

**মাননীয় উপাধ্যক্ষ ঃ** তেখেতক সতৰ্ক কৰি দিয়া হৈছে।

**শ্ৰী ৰূপজ্যোতি কূৰ্মী, (মৰিয়নী) ঃ** মাননীয় উপাধ্যক্ষ মহোদয়, মই সুন্দৰকৈ বক্তব্য দাঙি ধৰিছিলো আৰু মোৰ বক্তব্যত তৃতীয় নম্বৰ আছিল শাসক পক্ষৰ। তাৰ আগতে বিৰোধী পক্ষৰ তিন জনে বক্তব্য ৰাখিছিলে। মই কাৰো মাজত interrupt কৰা নাই, কেলেই তেনেকৈ ক'ব বুলি। মই লিখি ৰাখিছো তেনেকুৱা point বোৰ আৰু মই point বোৰ লিখি পবিত্ৰ বিধান সভাৰ এজন সন্মানীয় সদস্যৰ মৰ্য্যাদা ৰক্ষা কৰিবলৈ যিখিনি নিয়ম, note কৰি ৰাখিব লাগে, মাজত interrupt কৰিব নালাগে, বিৰোধীক সুযোগ দিব লাগে ক'বলৈ, এইটো নুন্যতম জ্ঞান বহু বছৰে হ'ল মইও জানো। মই note কৰি ৰাখিছো, মই মাজত কাকো interrupt কৰা নাই আৰু মই note কৰি ৰাখি সেই বিষয়সমূহ বিষয়ে কৈছো, মই কাকো interrupt কৰা নাই।

মাননীয় উপাধ্যক্ষ মহোদয়, মই আপোনাৰ তথা সদনৰ ওচৰত ক্ষমা বিচাৰিছো, মই এনেকৈ উঠি যাব নালাগিছিল। কিন্তু মোৰ কথা কৈ থকাৰ মাজত এনেকুৱা interrupt কৰিব নালাগিছিল। আপোনাৰ যিটো পৰামৰ্শ, সেইটো সন্মানীয় সদস্যসকলে note কৰি ৰখাটো ভাল। Note কৰি ৰখাটো আপুনি ভাল পৰামৰ্শ দিছে। তেনেকৈ আমাৰ মাননীয় বিধায়ক সকলে কিবা ক'বলগা আছে, তেওঁলোকৰ কিবা পচন্দ নহ'ল বা গ্ৰহণযোগ্য নহ'ল।

**মাননীয় উপাধ্যক্ষ ঃ** You have apologised?

**শ্ৰী ৰূপজ্যোতি কূৰ্মী, (মৰিয়নী) ঃ** হয় ছাৰ, মই ক্ষমা বিচাৰিছো। দুই মিনিট মই ক'ব বিচাৰিম।

**মাননীয় উপাধ্যক্ষ ঃ** You may continue.

**শ্ৰী ৰূপজ্যোতি কূৰ্মী, (মৰিয়নী) ঃ** মাননীয় উপাধ্যক্ষ মহোদয়, আজি যদি আমি চাওঁ আহোম ৰজাৰ ধোদৰআলি, এইটো ঐতিহাসিক ধোদৰআলি। এই ধোদৰআলিৰ আজি নিৰ্মাণ কাৰ্য্য খুৱ

সুন্দৰৰূপে বালিঘাটৰ পৰা আৰম্ভ হৈছে। এইটো নাজিৰা সমষ্টি, আমগুৰি সমষ্টি আৰু মৰিয়নী সমষ্টি সংযোগী পথ। আবন্টন হোৱা এই ৰাস্তাৰ কাম চলি আছে, মাজত ৰৈ গ'ল, কিন্তু আশা ৰাখিছো আৰু আপোনাৰ যোগেদি মই চৰকাৰক অনুৰোধ জনাম যে এই পথটোৰ কাম যাতে সোনকালে হয়। প্ৰথম যিজন contractor আছিলে, তেওঁ কাম কৰিব নোৱাৰিলে, তেওঁক terminate কৰি দিয়া হ'ল। দ্বিতীয় পৰ্য্যায়ত, ইতিমধ্যে tender তিনিজন মানুহৰ পৰা পাইছে। খুৱ কম সময়ত ধোদৰআলি, নাজিৰা বালিঘাটৰ পৰা দৌলমুখ চাৰিআলিলৈকে মই কাম আৰম্ভ কৰিবলৈ আহ্বান জনাইছো। এইটো আনন্দৰ কথা, মই গৌৰৱেৰে কওঁ।

------interruption---------

**শ্ৰী অখিল গগৈ, (শিৱসাগৰ) ঃ** ছাৰ, আজি যদি action নলয়, ১০ মিনিটৰ কাৰণে মই সদন ত্যাগ কৰিছো। মাৰিব অহাৰ পিছত যদি আপুনি এইটো কৰে, ভৱিষ্যতে এইটো কেতিয়াও বিধান সভা হৈ নাথাকে। --------হুলস্থুল----------

**মাননীয় উপাধ্যক্ষ ঃ** House is adjourned for 10 minutes.

( After Adjourned the House Hon'ble Deputy Speaker on the Chair)

**মাননীয় উপাধ্যক্ষ ঃ** শ্ৰী ৰূপজ্যোতি কুৰ্মী ডাঙৰীয়া, আপুনি ১ মিনিটৰ ভিতৰত আপোনাৰ ক'ব লগীয়া খিনি সমাপ্ত কৰক ।

**শ্ৰী ৰূপজ্যোতি কুৰ্মী, (মৰিয়নী) ঃ** মাননীয় উপাধ্যক্ষ মহোদয়, মাননীয় মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মা ডাঙৰীয়াৰ নেতৃত্বত আমাৰ NDA চৰকাৰৰ সময়তে আমি এটা সুন্দৰ আদৰণীয় পদক্ষেপ দেখিবলৈ পালো। চাহ জনগোষ্ঠীয় লোক সকলৰ বাবে যিটো সন্মান আজিলৈকে আগৰ কোনো চৰকাৰেই এতিয়ালৈকে কৰা নাই। বৃটিছৰ সময়তো শোষণ, কংগ্ৰেছৰ এটা দীঘলীয়া সময়তো নহ'ল লগতে চাহ জনগোষ্ঠী সম্প্ৰদায়ৰ এজন বিধায়ক হোৱা হেতুকে মই বক্তব্য ৰাখোতে যদি অপমান কৰিছে, কোনোবাই নিজকে ৰজাঘৰীয়া বুলি ভাৰি ঝুমইৰ বিনন্দিনীক লৈ মনোৰঞ্জন কৰা বুলি কৈ চাহ জনগোষ্ঠীয় লোকক অপমান কৰিব বিচাৰিছে তেন্তে এইটো বৰ দুখৰ কথা। আজি বাগানৰ লাইনৰ ৰাস্তাত গৰু - ছাগলী, মানুহে একেলগে খোজ কাঢ়ি অহা- যোৱা কৰিছে। সেই গৰু - ছাগলী, মানুহে একেলগে খোজ কঢ়া ৰাস্তাক আজি পকা বনাই দিলে। কিন্তু মই ভাৱো মই একো বেয়া কথা কোৱা নাছিলো। মই মাননীয় মুখ্যমন্ত্ৰী ডাঙৰীয়াৰ যিটো ভাল কাম, NDA চৰকাৰৰ যিটো ভাল কাম তাত শলাগ লৈছিলো। মাননীয় উপাধ্যক্ষ মহোদয়, মই প্ৰাৰ্থনা কৰি ভগৱানক অনুৰোধ জনাইছিলো যে এই চৰকাৰ যুগ যুগ ধৰি থাকক। আজি মই চাহ জনজাতীয় সম্প্ৰদায়ৰ বিধায়ক হোৱা হেতুকে ধোঁদৰ আলিৰ প্ৰসংগ যিটো প্ৰাক্তন মুখ্যমন্ত্ৰী প্ৰয়াত হিতেশ্বৰ শইকীয়া ডাঙৰীয়াৰ নাজিৰাৰ ঘৰৰ কাযেৰে গৈছে, কিন্তু তেওঁ এই ধোঁদৰ আলিৰ বিষয়ে একোৱেই নকৰিলে। আজি আমাৰ মাননীয় মুখ্যমন্ত্ৰী ডাঙৰীয়াই অসম মালাত তাত তিনি লেন যুক্ত ৰাস্তা নিৰ্মান কৰিব লৈছে বুলি কোৱাটো কিনো বেয়া কথা কলো। এই কথাত মই খুব দুখ পাইছো আৰু যিটো কৰ্তন প্ৰস্তাৱ আনিছে তাত সম্পূৰ্ণ বিৰোধিতা কৰিছো আৰু যিটো adjourment আনিছিল তাত হয়টো মই উঠি যাব নালাগিছিল তাৰ বাবে পুনৰ বাৰ আপোনাৰ ওচৰত তথা সদনৰ ওচৰত ক্ষমা বিচাৰিছো লগতে আপোনাৰ যিটো পৰামৰ্শ সেই পৰামৰ্শটো আপোনাৰ জৰিয়তে মই সদনৰ সকলো সদস্যক কলম-কাগজ লৈ নিজ নিজ আসনত লিখি ৰাখিবলৈ আৰু সদস্যই কথা কওঁতে interrupt নকৰিবলৈ আহ্বান জনাইছো। ধন্যবাদ।

মাননীয় উপাধ্যক্ষ ঃ সকলো সদস্যলৈ মোৰ অনুৰোধ থাকিল যাতে সম্পূৰ্ণ সংযম ৰাখি সদনত বক্তব্য ৰাখে আৰু সদনৰ গৰিমা যাতে বজাই ৰাখে। এতিয়া, Hon'ble Member Jakir Hussain Sikdar.

**শ্ৰী জাকিৰ হুছেইন সিকদাৰ, (সৰুক্ষেত্ৰী) ঃ** মাননীয় উপাধ্যক্ষ ডাঙৰীয়া, আমাৰ মাননীয় বিৰোধী দলৰ দলপতি ডাঙৰীয়াই যি কৰ্তন প্ৰস্তাৱ আনিছে তাৰ সমৰ্থনত দু -আষাৰ ক'বলৈ ওলাইছো। এখন গাঁৱৰ এটা অঞ্চল, বা এখন জিলা বা ৰাজ্য তেতিয়া উন্নতিৰ পথলৈ যাব যেতিয়া ১০০% যাতায়াতৰ ব্যৱস্থা উন্নত হ'ব। যাতায়াতৰ ব্যৱস্থা ব্যাহত হ'লে নিশ্চিত ভাৱে সেই অঞ্চল বা এলেকা কেতিয়াও উন্নত হ'ব নোৱাৰে। যিহেতু সময় কম গতিকে খুব সংক্ষেপে কেইটামান কথা ক'ব বিচাৰিছো। ৰাজ্য চৰকাৰে ঘোষণা কৰিছিল যে অসমত এখনো কাঠৰ দলং নাথাকে, সকলো দলং পকীকৰণ কৰা হ'ব। কিন্তু আজিৰ তাৰিখ পৰ্য্যন্ত অসমত কাঠ আৰু বাঁহৰ বহু দলং আছে আৰু মই প্ৰতিনিধিত্ব কৰা সমষ্টিটোত আজিৰ তাৰিখত ২০ খন কাঠৰ দলং আৰু ৩০ ৰপৰা ৩৫ খন বাঁহৰ দলং এতিয়াও আছে। এই দলং সমূহ যেতিয়ালৈকে পকীকৰণ কৰা নহ'ব তেতিয়ালৈকে বছৰে বছৰে কাঠৰ দলং সমূহ মেৰামতি কৰা নহয় আৰু সদায় পথ বন্ধ বুলি লোকনিৰ্মান বিভাগৰ পৰা এখন চাইনবোৰ্ড দিয়া যায় যে তাত মানুহে চলাচল কৰিব নোৱাৰে। দলং এখন নথকাৰ কাৰণে এখন ঠাইত যাবলৈ যদি ৫ মিনিট সময়ৰ প্ৰয়োজন তাত ২ ৰপৰা ৩ ঘন্টা সময় অপচয় হয়। গতিকে ৰাজ্য চৰকাৰৰ ঘোষণা অনুসৰি কাঠৰ দলঙৰ পৰিৱৰ্তে পকী দলঙৰ যি প্ৰতিশ্ৰুতি দিছিল সেই প্ৰতিশ্ৰুতি কেতিয়া পালন কৰিব, আপোনাৰ জৰিয়তে মই চৰকাৰ খনলৈ প্ৰশ্ন কৰিব খুজিছো আৰু জানিব বিচাৰিছো। উপাধ্যক্ষ ডাঙৰীয়া, নামনি অঞ্চলৰ লগত অসমৰ আন আন অঞ্চলৰ তুলনা কৰিলে বিভিন্ন ক্ষেত্ৰত যথেষ্ট তাৰতম্য দেখিবলৈ পোৱা যায়। আমাৰ নামনী অসমত বিশেষকৈ মই প্ৰতিনিধিত্ব কৰা বৰপেটা জিলা খনত, পাকাবেতবাৰী সমষ্টিত বা সৰুক্ষেত্ৰী সমষ্টিত বছৰত তিনি - চাৰি বাৰকৈ বানপানী আহে আৰু বানপানী হোৱাৰ লগে লগে ৰাস্তাৰ ওপৰেৰে সেই পানী বৈ যোৱাৰ ফলত ৰাস্তাবোৰ যথেষ্ট ক্ষতি সাধন হয়। আপোনাৰ লগতে ৰাজ্য চৰকাৰো অৱগত যে ভূটানৰ নদী বান্ধৰ পানী এৰি দিয়াৰ লগে লগে এক মুহূৰ্তৰ ভিতৰতে বা ৰাতিৰ ভিতৰতে সেই পানী আহি অসমৰ বৰপেটা, বঙাইগাঁও, নলবাৰী, চিৰাং, বাক্সা আদি জিলা সমূহ বুৰাই পেলাই ৰাস্তা-ঘাটৰ ক্ষতি সাধন কৰাৰ লগতে বহু দলং উটুৱাই লৈ যায়। তেনেধৰণৰ উদাহৰণ বিভাগৰ হাতত বহুত আছে বা আমাৰ সংবাদ মাধ্যমৰ জৰিয়তে বহু বাতৰি প্ৰকাশিত হৈছে। গতিকে যেতিয়া ৰাজ্য চৰকাৰ বা লোকনিৰ্মান বিভাগে কোনো এটা ৰাস্তাৰ কাৰণে ধনৰ আৱন্টন কৰে ৰাস্তাৰ কাৰণে যেতিয়া Model Estimate বনায়, যেতিয়া উজনিৰ এটা সমষ্টিৰ কাৰণে যদি ৭০ লাখ টকা দিয়ে, একেই নামনি অসমৰ বা বৰপেটা জিলাৰ কোনো এটা ৰাস্তাৰ বাবে যদি ৭০ লাখ দিয়ে তেতিয়া সেই টকাৰে কেতিয়াও তাত এক কিমি. ৰাস্তা কৰিব নোৱাৰি। কিন্তু যেতিয়া বিভাগক বা উৰ্দ্ধতন কৰ্তৃপক্ষই যেতিয়া Model Estimate বনাব লাগে বুলি আৰু ইমান খিনি টকা ধৰা বুলি কৈ দিয়ে তেতিয়া তাত ৰাস্তা- ঘাট বনাবলৈ যথেষ্ট অসুবিধা হয়। যাৰ কাৰণে যেতিয়া লোকনিৰ্মান বিভাগৰ জৰিয়তে বিভিন্ন সমষ্টিলৈ বা বিভিন্ন Division লৈ যেতিয়া টকা সমূহ আৱন্টন দিয়া হয়, তেতিয়া বানপানী প্ৰৱণ এলেকা সমূহ বা বানপানীত ক্ষতিগ্ৰস্ত এলেকাসমূহৰ কাৰণে এই বিভাগে টকা বেছিকৈ আৱন্টন দিব লাগে। কিন্তু আমি দেখা পাওঁ যে যিসমূহ অঞ্চলৰ ৰাস্তা-ঘাট বেছিকৈ ক্ষতিগ্ৰস্ত হয় সেই সমূহৰ তুলনাত আন অঞ্চল সমূহত বেছিকৈ টকা দিয়ে। ক'ৰবাত টকা বেছি দিছে তাত ক'বলৈ আমাৰ কোনো আপত্তি নাই কিন্তু আমাৰ এলেকা সমূহত

লোকনিৰ্মান বিভাগে যাতে টকা অলপ বেছিকৈ আৱণ্টন দিয়ে, টকা-পইছা এই অনুপাতত আৱণ্টন দিয়ে যি অনুপাতত যি টকাৰে সেই অঞ্চলৰ ৰাস্তা-ঘাট ভালকৈ নিৰ্মান কৰিব পাৰে তাৰ কাৰণে যাতে বিভাগে চকু ৰাখে সেইটো মই বিভাগলৈ আহ্বান জনাইছো। উপাধ্যক্ষ ডাঙৰীয়া, সাধাৰণতে দেখা যায় যে যেতিয়া লোকনিৰ্মান বিভাগে এটা ৰাস্তা নিৰ্মান কৰে তাত কেইবাটাও সমস্যা আহি যায়। নতুনকৈ যি জলজীৱন আঁচনিৰ কাম চলি আছে সেই জলজীৱন আঁচনিৰ কাম কৰোতে ৰাস্তাৰ দুয়োটা কাষেৰে যেতিয়া পাইপ লাইন সমূহ লৈ যায়, তেতিয়া এই বিভগৰ লগত কোনো ধৰণৰ বুজাবুজি নকৰাকৈ পাইপলাইন বোৰ লৈ যায়, গাঁত সমূহ খান্দি দিয়ে আৰু গাঁত সমূহ খান্দি দিয়াৰ লগে লগে যেতিয়া বৰষুণ আহে তেতিয়া ৰাস্তাবোৰ ভাঙি-চিঙি যায় আৰু সেই সময়ত লোকনিৰ্মান বিভাগৰ হাতত টকা নাথাকে। জলজীৱন বা PHE বিভাগেও কয় যে আমি এই কাম কৰিব নোৱাৰো। ঠিক তেনেকৈ শক্তি বিভাগে যেতিয়া electric post কৰে, pole বোৰ যেতিয়া ৰাস্তাৰ মাজত বহাই আৰু ৰাস্তাৰ কাম যেতিয়া কৰিব লগীয়া হয়, তেতিয়া ঠিকাদাৰ যিজনে আৱণ্টন পাই তেওঁ কয়, আপুনি pole বোৰ বেলেগত লৈ যাওঁক। তাত লোকনিৰ্মান বিভাগৰ estimate ত কোনো ধৰণৰ টকা- পইছা নাথাকে। ইফালে শক্তি বিভাগে কয়, আমি সেইখিনি কৰিব নোৱাৰো। গতিকে আপোনাৰ জৰিয়তে বিভাগৰ প্ৰতি আৰু মাননীয় বিভাগীয় মন্ত্ৰী মহোদয়ৰ প্ৰতি আহ্বান জনাম যে PWD, Power and PHE Department ৰ লগত এটা বুজাবুজি কৰিব লাগে যাতে ৰাইজে জ্বলা- যন্ত্ৰণা খাব নালাগে। উপাধ্যক্ষ ডাঙৰীয়া মই আপোনাৰ জৰিয়তে মাননীয় মন্ত্ৰী ডাঙৰীয়াক এটা অনুৰোধ জনাম যে আহি থকা সময় খিনিত আমাৰ অসমৰ প্ৰতিটো কেঁচা ৰাস্তা যাতে পকীকৰণ কৰা হয় তাৰ কাৰণে ব্যৱস্থা লওঁক।**তাৰ বাবে মই অনুৰোধ জনাইছো । মই প্ৰতিনিধিত্ব কৰা সমষ্টিটোৰ পহুমাৰা, কালদিয়া, টিহু, বুঢ়াদিয়া, বেঁকী এই যিখিনি নদী আছে - এই নদীসমূহত যিধৰনে দলঙৰ ব্যৱস্থা থাকিব লাগে , এই নদীসমূহৰ পাৰত লাগি থকা ৰাস্তাসমূহক যিধৰণে প্ৰটেকশ্যন দিব লাগে অতি সোনকালে ৰাজ্যচৰকাৰে প্ৰয়োজনীয় চাৰ্ভে কৰি যাতে বিহীত ব্যৱস্থা লয় তাৰ বাবে মই অনুৰোধ জনাই মোৰ বক্তব্য সামৰণি মাৰিলো ।**

**মাননীয় উপাধ্যক্ষ ঃ** ধন্যবাদ... এতিয়া অজয় কুমাৰ ৰায় ।

**শ্ৰীঅজয় কুমাৰ ৰায়, (বিজনী) ঃ মাননীয় উপাধ্যক্ষ মহোদয়, আজি পি ডব্লিউ ডি ডিপাৰ্টমেন্টৰ ওপৰত বিৰোধী দলে অনা কৰ্ত্তণ প্ৰস্তাৱৰ বিৰোধিতা কৰি মই মোৰ বক্তব্য আগবঢ়াবলৈ বিচাৰিছো। উপাধ্যক্ষ মহোদয় ইতিমধ্যে বহু কেইগৰাকী বিৰোধী দলৰ সন্মানীয় সদস্যই বক্তব্য প্ৰদান কৰিলে- এই বক্তব্যত প্ৰতিজন বক্তাৰ মুখেৰে এটা কথা ওলাইছে যে যিটো উন্নয়ন, আচলতে, তেওঁলোকৰ সমষ্টিত এই উন্নয়নৰ প্ৰয়োজন আছে। সকলোকে পি ডব্লিউ ডি ডিপাৰ্টমেন্টৰ আঁচনি বা টকা লাগে। এই কথাটো তেওঁলোকৰ বক্তব্যৰ মাজেৰে ওলাইছে । কিন্তু তাৰ পিচতো তেওঁলোকে কৈছে যে, কৰ্ত্তণ প্ৰস্তাৱৰ জৰিয়তে টকা হ্ৰাস কৰিব লাগে । গতিকে এনে ক্ষেত্ৰত তেখেতসকলে কি হিচাপত টকা বিচাৰিছে - মই সন্মানীয় সদস্যসকলক ক'ব বিচাৰিছো যে তেওঁলোকে কৰ্ত্তন প্ৰস্তাৱ আনে কিন্তু আনহাতে পইচাটোও বিচাৰে ।**

**মাননীয় উপাধ্যক্ষ ঃ** বিৰোধীৰ প্ৰশ্নৰ উত্তৰ মন্ত্ৰী ডাঙৰীয়াই দিব । আপুনি আপোনাৰ বক্তব্য আগবঢ়াওক।

**শ্ৰীজাকিৰ হুছেইন সিকদাৰ, (সৰুক্ষেত্ৰী) ঃ** মাননীয় সদস্যগৰাকীয়ে ৰুলচ এণ্ড প্ৰচিডিওৰ খন পঢ়িলে ভাল। কৰ্ত্তন প্ৰস্তাৱটো কিহৰ কাৰণে আনিব লগা হয় জানিব লাগিব।

**মাননীয় উপাধ্যক্ষ ঃ** মাননীয় সদস্যগৰাকী নতুন । আপুনি পুৰনি হৈছে , আপুনি জানে । হ'ব,

ক'বলৈ দিয়ক ।

**শ্ৰীঅজয় কুমাৰ ৰায়, (বিজনী) ঃ** মই কথাটোহে ক'লো, ঠিক আছে উপাধ্যক্ষ মহোদয় । উপাধ্যক্ষ মহোদয়, আমি যদি পি ডব্লিউ ডি ডিপাৰ্টমেন্টৰ কথা কওঁ যে আমাৰ অসমখন বা আমাৰ দেশ খনৰ আটাইতকৈ প্ৰয়োজনীয় বস্তুটো হ'ল ৰাস্তা-ঘাট । আমাৰ মাননীয় মুখ্যমন্ত্ৰী মহোদয়ৰ যিটো সপোন যে আমাৰ ৰাজ্যখনক ভাৰতৰ শ্ৰেষ্ঠ ৫ খন ৰাজ্যৰ এখন বনাব লাগিব, তেনেক্ষেত্ৰত অসমখনক অৰ্থনৈতিকভাৱে , সামাজিকভাৱে , সাংস্কৃতিকভাৱে, শৈক্ষিকভাৱে আমি অসমখনক আগবঢ়াই লৈ যাব লাগিব । তেতিয়াহ'লে উপাধ্যক্ষ মহোদয়, এই ক্ষেত্ৰত আমাৰ প্ৰতিজন সদস্য- সদস্যাৰ সমষ্টিত উন্নয়নৰ প্ৰয়োজন আছে বুলি মই ভাবো । কাৰণ যোগাযোগ ব্যৱস্থা যদি সূচল নহয় তেন্তে কেতিয়াও আমাৰ অসমখন ভাৰতবৰ্ষৰ - ৫ খন শ্ৰেষ্ঠ ৰাজ্যৰ ভিতৰত এখন ৰাজ্য হ'ব নোৱাৰে । মাননীয় মুখ্যমন্ত্ৰী ডাঙৰীয়াৰ যিটো সপোন , এই সপোন পুৰণ কৰাৰ কাৰণে এইবাৰ বাজেটত যথেষ্ট টকাৰ প্ৰয়োজন আছিল আৰু এই ক্ষেত্ৰত মাননীয় মুখ্যমন্ত্ৰী ডাঙৰীয়া আৰু বিত্ত মন্ত্ৰী ডাঙৰীয়ানীয়ে এই বাজেটত টকাখিনি দিবলৈ সক্ষম হৈছে । মোৰ সমষ্টিৰ কথা যদি কওঁ , মই যেতিয়া কলেজত গৈছিলো , মোৰ ঘৰৰ পৰা কলেজ যথেষ্ট দুৰত আছিলে, চাইকেল লৈ কলেজ যাব লগা হৈছিল । বিশেষকৈ বাৰিষাৰ দিনত অতি বেয়া ৰাস্তাৰ কাৰণে সেই ৰাস্তাৰে গৈ মই কেতিয়াও সঠিক সময়ত স্কুল বা কলেজত উপস্থিত হ'ব পৰা নাছিলো আৰু তাৰ কাৰনে মই কলেজৰ প্ৰথম পিৰিয়ডৰ ক্লাচটো কেতিয়াও কৰিবলৈ সক্ষম হোৱা নাছিলো । কিন্তু আমাৰ অসমত বিজেপি চৰকাৰ হোৱাৰ পিচত মাননীয় সৰ্বানন্দ সোণোৱাল ডাঙৰীয়াৰ মুখ্যমন্ত্ৰী হোৱা কালছোৱাৰ পৰা আজিৰ মাননীয় ডঃ হিমন্ত বিশ্ব শৰ্মা মহোদয়ৰ চৰকাৰৰ দিনত, আমাৰ তাৰ একেবাৰে পিছপৰা অঞ্চলটোত- একেবাৰে সৰু সৰু ৰাস্তা ৰ পৰা আৰম্ভ কৰি ডাঙৰ ৰাস্তালৈকে সকলোখিনি ৰাস্তা এতিয়া হৈ গ'ল আৰু কিছুমানৰ কাম পূৰ্ণ গতিত চলি আছে । তাত এতিয়া যথেষ্ট ৰাস্তা হৈছে আৰু সেই ৰাস্তা হোৱা হেতুকে আগতে স্কুল কলেজত উপস্থিত হ'বলৈ য'ত ২-৩ ঘন্টা লাগিছিল এতিয়া মাত্ৰ ২০-২৫ মিনিটতে স্কুল - কলেজত উপস্থিত হ'বলৈ আমি সক্ষম হৈছো বা আমাৰ ছাত্ৰ ছাত্ৰীখিনি সক্ষম হৈছে । উপাধ্যক্ষ মহোদয়, মোৰ সমষ্টিত প্ৰায় ৭১ কোটি টকাৰে এটা অসম মালাৰ ৰাস্তা নিৰ্মাণ হৈ আছে আমি আৰ আই ডি এফৰো ভালে কেইটা ৰাস্তা কৰিবলৈ সক্ষম হৈছো । সমষ্টি বিলাকৰৰ ৰাস্তা- ঘাটৰ ক্ষেত্ৰত যিখিনি প্ৰয়োজনীয়তা সেই ক্ষেত্ৰত আমি আগবাঢ়ি যাবলৈ যদিও সক্ষম হৈছো তথাপিও আমাৰ বহুতো কৰিবলগীয়া আছে । আৰু সেইক্ষেত্ৰত আমাক আৰু অধিক পুঁজিৰ প্ৰয়োজন হ'ব । মাননীয় মুখ্যমন্ত্ৰী ডাঙৰীয়াই আমাৰ বিটিআৰ অঞ্চলৰ বাবে , বিটিআৰ চৰকাৰলৈ যথেষ্ট পুঁজি আগবঢ়াইছে । তেনেক্ষেত্ৰত আৰ আই ডি এফ আঁচনিৰ জৰিয়তে আমি প্ৰায় ৭০২ কি.মি ৰাস্তা ইতিমধ্যে বিটিআৰ অঞ্চলত সম্পূৰ্ণ কৰিব পাৰিছো । বিটিআৰ অঞ্চলত আগৰ চৰকাৰৰ দিনত এই ৰাস্তা ঘাটবিলাক অচল অৱস্থাত আছিল কিন্তু যেতিয়া আমাৰ বিজেপি চৰকাৰ আহিলে তেতিয়া আমাৰ এই ৰাস্তা ঘাটবিলাক সম্পুৰ্ণ হৈ সূচল অৱস্থালৈ ৰূপান্তৰ হৈছে । প্ৰশাসনিক দিশৰ পৰাও আমি যথেষ্ট সহায় পাবলৈ সক্ষম হৈছো । এই গাওঁ অঞ্চলবিলাকত এটা সময়ত ৰাস্তা ঘাটৰ বাবে স্কুল কলেজত যোৱাৰ পৰা লৰা ছোৱালী বঞ্চিত হৈ থাকিব লগা হৈছিল কিন্তু এতিয়া আমি ক'বলৈ গৌৰৱ অনুভৱ কৰো বিশেষকৈ আমাৰ চিৰাং জিলাত বিগত দুটা বছৰ ধৰি মাধ্যমিক পৰীক্ষাৰ যিটো ৰিজাল্ট সেইটো অসমৰ ভিতৰতে শ্ৰেষ্ঠ ৰিজাল্ট কৰিবলৈ সক্ষম হৈছে । আজি আমাৰ ইয়াত পি ডব্লিউ ডি ডিপাৰ্টমেন্ট আছে - এই বিভাগটো নোহোৱা হ'লে আমাৰ স্কুল - কলেজৰ লগতে অন্যান্য যাতায়ত ব্যৱস্থা সূচল নহ'লহেতেঁন

**আৰু আমাৰ যুৱ প্ৰজন্মই আজি যিটো শিক্ষা পাইছে তাৰ পৰা হয়তো বঞ্চিত হৈ থাকিবলগা হ'লহেতেঁন । উপাধ্যক্ষ মহোদয়, মই যিটো অঞ্চলত আছো তাত যথেষ্ট কৃষি জীৱি মানুহ আছে আৰু কৃষি ক্ষেত্ৰৰ উৎপাদন আমি গুৱাহাটীৰ বজাৰখনত আনিবলৈ , আমাৰ কৃষকসকলে ৩-৪ ঘন্টাৰ ভিতৰতে এতিয়া গুৱাহাটীলৈ আহিব পাৰে । বিশেষকৈ শাক পাঁচলি - কেঁচামাল ইত্যাদি গুৱাহাটীৰ বজাৰখনত বিক্ৰি কৰিবলৈ আমাৰ তাৰ কৃষকসকল সক্ষম হৈছে । যেতিয়া আমাৰ তাত ৰাস্তা ঘাট সুচল নাছিল তেতিয়া প্ৰায় গুৱাহাটী আহিবলৈ ৫-৬ ঘন্টা সময় লাগিছিল । ৰাস্তা ঘাটৰ অতি শোচনীয় অৱস্থাৰ বাবে সেই সময়ত গাড়ী ঘোৰাৰ ব্যৱস্থাও নাছিল । কিন্তু আজিৰ দিনত ৰাস্তা ঘাট যথেষ্ট উন্নত হ'ল আৰু আমাৰ কৃষিজীৱি কৃষকসকলেও অৰ্থনৈতিৰভাৱে যথেষ্ট স্বাৱলম্বী হ'ব পাৰিছে । উপাধ্যক্ষ মহোদয়, ৰাস্তা ঘাটকে ধৰি ফ্লাই অভাৰ নিৰ্মাণ কৰাৰ ক্ষেত্ৰত আমাৰ মাননীয় মুখ্যমন্ত্ৰী ডাঙৰীয়াৰ যিটো ভূমিকা তাক আমি অসমবাসীয়ে শলাগ ল'বই লাগিব । গতিকে আজি আমি পি ডব্লিউ ডি , এন এইচকে ধৰি মাননীয় মুখ্যমন্ত্ৰী ডাঙৰীয়াকো আমি ধন্যবাদ আৰু কৃতজ্ঞতা নিশ্চয় জনাব লাগিব । তেখেতৰ নেতৃত্বত আজি অসমৰ প্ৰতিখন জিলাৰ প্ৰতিটো অঞ্চল আৰু গাওঁৰে -ভূঁইয়ে ৰাস্তা ঘাট নিৰ্মাণ কৰি, বাট পথ সুচল অৱস্থালৈ আনি আজি তেখেতে গাওঁ আৰু চহৰৰ মাজত যিটো দূৰত্ব সেইটো নিশ্চয় কমাবলৈ সক্ষম হৈছে ।** গুৱাহাটী আৰু শিলচৰ মাজৰ ৰাস্তা আৰু কাজিৰঙাৰ Animal corridor, মৰিগাওঁৰ দলং, ব্ৰহ্মপুত্ৰ নদীৰ ওপৰত দলং আৰু কামাখ্যা ৰেল ষ্টেচনৰ পৰা ব্যৱস্থা আৰু কেন্দ্ৰীয় চৰকাৰে ৰাষ্ট্ৰীয় ঘাইপথ উন্নয়নৰ বাবে যি ব্যৱস্থা লৈছে আৰু নীতিন গাডকাৰী ডাঙৰীয়াই কৈছে যে অসমৰ ৰাস্তা আমেৰিকাৰ নিচিনা হ'ব। গতিকে আমি যদি মুখ্যমন্ত্ৰী ডাঙৰীয়াৰ নেতৃত্ব আৰু সবল কৰিব বিচাৰো তেতিয়া হ'লে আমি বিৰোধী আৰু শাসক সকলে মিলি মুখ্যমন্ত্ৰী ডাঙৰীয়াৰ শলাগ লব লগিব।

**মাননীয় উপাধ্যক্ষ** ঃ আপুনি শেষ কৰক।

**শ্ৰী অজয় কুমাৰ ৰায়, (বিজনী)** ঃ সেইহে উপাধ্যক্ষ মহোদয়, অসম খনক অৰ্থনৈতিক, শৈক্ষিক আৰু সামাজিক ক্ষেত্ৰত উন্নয়ন কৰিবলৈ হলে আমি মুখ্যমন্ত্ৰীৰ হাত শক্তিশালী কৰিব লাগিব। তেতিয়াহে আমি ভাৰতৰ ৫ খন উন্নত ৰাজ্যৰ ভিতৰত থাকিব পাৰিম। গতিকে মই বিৰোধীৰ কৰ্তণ প্ৰস্তাৱৰ বিৰোধীতা কৰি মই সামৰিছো।

**মাননীয় উপাধ্যক্ষ** ঃ এতিয়া শ্ৰী আব্দুৰ ৰহিম আহমেদ। তেখেত যিহেতু অনুপস্থিত এতিয়া ড০ অমিয় কুমাৰ ভূঞা।

**ড° অমিয় কুমাৰ ভূঞা, (বিহপুৰীয়া)** ঃ মাননীয় উপাধ্যক্ষ মহোদয়, লোকনিৰ্মান বিভাগ ( পথ) ৬৪ নং দাবী মঞ্জুৰি প্ৰস্তাৱৰ সমৰ্থনত আৰু বিৰোধীয়ে অনা কৰ্তন প্ৰস্তাৱৰ বিৰোধিতা কৰি মই দুআষাৰ ক'ব বিচাৰিছো। পথ উন্নয়ন আৰু যাতায়তৰ উন্নয়নৰ ফলত হোৱা পৰিৱৰ্তনৰ ছবি খন আমি ভালকৈ দেখা পাইছো। আজিৰ পৰা ৯ বছৰ আগতে আমাৰ ৰাজ্য খনৰ পথৰ যিটো অৱস্থা আছিল এতিয়া পথৰ যি উন্নয়ন হৈছে তাক আমি কল্পনা কৰিব নোৱাৰো। আৰু এইটো সম্ভৱ হৈছে আমাৰ প্ৰয়াত ভাৰত ৰত্ন অটল বিহাৰী বাজপেয়ী ডাঙৰীয়াৰ গ্ৰাম্য পথ উন্নীতকৰণৰ যি গ্ৰাম চড়ক যোজনাৰ আৰম্ভ কৰিছিল সেইটোয়ে আমাৰ গ্ৰাম্য পথৰ চেহেৰা সলনি কৰি দিছিল। যোগাযোগ সুচল কৰাৰ ক্ষেত্ৰত, যাতায়াত সুচল কৰাৰ ক্ষেত্ৰত আমাৰ বিজেপি মিত্ৰজোটৰ এক অগ্ৰাধিকাৰ আছে। তাৰ ফলত ২০২৫-২৬ বৰ্ষত ১০,৫২৭ কোটি টকাৰ এক মঞ্জুৰী দিয়া হৈছে কাৰণ ৰাজ্যখনৰ যাতে পথ আৰু যোগাযোগ ব্যৱস্থা উন্নত কৰিব পাৰো। যাৰ ফলত আমি অসমমালাৰ অধীনত আমি পথ নিৰ্মাণৰ সুযোগ পাইছো, ই গ্ৰাম্য পথেই হওঁক বা নগৰীয়া পথে হওক যাৰ ফলত উন্নতি

কৰিবৰ বাবে সুযোগ পাইছো। আমি যদি আমাৰ সমষ্টিৰ বিষয়ে চাও তেতিয়া হ'লে দেখা পাম যে এতিয়া লৈকে আমি ৮৫ শতাংশ পথ সুচল কৰিব পাৰিছো। মোৰ বিহপুৰীয়া সমষ্টিত ৯৫ শতাংশলৈ যাব পাৰিম। এতিয়া আমি বিহপুৰীয়া মাজুলি সংযোগী উপদলংৰ কাম কৰি আছো। আৰু নতুন কৈ একেলগে ১৪ খন পকী দলং কৰাৰ সুযোগ পাইছো। এইক্ষেত্ৰত অৰ্থাৎ দলংৰ ক্ষেত্ৰত মোৰ সমষ্টিত দুটা অতি স্পৰ্শকাতৰ ঠাই আছে গতিকে মই মুখ্যমন্ত্ৰী ডাঙৰীয়াৰ লগতে লোকনিৰ্মান বিভাগৰ মন্ত্ৰীক মই অনুৰোধ কৰিব বিচাৰিছো যে দুপাং নদীৰ ওপৰত আৰু বুঢ়া-বুঢ়ী পৰনিখাতত এখন দলং অতিকে জৰুৰী গতিকে তাত এখন দলং হোৱাটো বিচাৰিছো। ইয়াৰ লগতে আউনীআটি , ৰঙতী, মাহকুমা, আৰু দলখোৱা আদিৰ ওপৰত দলং বিচাৰিছো কাৰণ যাৰ ফলত এখন গাওঁ অন্যান্য অঞ্চলৰ পৰা সম্পূৰ্ণ বিছিন্ন হৈ থাকে গতিকে তাত পকী দলং হোৱাটো বিচাৰিছো। আৰু মোৰ সমষ্টিৰ ২ পৌৰসভা ক্ৰমে নাৰায়নপুৰ আৰু বিহপুৰীয়া তাত দুখন উৰণীয়া সেতুৰ অতিকে আবশ্যক। আৰু মই এইখিনি পাম বুলি আশা কৰিছো। এটা সময়ত আমাৰ অসমৰ দক্ষিণ পাৰ আৰু উত্তৰ পাৰ বিছিন্ন হৈ আছিলো, কিন্তু বগীবিল দলং হোৱাৰ পিছত আজি উত্তৰ পাৰ আৰু দক্ষিণ পাৰৰ মাজত যাতায়াত ব্যৱস্থা সুচল হৈছে। আৰু এইবোৰ সম্ভৱ হৈছে মাননীয় মুখ্যমন্ত্ৰী ডাঙৰীয়াৰ দূৰদৰ্শী চিন্তাৰ বাবে। ইয়াৰোপৰি মাননীয় মুখ্যমন্ত্ৰী মহোদয়ে মথাউৰিৰ ওপৰত পকী পথ নিৰ্মানৰ যি ব্যৱস্থা লৈছে যাৰ ফলত আমি এখন বানমুক্ত অসম আশা কৰাৰ লগতে যাতায়াতৰ দূৰত্ব বহুখিনি কমি গৈছে। আজি পথাৰৰ পথ পকী হৈছে, গ্ৰাম্য পথ পকী হৈছে যাৰ ফলত ৰাজ্যখনৰ যাতায়াতৰ আন্তঃগাঠনি উন্নয়ন হোৱাৰ বাবে বিনিয়োগৰ পথ সূচল হৈছে। যাৰ ফলত দেশ বিদেশৰ বিনিয়োগকাৰী সকল অসমলৈ আহিছে। যাৰ ফলত আমি আজি ৫ লাখ ৯১ হাজাৰ ৪ শ কোটি টকাৰ বিনিয়োগৰ বুজা বুজিৰ চুক্তি হৈছে। আৰু এই বিনিয়োগ সফল কৰাৰ বাবে আমি সকলোৱে সহায়ৰ হাত আগবঢ়োৱাৰ প্ৰয়োজন আছে। আৰু ইয়াক যদি সফল কৰি তুলিব পাৰো তেতিয়া হলে আমি ২.৫ লাখক আমি সংস্থাপন দিব পাৰিম। আজি উৰণীয়া সেতু নিৰ্মাণ কৰাৰ বাবে যাতায়াত ব্যৱস্থা সুচল হৈছে আৰু দূৰত্ব বহুত কমি আহিছে। আগতে আমি বিহপুৰীয়া সমষ্টিৰ পৰা গুৱাহাটীলৈ আহিবলৈ হলে ৬ ঘন্টা সময় লাগিছিল এতিয়া ৪ ঘন্টা বা চাৰে ৪ ঘন্টাত গুৱাহাটী পাওঁ। গতিকে মই ভাৱো যে লোকনিৰ্মাণ বিভাগে পথ আৰু দলংৰ নামত যি ১০ হাজাৰ ৫২৭ কোটি টকা মঞ্জুৰি বিচাৰিছে মই আৰু তাত অধিক পুঁজি দিয়াৰ বাবে মুখ্যমন্ত্ৰী মহোদয়ক অনুৰোধ কৰিছো যাতে আমি আৰু অধিক পথ আৰু দলং নিৰ্মান কৰিব পাৰো। আমি অতিকৈ আনন্দিত যে গুৱাহাটীত ৰিং ৰোড নিৰ্মাণ কৰিবলৈ গৈ আছে আৰু গুৱাহাটী যিহেতু উত্তৰ পূবৰ দুৱাৰ আৰু ইয়াত যাতে কোনো যানজঁট নাথাকে, ইয়াৰ বাবে মুখ্যমন্ত্ৰী ডাঙৰীয়াই যি নতুন চিন্তা কৰিছে, তাক আমি ধন্যবাদ জনাইছো। আজি সাগৰত যদি সেতু বনোৱা কাম হৈছে ইয়াৰ বাবে কৃতিত্ব লাভ কৰিব বিজেপি চৰকাৰে। আজি আমাৰ অসমতো সুৰংগ বনোৱাৰ কাম কৰিবলৈ লোৱা হৈছে যাৰ ফলত ৰাজ্যবাসী আজি উৎসাহিত হৈছে। ইয়াৰ ফলত অসম খন বিশ্বৰ এক প্ৰাণ কেন্দ্ৰ হ'বলৈ গৈ আছে। ইয়াৰ লগতে গুৱাহাটী আৰু উত্তৰ গুৱাহাটী সংযোগী দলংৰ ৮৫ শতাংশ কাম আজি সম্পূৰ্ণ হৈছে আৰু বাকী খিনি এই বৰ্ষতে নিশ্বয় শেষ হ'ব। পলাশবাৰী আৰু শুৱালকুছি সংযোগী দলংৰ কাম আজি পূৰ্ণগতিত চলি আছে এইবিলাকে আমাৰ ৰাজ্যলৈ আশাৰ বতৰা কঢ়িয়াই আনিছে কাৰণ যাতায়াত যিমানে উন্নত হ'ব বেপাৰ বানিজ্য সিমানে উন্নত হ'ব। আজি স্কুলীয়া ছাত্ৰ-ছাত্ৰী সকলে চাইকেলেৰে যাব পৰা হৈছে। ছাত্ৰী সকলে আজি স্কুটিৰে আহিব পৰা হৈছে আগতে সেই ৰাস্তাত স্কুটি চলোৱাটো অসম্ভৱ আছিল। ইয়াৰোপৰি পঞ্চায়ত আৰু গ্ৰামোন্নয়ন বিভাগেও আজি সুচল যাতায়াতৰ ক্ষেত্ৰত

সহযোগিতা আগবঢ়াইছে। তেওঁলোকে আজি CC Block ৰ জৰিয়তে ৰাস্তা নিৰ্মাণৰ কাম কৰিছে। এইবোৰ চিন্তা আগতে কোনেও চিন্তা কৰা নাছিল। আজি যাতাযাত সুচল কৰাৰ ক্ষেত্ৰত, পকী দলং নিৰ্মানৰ ক্ষেত্ৰত যিবোৰ কাম হৈছে সেইবোৰ ভাৰতীয় জনতা পাৰ্টীৰ মিত্ৰজোঁটৰ চৰকাৰৰ বাবে সম্ভৱ হৈছে। গতিকে আমি আশা বাদি যে ১০০ শতাংশ  আমি পকী দলংলৈ আনাগত দিনত যাব পাৰিম। আমি ১০০ শতাংশ যি সুচল পথলৈ যাবলৈ যি যাত্ৰা কৰিছো তাৰ মাজতেও মোৰ সমষ্টিত দুটা পথ ৰাজ্যিক ঘাই পথ কৰিবৰ কাৰণে মাননীয় অধ্যক্ষ মহোদয়ৰ জৰিয়তে বিভাগীয় মন্ত্ৰী মহোদয়ক মই দৃষ্টি আকৰ্ষণ কৰিব বিচাৰিছো। বিহপুৰীয়া আৰু বড়োটিংৰ মাজত ৰাজ্যিক ঘাই পথ কৰিবৰ কাৰণে মই বিনম্ৰ অনুৰোধ ৰাখিছো। লগতে আৰু এটি বিহপুৰীয়া আৰু জামুগুৰিৰ মাজত ৰাজ্যিক ঘাই পথ double line কৰিবৰ কাৰণে মই আজি অনুৰোধ কৰিছো। গতিকে আমি আশাবাদী যে আহি থকা দিনত সুচল যাতায়তে অসমক এখন শ্ৰেষ্ঠ ৰাজ্য গঢ়াৰ ক্ষেত্ৰত যি বিকশিত অসম যাত্ৰা, এই বিকশিত অসম যাত্ৰাত আমি উপনিত হ'ব পাৰিম। গতিকে আমি এই দাবী মঞ্জুৰীৰ সমৰ্থন কৰি ইয়াত অধিক ধন আৱন্টন কৰিবৰ কাৰণে মোৰ মতামত ৰাখি, একেলগতে আকৌ এবাৰ বিৰোধীয়ে যি কৰ্তন প্ৰস্তাৱ আনিছে, তাৰ বিৰোধিতা কৰি মোৰ বক্তব্য ইমানতে সামৰণি মাৰিছো। বন্দে মাতৰম। ভাৰত মাতা কি জয়। জয় আই অসম।

**মাননীয় উপাধ্যক্ষ** ঃ এতিয়া সন্মানীয় সদস্য শ্ৰীভুপেন বড়ো। তেখেত অনুপস্থিত।

এতিয়া সন্মানীয় সদস্য শ্ৰী দিপ্লোৰঞ্জন শৰ্মা।

**শ্ৰী দিপ্লুৰঞ্জন শৰ্মা, (চামগুৰি)** ঃ মাননীয় উপাধ্যক্ষ মহোদয়, আজি বিৰোধীয়ে লোক নিৰ্মাণ বিভাগৰ ওপৰত যি কৰ্তন প্ৰস্তাৱ উত্থাপন কৰিছে, এই কৰ্তন প্ৰস্তাৱৰ সম্পূৰ্ণভাৱে বিৰোধিতা কৰিছো। বিৰোধিতা এই কাৰণে কৰিছো যে অসমৰ মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মা ডাঙৰীয়াৰ নেতৃত্বত আজি অসমত উন্নয়নৰ অনিৰুদ্ধ যাত্ৰা লাভ কৰিছে।

মাননীয় উপাধ্যক্ষ মহোদয়, মোৰ মনত পৰিছে, বা সৰুতে আমি পঢ়িছিলো যে বিখ্যাত দাৰ্শনিক আছিল Biktol Bhrugu, তেখেতে এটা খুৱ সুন্দৰ কথা কৈছিল যে no power on the earth transfer an idea which time has come আৰু মাননীয় মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মা ডাঙৰীয়াৰ নেতৃত্বত আজি আমি দেখিছো যে অসম আজি কৰ পৰা কলৈ গুছি গৈছে। মই দেখিছিলো যে বাজেটত মাননীয়া বিত্তমন্ত্ৰী ডাঙৰিয়ানীয়ে সুন্দৰভাৱে কৈ গৈছে যে প্ৰতিদিনে প্ৰায় এখনকৈ পকী দলঙৰ নিৰ্মাণ সম্পূৰ্ণ হৈছে। প্ৰায় প্ৰতিদিনে ১৩ কিলোমিটাৰকৈ ৰাস্তা বনাই থকা হৈছে। এনেকুৰা উন্নয়ন হৈছে, আজিৰ দিনত যদি মথাউৰিসমূহ চাওঁ, মথাউৰিসমূহত দেখিছো যে পকা ৰাস্তাৰ কাম আৰম্ভ হৈছে। মই দুজনমান সন্মানীয় বিৰোধী পক্ষৰ বিধায়কে কোৱা শুনিছিলো যে তেওঁলোকৰ সমষ্টিত সংখ্যালঘুৰ কাৰণে কাম কৰা নাই। মই তেখেতসকলক এটা আহ্বান জনাম যে মই প্ৰায় ৪, ৫ মাহ আগতে চামুগুৰি সমষ্টিৰ পৰা জিকি আহিছো, তেখেতসকলৰ এজন শক্তিশালী নেতাই তাত প্ৰায় ২৫ বছৰ, ২৬ বছৰ প্ৰতিনিধিত্ব কৰি আহিছিল। তেখেতে ২০১৬ চনলৈকে মন্ত্ৰীও আছিল, তেতিয়াৰ চামগুৰিৰ উন্নয়ত তেখেতসকলে চাওঁক আৰু এক বছৰ মাননীয় মুখ্যমন্ত্ৰী মহোদয়ৰ আৰ্শীবাদত আমি  চামগুৰিত কেনেকৈ উন্নয়ন কৰা হৈছে, সেইটো আপোনালোকে চাব।

মাননীয় উপাধ্যক্ষ মহোদয়, মোৰ মনত পৰিছে যে যেতিয়া উন্নয়ন আৰম্ভ হয়, তেতিয়া কংগ্ৰেছৰ নেতৃত্বত ঠিক সকলো উন্নয়নত বাধাগ্ৰস্ত কৰিবৰ কাৰণে চেষ্টা কৰা হয়। ভাৰতবৰ্ষৰ প্ৰাক্তন প্ৰধানমন্ত্ৰী অটল বিহাৰী বাজপেয়ী ডাঙৰীয়া যেতিয়া visionary four lane ৰ কাম

আৰম্ভ কৰিছিল, ঠিক তেতিয়াও কংগ্ৰেছৰ সভানেত্ৰী গৰাকীয়ে আমাৰ প্ৰধানমন্ত্ৰী গৰাকীক (হিন্দী) mungerilal ke haseen sapne dekh rahe hae বুলি কৈছিল। যি কংগ্ৰেছৰ আমোলত ৫০ বছৰত, সেই সময়ত ভাৰতবৰ্ষত মাত্ৰ ৫৫০ কিলোমিটাৰ ৰাস্তা four lane & six lane হৈছিল। বাজপেয়ীই যেতিয়া four lane কাম আৰম্ভ কৰিছিল আৰু ২০০৪ চনত তেখেতে যেতিয়া সমাপ্ত কৰিছিল, তেখেতে ৬ বছৰৰ ভিতৰত ২৫ হাজাৰ কিলোমিটাৰ ৰাস্তা পকীকৰণ কৰা হৈছিল। বাজপেয়ীয়ে তেতিয়াই কৈছিল যে আমি যে ৰাস্তা বনাইছো, এই ৰাস্তা কেৱল ভাৰতৰ মেপত ৰাস্তা নহয়, এই ভাৰতৰ ভাগ্যৰেখা নিৰ্মাণ কৰিব। আজি মাননীয় মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মা ডাঙৰীয়াৰ নেতৃত্বত আজি যি ৰাস্তা বনোৱাৰ কাম আৰম্ভ কৰিছো, আজি অসম মালাৰ পৰা আৰম্ভ কৰি, অসম নিৰ্মাণৰ পৰা আৰম্ভ কৰি প্ৰত্যেকটো ক্ষেত্ৰতে আজি আমি যেনেদৰে কাম আৰম্ভ কৰিছো, সকলো জিলাত অসম মালাৰ অধীনত ২৫ কিলোমিটাৰ দৈৰ্ঘ্যৰ এক জিলা এক পথ। আজি মথাউৰি সমূহৰ ওপৰত যি পকী ৰাস্তাৰ কাম আৰম্ভ হৈছে, আজি আমি দেখিছো যে অসমৰ মথাউৰি সমূহৰ ওপৰত গুৰুত্ব প্ৰদান কৰিছে। মুখ্যমন্ত্ৰীৰ যি পথ পকীকৰণ আঁচনি, এই পথ পকীকৰণৰ আঁচনিৰ অধীনত ৩,৫৫৫ কিলোমিটাৰ মেৰামতিৰ লক্ষ্য কৰিছিল আৰু ২,০৪৫ কিলোমিটাৰ লক্ষ্য ইতিমধ্যে সম্পূৰ্ণ হৈছে।

গতিকে আমাৰ চৰকাৰ মানে উন্নয়নৰ চৰকাৰ, আমাৰ চৰকাৰ মানে infrastructure ৰ চৰকাৰ। মই আগতে দেখিছিলো, যেতিয়া আমি শিল্প বিপ্লৱৰ কথা পঢ়ো, চাইনাৰ Bangjiao Pin য়ে কৈছিল যে এখন দেশৰ উন্নয়নৰ কাৰণে কৃষিত গুৰুত্ব দিব লাগে, infrastructure ত গুৰুত্ব দিব লাগে। এই সকলোখিনি সামৰি পেলাই আজি ভাৰতবৰ্ষতো আমি দেখিছো, আজি অসমতো দেখিছো মাননীয় মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মা ডাঙৰীয়াৰ নেতৃত্বত কেনেদৰে আন্তঃগাথনি উন্নয়ন হৈছে। আজি আমি Semi Conductor industry ৰ কথা চিন্তা কৰিছো, ২৭ হাজাৰ কোটি টকা। মই এইখিনি এটা কাৰণত কৈছো Advantage Assam ত আজি এটা বৈপ্লৱিক পৰিবৰ্তন সম্ভৱ হৈছে। সন্মানীয় সদস্য বিশ্বজিৎ ফুকন ডাঙৰীয়াই কৈছে যে যুগান্তকাৰী আৰু ৰূপান্তৰকাৰী, এই যুগান্তকাৰী আৰু ৰূপান্তৰকাৰী আঁচনি সুসংগবদ্ধ কৰিবৰ কাৰণে আজি আমাক ৰাস্তা ঘাটৰ প্ৰয়োজন।

মাননীয় উপাধ্যক্ষ মহোদয়, মই বহুদিন আগতে Malgudi Days চাওঁতে, মোৰ এটা Malgudi Days ৰ সাধুকথা মনত পৰিছে। তাত যিটো প্ৰধান চৰিত্ৰ আছিল, Swami। Swami য়ে এদিন স্কুলৰ পৰা পোনে পোনে মাকৰ ওচৰলৈ আহিল আৰু মাকক কলে যে মা মই আৰু কেতিয়াও অংকৰ পৰীক্ষা নিদিওঁ। মাকে কলে কিহৰ কাৰণে, Swami য়ে কলে মই যে ১০০ ৰ ভিতৰত ১০০ পাইছো, প্ৰধান শিক্ষকজনে মোৰ ১০০ নম্বৰৰ পৰা ২০ নম্বৰ কাটি পেলাই, শংকৰক দি দিছে। কাৰণ শংকৰে ২০ নম্বৰ পাইছিল। ২০ ৰ পৰা ৪০ নম্বৰ পাবৰ কাৰণে ২০ নম্বৰ দি দিছে। মাকে Swami ক বুজালে যে হ'ব বেয়া পাব নালাগে। তাৰ বিপৰীতে শংকৰ গ'ল মাকৰ ওচৰত আৰু কলে যে মা মই কেতিয়াও আৰু অংক ভালদৰে নপঢ়ো। কাৰণ মই ভালকৈ নপঢ়িলেও মোক Swami ৰ পৰা ২০ নম্বৰ পিছত দিবই। গতিকে মই পঢ়াৰ কি প্ৰয়োজন আছে। সন্মানীয় বিৰোধী পক্ষৰ বিধায়ক সকলক মই অনুৰোধ জনাম যে ড০ হিমন্ত বিশ্ব শৰ্মা ডাঙৰীয়াৰ নেতৃত্ব স্বপ্নদ্ৰষ্টা আঁচনি লৈ আজি আমি দেখিছো যে শ্ৰীভূমিৰ পৰা আৰম্ভ কৰি কোকৰাঝাৰলৈকে, শদিয়াৰ পৰা ধুবুৰীলৈকে ৰাস্তা নিৰ্মাণৰ কাম আৰম্ভ হৈছে। গতিকে আপোনালোকেও ২০ নম্বৰ পাব আৰু লাভন্বিত হ'ব। গতিকে মাননীয় মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব ডাঙৰীয়াক আপোনালোকে

ধন্যবাদ জ্ঞাপন কৰি আমাৰ চৰকাৰক আপোনালোকে অধিক উৎসাহ প্ৰদান কৰিব লাগে। কাৰণ যিমানখিনি কাম কৰিছো আপোনালোকৰ নেতৃত্বত ৫০ বছৰতো কেতিয়াও হোৱা নাছিল। গতিকে আজি বানপানীৰ সময়ত আপোনালোকে চাওঁক ৰাস্তাৰ কেনেকুৱা এটা প্ৰয়োজন হৈ যায় আৰু একেদৰে ৰাস্তা আজিৰ দিনত উন্নয়ন নহয়, এইটো আমাৰ survival ৰ কথা। ইয়াৰ পৰা আজি আমি ৰাস্তা ঘাটৰ উন্নয়ন কৰিব লাগে। প্ৰত্যেকটো ঠাইতে আজি ৰাস্তা ঘাটৰ উন্নয়ন হৈছে।

মই আকৌ এবাৰ পুনৰাই কৈছো, যেতিয়া চামুগুৰি এবাৰ গৈছিলো, দেখিছিলো যে উদমাৰিৰ দৰে বাগান, চানলাৰ দৰে বাগানত, সেই আপোনালোকৰ প্ৰাক্তন প্ৰতাপী মন্ত্ৰীজনৰ নেতৃত্বত কেনেকুৱা ধৰণৰ আন্তঃগাথনি দূৰ্বল কৰি দিয়া হৈছিল। গতিকে মই এটা কথাই পুনৰাই কওঁ যে মই কেইদিন আগতে এখন কিতাপ পঢ়িছিলো, তাত এগৰাকী অসমৰ প্ৰখ্যাত বুদ্ধিজীৱি প্ৰয়াত হোমেন বৰগোঁহাই ডাঙৰীয়াই মাননীয় মুখ্যমন্ত্ৰী ডাঙৰীয়াৰ বিষয়ে এটা কথা লিখিছিল। তেখেত এখন কিতাপৰ পাতনিত লিখিছিল martin luther king যে I have a dream আৰু এই কথাষাৰৰ উদ্ধৃতি দি মুখ্যমন্ত্ৰী ডাঙৰীয়াৰ বিষয়ে লিখিছিল যে I have a dream। I have a dream বুলি মুখ্যমন্ত্ৰী ডাঙৰীয়াই কেতিয়াও কোৱা নাই। কিন্তু মুখ্যমন্ত্ৰী ডাঙৰীয়াই 24 x 7 অসমৰ আন্তঃগাঁথনি উন্নয়ন কৰি অসমৰ ভৱিষ্যতৰ উন্নয়ন কৰিবৰ কাৰণে এই সপোন কঢ়িয়াই লৈ ফুৰে আৰু এই সপোনত যদি আজি আমাৰ লোক নিৰ্মাণ বিভাগৰ পৰা আৰম্ভ কৰি সকলো ক্ষেত্ৰতে আজি অসম এক উন্নয়নত অনিৰ্বান যাত্ৰা পাবলৈ সক্ষম হৈছে। আজি যিটো সময়ত ভাৰতবৰ্ষ 5th largest economy আজি World's 3rd largest economy ত পৰিণত কৰিবলৈ আগবাঢ়িছে। ঠিক তেনেকৈ সমান্তৰালভাৱে আজি আমাৰ চৰকাৰৰ নেতৃত্বত আমি অসমক ভাৰতৰ ভিতৰত এখন শ্ৰেষ্ঠ ৰাজ্যত পৰিণত কৰিবলৈ আগবাঢ়িছো। সেই কাৰণে মই বিৰোধী পক্ষই যি কৰ্তন প্ৰস্তাৱ আনিছে, মই তেখেতসকলক অনুৰোধ জনাম যে ৰাজনৈতিক স্বাৰ্থত আপোনালোকে কৰ্তন প্ৰস্তাৱ নকৰিব। আজি আমাৰ ৰাজ্যখনে যি উন্নয়নৰ পথত আগবাঢ়ি গৈছে, আপোনালোকৰ ভাল নালাগে নেকি। Advantage Assam ত আজি বিশ্বৰ শীৰ্ষ উদ্যোগপতি সকলে আহি অসমত investment ৰ কথা কৈছে। এটা সময় এনেকুৱা আছিল যে কেৱল গুৱাহাটীৰ পৰাই আমাৰ investment হৈছিল। কিন্তু আজি আমাৰ এই চৰকাৰৰ দিনত বৰাক ভেলী হওঁক, উজনি অসম বা নামনি অসমে হওঁক বা মধ্য অসম হওঁক, সকলো ক্ষেত্ৰতে আজি বিনিয়োগৰ এটা প্ৰৱল সম্ভাৱনা গঢ়ি তুলিছে আৰু বিনিয়োগৰ এই যি প্ৰৱল সম্ভাৱনা, এই সম্ভৱনা আৰু অধিক ৰূপান্তৰৰ ৰূপ দিছে আৰু এই road infratructure ৰে। বাজপেয়ীজিয়ে যেনেকৈ প্ৰধানমন্ত্ৰী গ্ৰাম চৰক যোজনা কৰি যেনেকৈ four lane আঁচনিৰ কথা ঘোষণা কৰি পেলাই গোটেই ভাৰতবৰ্ষত এক বিশ্ব মানচিত্ৰত স্থান দিছিল। ঠিক তেনেদৰে আজি আমাৰ স্বপ্নদ্ৰষ্টা মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মা ডাঙৰীয়াৰ নেতৃত্বত এটা এটাকৈ হিচাপ কৰি অসমৰ প্ৰত্যেকটো প্ৰান্তৰ প্ৰত্যকটো কথাই চিন্তা কৰি আমি নিতান্তৰে এটা ভৱিষ্যতৰ কাৰণে, অসমৰ সোণালী ভৱিষ্যতৰ কাৰণে আমাৰ চৰকাৰৰ দিনত আমি স্বচ্ছতাৰে উন্নয়নৰ কাম আৰম্ভ কৰিছো। এই উন্নয়নৰ প্ৰতিহে সহায় আগবঢ়াবৰ কাৰণে, উন্নয়নৰ প্ৰতি অংশীদাৰ হবৰ বাবেহে আপোনালোকৰ সমষ্টি সমূহতো চৰকাৰে সব কা সাথ সব কা বিকাশৰ যি নীতি লৈছে এই নীতিত আপোনালোকক সমৰ্থন কৰি আমাৰ কাৰ্যপন্থাৰ অংশীদাৰ হৈ অসমক ভাৰতৰ ভিতৰত এখন সৰ্বশ্ৰেষ্ঠ ৰাজ্যত পৰিণত কৰিবৰ কাৰণে আমাৰ বিজেপি নেতৃত্বাধীন এই চৰকাৰৰ যি প্ৰচেষ্টা এই প্ৰচেষ্টাত আপোনালোক অংশীদাৰ হওঁক মই ইয়াকে আহ্বান জনাই পুনৰাই বিৰোধী পক্ষৰ এই কৰ্তন প্ৰস্তাৱৰ সম্পূৰ্ণ বিৰোধীতা কৰি মই মোৰ বক্তব্য

সামৰণি মাৰিছো, ভাৰত মাতা কি জয়, বন্দে মাতৰম, জয় আই অসম।

**মাননীয় উপাধ্যক্ষ** ঃ মাননীয় সদস্য সকল, ৫২ গৰাকী সদস্যই নাম দিছে, তাৰ ভিতৰত ৯ গৰাকী গৈছে, গতিকে সদন ২.৩০ বজালৈ সদন চলিব। এতিয়া মাননীয় সদস্য দুৰ্গাদাস বড়ো।

**শ্ৰীআমিনুল ইছলাম, (জ্যেষ্ঠ)** ঃ আজি ছাৰ, মন্ত্ৰীৰ উত্তৰ হ'ব, আজি শেষ কৰি দিলে ভাল মোৰ মতে, যাতে পৰৱৰ্তী দিনত আমি ইৰিগেচনটো আৰম্ভ কৰিব পাৰো।

**শ্ৰীদুৰ্গাদাস বড়ো, (কলাইগাওঁ)** ঃ উপাধ্যক্ষ মহোদয়, আমাৰ দুজন আছিল, দুয়োজনৰ ঠাইত ময়ে কম ৮ মিনিট সময়। উপাধ্যক্ষ মহোদয়, যিটো কৰ্তন প্ৰস্তাৱৰ জৰিয়তে আজি আলোচনা কৰাৰ সুযোগ দিছে সেই কাৰণে ধন্যবাদ জনাই মই সপক্ষত দুটামান বিষয় ৰাখিব বিচাৰিছো। আচলতে বিভাগটো অসমৰ যোৱা ৪ টা বছৰত মই আগৰ কথা নাজানো, যোৱা ৪ টা বছৰত এই বিভাগটোৱে গোটেই অসমতে যোগাযোগৰ ক্ষেত্ৰত যি ৰাস্তাঘাটৰ উন্নয়নৰ কাম কৰিছে সেইটো মই যোৱা ৪০ টা বছৰ ৰাজনীতিত জড়িত ব্যক্তি হিচাপে উল্লেখ কৰিব পাৰো যি প্ৰায় ১০ হাজাৰ কোটি টকাতকৈও অধিক টকা এটা বিভাগত ধৰিছে, কিছুমান ক্ষেত্ৰত সপোন যেন লাগে উপাধ্যক্ষ মহোদয়। আমাৰ ইয়াত ৰমেন্দ্ৰ নাৰায়ণ কলিতা ডাঙৰীয়া ইয়াত আছে বাকীবোৰ নাই বাৰু দেখাত, যে ৪ হাজাৰ কোটি টকা বছৰেকীয়া বাজেট আছিল এখন চৰকাৰৰ এটা সময়ত। ১৯৮৫ চনত মাত্ৰ ৪ হাজাৰ ৮৫ কোটি টকাৰে গোটেই অসমৰ বাজেট চলাব লগীয়া হৈছিল। আজি বস্তু বাহিনীৰ দাম বাঢ়িলেও আজি যিটো কামৰ সংখ্যা, সেই কামৰ সংখ্যাৰ কিন্তু গোটেই ৰাজ্যখনত যথেষ্ট হৈছে। ৰাস্তা-ঘাট অকল বুলিয়ে নহয় মোৰ হাতত এখন তালিকা আছে এইবাৰ যে ৱৰ্ল্ড বেংকৰ জৰিয়তে যি দলং বনোৱাৰ সিদ্ধান্ত গ্ৰহণ কৰিছে, মই আচৰিত হৈছো যে, প্ৰায়বিলাক বিধায়ক, মাননীয় বিধায়ক মহোদয়ে নিশ্চয় জানে ৯ খন, ১০ খন, ১৫ খন, ২০ খনকৈ আৰ চি চি দলংৰ কাৰণে প্ৰস্তাৱ দিয়া হৈছিল। মই ৯ খন দলংৰ প্ৰস্তাৱ দিছিলো মই ১০ খন দলং মই পাইছো। মই দিয়া সেই ৯ খনটো পাইছোৱে আৰু এখন দলং বিভাগে তাৰ পৰা কাৰ্যবাহী অভিযন্তাই প্ৰয়োজন আছে বুলি ভাৱি প্ৰস্তাৱ দিছিল সেইখনো আহিছে। যি খন তালিকা আছে সকলোৱে চাই লব তাত আছে। গতিকে আপোনালোকৰো চাই কৈছো গোটেই আপোনালোকৰ লিষ্টতো আছে চিন্তা নকৰিব। গতিকে যোগাযোগৰ কাৰণে বা ৰাস্তা-ঘাটৰ কাৰণে যিখিনি কাম কৰিছে লোকনিৰ্মাণ বিভাগে মই লোকনিৰ্মাণ বিভাগৰ দায়িত্বত যিহেতুকে মুখ্যমন্ত্ৰী ডাঙৰীয়া আছে নিশ্চয় মুখ্যমন্ত্ৰী ডাঙৰীয়াক ধন্যবাদ জ্ঞাপন কৰিব লাগিব। অলপ আগতে মাত্ৰ এগৰাকী সদস্যই উল্লেখ কৰিছে যে আমাৰ যিখিনি 6th Schedule area, ডিমাহাচাও, কাৰ্বিআংলং আৰু বিটিচি, এই তিনিটা অঞ্চলতো আগতে যিখিনি ধন ধৰিছে, সেইটোটো ধৰিছেই, এইবাৰ specifically ডিমাহাচাওৰ কাৰণে ১০০ কোটি, কাৰ্বিআংলংৰ কাৰণে ২০০ কোটি আৰু বিটিচিৰ কাৰণে ৪০০ কোটি টকা এক মাত্ৰ ৰাস্তা নিৰ্মাণৰ কাৰণে যিখিনি ধন ধৰিছে, এই সুযোগতে এই কাৰণে ধন্যবাদ জ্ঞাপন কৰিব লাগিব যে বিটিচিৰ নিজা বাজেট থকাৰ পিছতো flagship programe ৰ জৰিয়তে এই বিলাক কাম বিধায়কৰ জৰিয়তে কৰিবলৈ গৈ যি খিনি সুযোগ বিটিচিৰ ভিতৰত বা 6th Schedule areaৰ ভিতৰত দিবলৈ চেষ্টা কৰিছে এইটো ইয়াৰ আগৰ চৰকাৰ সমূহৰ খুব কম উদাহৰণ আছে। অৱশ্যে পূৰ্বৰ চৰকাৰে কিছু কাম কৰিছিল। কিন্তু এইবাৰ যথেষ্ট সংখ্যক কাম-কাজ বৃদ্ধি হৈছে। ইয়াৰ লগে লগে লোকনিৰ্মাণ বিভাগৰ গৃহৰ কাম বিভিন্ন শিতানত এই লোকনিৰ্মাণ (গৃহ) বিভাগে কৰা গৃহৰ কামখিনি কৰিছে। বিশেষকৈ আপোনালোকে জানে থানা বিলাকৰ গৃহ প্ৰায়ে সম্পূৰ্ণ হ'ব। এইবাৰ আমি জানিব পাৰিছো যে আধুনিকীৰণৰ যি multi-storey থানা মই জনাত মই ওদালগুৰি

জিলা খনৰ উলিয়াইছো, ওদালগুৰি জিলাত এখনো থানাৰ গৃহ হ'বলৈ বাকী নাথাকিব। গতিকে এই সুযোগত ধন্যবাদ নিশ্চয় দিব লাগিব। মই বাৰে বাৰে এই বিধান সভাত প্ৰশ্ন আনিছিলো যে মোৰ অমুক বা তমুক থানাখন কেতিয়া হ'ব ? মোৰ সমষ্টিত ৩ খন থানা আছে। ৩ খন থানাৰে গৃহ এই বাৰ হোৱাৰ কাৰণে তেখেত সকলে টেণ্ডাৰ কৰি সম্পূৰ্ণ কৰিছে। সভাপতি ডাঙৰীয়া, মুখ্যমন্ত্ৰী ডাঙৰীয়াই যিহেতু এই বিভাগৰে মন্ত্ৰী গতিকে মই তেখেতক ধন্যবাদ জ্ঞাপন কৰিছো আৰু লগতে ¿û ¿Âù ±ßÁÂŷÔÊ ÂŷÔÊ áŷÂÕ±ËÂ±ò±Ëù ±ËßÁæÂËõ integrated administration ৰ কাৰণে জিলা পৰ্য্যায়ত integrated building যি বিলাক কৰিছে, তাৰোপৰি স্কুল কলেজ, বিশ্ববিদ্যালয় ইত্যাদি যি বিলাক কৰিছে সেই বিলাক আমাৰ মাননীয় সদস্য সকলে জানে। গতিকে ৮ মিনিটত এই বিভাগৰ কথাখিনি কৈ শেষ কৰাতো কেতিয়াও সম্ভৱ নহয়। গতিকে সভাপতি ডাঙৰীয়া, মই বিৰোধী পক্ষই যিটো প্ৰস্তাৱ আনিছে আলোচনা কৰাৰ যিটো সুযোগ কৰি দিছে তেখেত সকলক ধন্যবাদ জনাই এই প্ৰস্তাৱৰ বিৰোধীতা কৰি মই মোৰ বক্তব্য সামৰণি মাৰিছো।

**মাননীয় সভাপতি, (কৃষ্ণ কমল তাঁতী)** ঃ ধন্যবাদ। এতিয়া মাননীয় সদস্য শ্ৰীভবেন্দ্ৰ নাথ ভৰালী।

**শ্ৰীভবেন্দ্ৰ নাথ ভৰালী, (দেৰগাওঁ)** ঃ মাননীয় সভাপতি মহোদয়, আমাৰ লোকনিৰ্মাণ বিভাগৰ মন্ত্ৰী মহোদয়ে পথ আৰু দলং নিৰ্মাণৰ বাবে যি দাবী মঞ্জুৰী উত্থাপন কৰিছে সেই দাবী মঞ্জুৰীৰ সমৰ্থনত আৰু বিৰোধীৰ পক্ষৰ উত্থাপন কৰা কৰ্তন প্ৰস্তাৱৰ বিৰোধীতা কৰি মই কব খোজো। বৰ্তমান পৰ্য্যায়ত অসম উন্নয়নৰ দিশত বহুত খোজ আগবাঢ়ি গৈছে। এটা কথা এজন মানুহ নাগৰিক হিচাপে যদি জীয়াই থাকিব লাগে তেতিয়াহলে কেইটামান বস্তু বৰ প্ৰয়োজন। থাকিবৰ বাবে এটা ঘৰ, খাবৰ কাৰণে বিশুদ্ধ পানী, ঠিক সেইদৰে অহা যোৱা কৰিবৰ বাবে নিজৰ জীৱিকাৰ কাৰণে কাম কৰিবৰ বাবে অহা-যোৱা কৰা যি যাতায়াত ব্যৱস্থা সেই ব্যৱস্থাটো যদি ভাল হয় তেতিয়াহলে এজন নাগৰিক হিচাপে তেওঁ জীৱনৰ বিভিন্ন কাম-কাজ কৰিবলৈ সুবিধা হয়। আৰু সেই আন্তঃগাথনিৰ উন্নয়নৰ ক্ষেত্ৰত বৰ্তমান যি খন চৰকাৰ ড০ হিমন্ত বিশ্ব শৰ্মা ডাঙৰীয়াৰ নেতৃত্বত এই চৰকাৰে উন্নয়নৰ বিকাশৰ যাত্ৰাত এক উল্লেখযোগ্য বৰঙণি আগবঢ়াইছে। আৰু এই ক্ষেত্ৰত কব লাগিব মই প্ৰথম যেতিয়া ১৯৮৫ চনত বিধায়ক হিচাপে নিৰ্বাচিত হৈছিলো আৰু সেই সময়ত মোৰ সমষ্টিত যি পথ ২২ কি. মিটাৰ আঁতৰত থকা এখন গাঁও গৰৈমাৰা বুলি কয়, সেই গাঁৱত যদি মই ১১ বজাত মিটিং লওঁ মই ঘৰৰ পৰা ৮ বজাত ওলাব লাগে, তেতিয়াহে মই গৈ ১১ বজাত উপস্থিত হ'ব পাৰিম। ৩ ঘন্টা সময় লাগিছিল মাত্ৰ ২২ কি.মিটাৰ পথ যাবলৈ। আৰু আজিৰ দিনটোত মই এতিয়ালৈ কেইবাৰো বিধায়ক হিচাপে নিৰ্বাচিত হৈছো আজিৰ দিনটোত সেই গৰৈমাৰা অঞ্চললৈ গলে মোক মাত্ৰ ৮ মিনিট সময় লাগে। অৰ্থাৎ এই যোগযোগৰ যিটো সুন্দৰ যাতায়ত ব্যৱস্থা সেই ব্যৱস্থা যথেষ্ট উন্নয়ন হৈছে। ঠিক সেই একেদৰে বিভিন্ন অঞ্চলত, বাগানৰ এটা কথা কব লাগিব বাগানৰ মজদুৰ ভাই সকলক ব্ৰিটিছে শাসন-শোষণ আটাইখিনি কৰিলে, কিন্তু তেওঁলোকৰ জীৱন ধাৰণাৰ ব্যৱস্থাটো আগবঢ়াই নিয়াৰ কোনো ব্যৱস্থাই নকৰিলে। বৰ্তমানৰ চৰকাৰখনে বাগানৰ মজদুৰ অৰ্থাৎ চাহ শ্ৰমিক সকলৰ অহা-যোৱা কৰা লাইনৰ পথবিলাকৰ বাবে তেওঁলোকে যাতে বোকা গচকিব লগা নহয় তাৰবাবে আজি প্ৰত্যেকখন চাহ বাগানত ১ কোটি কৈ টকা দি ৰাস্তা নিৰ্মাণ কৰিছে। সমাজৰ প্ৰধান অংগ চাহ সম্প্ৰদায়ৰ মজদূৰ লোকসকলৰ উন্নয়নৰ বাবে তথা তেওঁলোকৰ আন্তঃগাঁথনি উন্নয়নৰ ক্ষেত্ৰত ৰাস্তা-ঘাটৰ লগতে বিদ্যালয়কে ধৰি বিভিন্ন উন্নয়নমূলক আঁচনি তাত গ্ৰহণ কৰিছে। মোৰ সমষ্টিতে মুঠ ৯৮১ কিলোমিটাৰ পথ আছে। আজিৰ দিনটোলৈকে মাত্ৰ ৩৯০ কিলোমিটাৰ কেঁচা ৰাস্তা আছে। বাকী যিমানখিনি ৰাস্তা আছে RIDF,SOPD, মুখ্যমন্ত্ৰী উন্নত পকীকৰণ আঁচনি

আদিৰ অধীনত বৰ্তমানলৈকে পথ নিৰ্মাণ কৰি মোৰ দেৰগাওঁ সমষ্টিত ২০১ কিলোমিটাৰ পথ পকীকৰণ কৰিবলৈ আমি সক্ষম হৈছো। এইক্ষেত্ৰত এটা কথা ক'ব লাগিব যে ব্ৰহ্মপুত্ৰ নদীৰ ওপৰত যিকেইখন দলং নিৰ্মাণ হৈছে তাৰ জৰিয়তে যোগাযোগৰ যিটো ব্যৱস্থা সেই ব্যৱস্থাক আমি আগবঢ়াই নিয়াৰ ক্ষেত্ৰত বৰ্তমানৰ চৰকাৰখনৰ যি পদক্ষেপ সেই পদক্ষেপে অসমক বহুক্ষেত্ৰত আগুৱাই লৈ যাব। মই আশা কৰিছো লোকনিৰ্মাণ বিভাগৰ অধীনত অসমে সুদূৰ ভৱিষ্যতে খুব সোনকালেই আমি বাট-পথৰ উন্নয়নৰ ক্ষেত্ৰত যথেষ্ট আগবাঢ়ি যাম আৰু ভাৰতৰ পাঁচখন ৰাজ্যৰ ভিতৰৰ এখন ৰাজ্য হ'বলৈ আমাৰ অসমক বেছিদিন নালাগিব। এইক্ষেত্ৰত বাজেটত এটা বিষয়ৰ ওপৰত মই ক'বলৈ বিচাৰিছো। সেই বিষয়টো হ'ল আমাৰ SCSP আৰু TSP এই দুয়োটা আঁচনিৰ অধীনত সাধাৰণতে বাজেটত plains ত SC ৰ কাৰণে 6% আৰু TSP ৰ কাৰণে 12% এটা quantified amount ৰখা হয়। কিন্তু এইবাৰ বাজেটত মই আচৰিত হৈছো যে অনুসূচীত জাতিৰ উন্নয়নৰ বাবে 6% quantified amount ৰখা হোৱা নাই আৰু TSP ৰ কাৰণে ৰখা হৈছে যদিও কমকৈ ৰখা হৈছে। যাৰফলত প্ৰায় ২৮ লাখ SC ৰ মানুহৰ উন্নয়নৰ ক্ষেত্ৰত কিছু অসুবিধাৰ সৃষ্টি হ'ব আৰু যাৰবাবে ভাৰত স্বাধীন হোৱাৰ ৭৮ বছৰ পিছতো এই মানুহখিনিয়ে এতিয়াও দুৰ্ভোগ ভুগি থাকিব লগীয়া হৈছে এতিয়াও বহুত গাওঁ আছে য'ত আমি এতিয়াও সুন্দৰ ৰাস্তা এটাৰে যাব পৰা নাই অথচ অসমৰ জনসংখ্যাৰ এক বৃহৎ অংশ চাহ মজদূৰ ভাই সকলৰ দৰে এই অনুসূচীত জাতিৰ লোকসকলো এটা অংশ। তেওঁলোকৰ উন্নয়নৰ স্বাৰ্থত আমি কিছু কমকৈ গুৰুত্ব দিছো নেকি? মই চৰকাৰলৈ এটা অনুৰোধ আৰু এটা পৰামৰ্শ আগবঢ়াইছো যাতে সেইক্ষেত্ৰত আগৰ যিটো ব্যৱস্থা সেই quantified amount 6% for SCSP, 12% for the Tribel plains, 5% for the tribel hills এইটো বাজেটত যাতে ৰাখে। এই ব্যৱস্থাটো যদি ৰখা নহয় তেতিয়াহ'লে এই মানুহখিনি আৰু অধিক পিছপৰি যাব বুলি মই ভাবিছো। সেয়েহে মই চৰকাৰক এই বিষয়ত পুনৰ এবাৰ বিবেচনা কৰিবৰ বাবে অনুৰোধ জনাইছো। যিদৰে আমি ODS আঁচনিৰ জৰিয়তে চাহ বাগিচাৰ উন্নয়নৰ বাবে আমি বিভিন্ন আঁচনি লৈছো। সাংবিধানিক ভাৱে প্ৰাপ্য এই দুয়োটা জনগোষ্ঠীৰ লোকৰ বাবে আমাৰ বাজেটত এই ব্যৱস্থা বাহাল ৰাখি এই মানুহখিনিক আগবঢ়াই নিয়াৰ ব্যৱস্থা কৰা হয়। আজি মই বিধান সভালৈ অহাৰ সময়ত তেওঁলোকৰ কেইবাটাও সংগঠনে মোক জনাইছে যে আমি আন্দোলনৰ কাৰ্য্যসূচী ল'বলৈ বাধ্য হৈছো আৰু এনেধৰণৰ কাৰ্য্যসূচীৰ জৰিয়তে চৰকাৰক জনাব খুজিছো। কিন্তু মই আজি এই পবিত্ৰ বিধান সভাৰ মজিয়াত মই পুনৰ চৰকাৰক অনুৰোধ জনাইছো যাতে এই সম্পৰ্কত এটা ভাল সিদ্ধান্ত লৈ এই পিছপৰি যোৱা সম্প্ৰদায়টোক অকণমান সহায় কৰে। আমাৰ সমষ্টিবিলাকৰ উন্নয়নৰ সম্পৰ্কত ইতিমধ্যে মাননীয় সদস্য শ্ৰী দিপ্লু ৰঞ্জন শৰ্মা ডাঙৰীয়া আৰু মাননীয় বিশ্বজিৎ ফুকন ডাঙৰীয়াই কৈ গৈছে। অসমক উন্নয়নৰ ৰূপান্তৰ মুখী কৰাৰ যিটো যাত্ৰা সেই যাত্ৰাত অসম বিধান সভাৰ সকলো মাননীয় সদস্যই অংশগ্ৰহণ কৰি অসমখনক আগুৱাই লৈ যাব লাগিব। তেতিয়াহে এই চৰকাৰখনে 'সবকা সাথ, সবকা বিকাশ' এই নীতিৰে আগুৱাই যাব পাৰিব। কোনো সমষ্টি বা ৰাজ্যক পিছ পেলাই কোনো আঁচনি লোৱাৰ পৰিকল্পনা চৰকাৰৰ নাই। গতিকে সকলোৰে ইয়াত সহায় সহযোগিতা কৰিব লাগিব। আজিৰ পৰা দহ বছৰ আগতে আমি যোৰহাটৰ পৰা মাজুলীলৈ দলঙেৰে যাম বুলি কেতিয়াও ভবা নাছিলো। কিন্তু আজি মাননীয় মুখ্যমন্ত্ৰী মহোদয়ৰ নেতৃত্বত যোৰহাটৰ পৰা মাজুলীলৈ দলং নিৰ্মাণৰ কাম আৰম্ভ হৈছে। যদিও কিছু খেলি-মেলিৰ কাৰণে এই দলং নিৰ্মাণৰ কামখিনি থমকি ৰৈছে তথাপিও এই নিৰ্মাণৰ কাম আকৌ আৰম্ভ হ'ব। যিটো কথা আমি দহ বছৰ

আগতে কেতিয়াও কল্পনা কৰিব পৰা নাছিলো সেইটো এতিয়া বাস্তৱত ৰূপায়িত হ'বলৈ গৈ আছে। আমি যিটো অগতানুগতিক চিন্তাধাৰাৰে আগবাঢ়ি গৈ আছো যাৰফলত আমি ভাৰতবৰ্ষৰ পাঁচখন ৰাজ্যৰ ভিতৰত এখন ৰাজ্য হ'বলৈ সক্ষম হ'ম। এইক্ষেত্ৰত কেৱল লোকনিৰ্মাণ বিভাগেই নহয় অন্যান্য বিভাগ সমূহেও একেলগে যদি কাম কৰি যায় তেতিয়াহ'লে আমি নিশ্চিতভাৱে অসমখনক আগুৱাই লৈ যাবলৈ সক্ষম হ'ম। বৰ্তমান বাজেটত যিখিনি ধন ইতিমধ্যে আবণ্টিত হৈছে সেই আবণ্টিত ধনৰ ভিতৰত ODSP, SCSP আৰু TSP এই তিনিটা শিতানত ধনৰ পৰিমাণটো যদি বৃদ্ধি কৰে তেতিয়াহ'লে পিছপৰি থকা সম্প্ৰদায় কেইটাক আগবঢ়াই নিয়াত সুবিধা হ'ব। মোৰ এই কথাখিনি চৰকাৰে নিশ্চয় বিবেচনা কৰিব বুলি আশা থাকিল আৰু চৰকাৰৰ যিটো নীতি সেইটো ও নিশ্চয় আগবাঢ়ি যাব। গতিকে মই বিৰোধী পক্ষৰ কৰ্তন প্ৰস্তাৱৰ বিৰোধিতা কৰি মাননীয় মন্ত্ৰী মহোদয়ে লোকনিৰ্মাণ (পথ আৰু দলং) বিভাগত যিখিনি ধন বিচাৰিছে সেইখিনিৰ প্ৰতি সমৰ্থন জনাই মোৰ বক্তব্য সামৰণি মাৰিছো।

**শ্ৰী কৃষ্ণকমল তাঁতী, সভাপতি ঃ** এতিয়া মাননীয় বিধায়ক শ্ৰী মনোৰঞ্জন তালুকদাৰ।

**শ্ৰী মনোৰঞ্জন তালুকদাৰ, (সৰভোগ) ঃ** মাননীয় সভাপতি মহোদয়, মোৰ কথাটো হৈছে পথ নিৰ্মাণৰ ক্ষেত্ৰত থকা time factor ৰ ওপৰত। মাননীয় মুখ্যমন্ত্ৰী মহোদয়ে ঘোষণা কৰিছিল যে জুন-জুলাই মাহৰ ভিতৰত আঁচনিবোৰ ল'ব আৰু তাৰ পিছত যিবোৰ estimate লগতে অন্যান্য কামবোৰ কৰি উঠি অক্টোবৰ মাহত তেওঁলোকে টেণ্ডাৰ কল কৰিব আৰু এক নবেম্বৰৰ পৰা কাম আৰম্ভ কৰিব।

(Hon'ble Deputy Speaker in the Chair)

**শ্ৰী মনোৰঞ্জন তালুকদাৰ, (সৰভোগ) ঃ** কিন্তু দুৰ্ভাগ্যজনক কথাটো হ'ল যে আমাৰ যিটো অভিজ্ঞতা যে এই চেপ্তেম্বৰ মাহতেই tender issue হৈ আছে। তেওঁলোকে নৱেম্বৰ মাহত কোনো কাম আৰম্ভ কৰিব নোৱাৰে। লোকনিৰ্মাণ বিভাগৰ নিচিনা এটা বিয়াগোম বিভাগে মাননীয় মুখ্যমন্ত্ৰী মহোদয়ে কোৱাৰ পিছতো এই কামটো যে কৰিব পৰা নাই যাৰফলত অসমৰ বিকাশ যথেষ্ট প্ৰতিহত হৈছে। মই স্বীকাৰ কৰো যে অন্য বিভাগত কৈ এই বিভাগটোৱে কিছু হ'লে ও কাম-কাজ কৰিছে। তাৰবাবে মই ধন্যবাদ দিছো। কিন্তু কথাটো হৈছে লোকনিৰ্মাণ বিভাগৰ ফালৰ পৰা যিবোৰ estimate বনাই, আজি ইয়াত বিভাগৰ ফালৰ পৰা মুখ্য অভিযন্তা বা কমিশ্যনাৰ কোনো নাই। আমি এতিয়া কথাখিনি কাক কম। কথাখিনি বতাহতেই যাব। তথাপিও কথাখিনি ক'ব বিচাৰিছো। আনকি আজি বিভাগীয় মন্ত্ৰী মহোদয়ো নাই।

**মাননীয় উপাধ্যক্ষ ঃ** ইয়াত বৰ্তমান পাঁচ গৰাকী মন্ত্ৰী উপস্থিত আছে।

**শ্ৰী মনোৰঞ্জন তালুকদাৰ, (সৰভোগ) ঃ** মই এতিয়া ক'ব বিচাৰিছো যে estimate বনাওঁতে তেওঁলোকে যাতে 12% GST ধৰে। কিন্তু ৰাস্তাটো কৰাৰ পিছত 18% GST আদায় কৰি আছে গোটেই ঠিকাদাৰৰ পৰা। এই যে 12% estimate ত ধৰিব, 18% আদায় কৰিব, what is this ? এই 6% টো ঠিকাদাৰ পৰা মাৰি আছে। ফলত ঠিকাদাৰ সকলে লোকচানৰ মুখত গৈছে। এটা বিভাগে 12% estimate কৰি 18% কিয় আদায় কৰে? এইটো মাননীয় মুখ্যমন্ত্ৰী ডাঙৰীয়াৰ পৰা উত্তৰটো মই নিশ্চিতভাৱে বিচাৰিম। অসম মালাৰ ক্ষেত্ৰত মই এটা উল্লেখ কৰিছিলো, মোৰ পুৰণা সমষ্টিত মানাহ অভয়াৰণ্যখন আছে। এতিয়া মানাহ এটা সমষ্টি হৈছে, তাৰ কাষলৈকে মোৰ সমষ্টি। মানাহ অভয়াৰণ্যত প্ৰায় যিবিলাক পৰ্য্যটক আহে, এই বৰপেটাৰোডৰ পৰা তালৈকে যাবলৈ ২৩ কিলোমিটাৰ ৰাষ্টা। মই বাৰে বাৰে কৈছো নিৰ্মাণ কৰিব লাগে, অসম

মালাটো নিৰ্মাণ কৰিব লাগে। এইবাৰ কৈছে ২৫ কিলোমিটাৰ কৰিব। মই নিশ্চয় বিচাৰিম, এই ৰাস্তাটো অসম মালাত যাতে নিৰ্মিত হয়, যাতে পৰ্য্যটক সকলে সহজতে গৈ মানাহ অভয়াৰণ্যত তেওঁলোকে থাকিব পাৰে, উপভোগ কৰিব পাৰে, কাৰণ মানাহ অভয়াৰণ্যৰ গুৰুত্ব যথেষ্ট পৰিমাণে বাঢ়িছে। আন কিছু কথা bridge সম্পৰ্কত যিটো কথা বহুতে কৈছে, আমাৰ মাননীয় সদস্য শ্ৰীদূৰ্গা দাস বড়ো ডাঙৰীয়াই তেওঁ কেইবাখনো bridge পাইছে। তেওঁ সৌভাগ্যবান। কিন্তু মই সৌভাগ্যবান নহয়। মই মাত্ৰ এতিয়ালৈকে ৪ বছৰত ৩ খন bridge ৰ sanction হে পাইছো। এখন bridge ২০১৯ চনত আৰম্ভ কৰিছিল বেকী নদীৰ ওপৰত, আজি ২০২৫ চন, মাজতে কাম-কাজ বন্ধ কৰি টালি-টোপোলা বান্ধিলে ঠিকাদাৰে, এতিয়া দেখিছো আকৌ আহি ঘুনুক-ঘানাককৈ কিবা কৰিবলৈ আৰম্ভ কৰিছে। ২০২৫ চন আহি পালে। এই ৬ বছৰ বেকী নদীৰ ওপৰৰ bridge খন এতিয়ালৈকে নিৰ্মাণ নহ'ল, এইটো এটা ভয়ংকৰ কথা। আনফালে মই এখন bridge ক্ষুন্নবাৰী পথাৰ আৰু ক্ষুন্নবাৰী গাওঁৰ মাজত নজৰা নদীৰ ওপৰত প্ৰথম বছৰতে DRP দাখিল কৰিলো, হ'ব বুলি ক'লে মাননীয় মুখ্যমন্ত্ৰীয়ে। আজিলৈকে কিন্তু নহ'ল। এতিয়া বাহৰ ব্ৰীজৰ কথা কৈছে মাননীয় সদস্য শ্ৰী জাকিৰ হুছেইন ডাঙৰীয়াই। বাঁহৰ ব্ৰীজ মোৰ তাতো আছে। এই ভকুৰামাৰী গাওঁখনত উপাই নাপাই আমি পইচা তুলি কাঠৰ ব্ৰীজ এখন কৰি থৈছো এই বাৰিষা কালত ভয়ংকৰ বিপদৰ সন্মুখীন হয়, এই bridge খনত কোনো ধৰণৰ কাম-কাজ হোৱা নাই। আন এটা কথা মাননীয় সদস্য শ্ৰীভৰেন্দ্ৰ নাথ ভড়ালী ডাঙৰীয়াই দাবী কৰিছে, মই এই দাবীটোক সমৰ্থন কৰিছো। SC, ST আৰু Plains আৰু Hills ৰ কাৰণে reservation ৰ কথা কৈছে, এতিয়া fund allocation দিয়া হ'ব কোটিৰ ওপৰত পইচা ধাৰ্য্য কৰিছে। এই allocation ৰ পৰা যদি এটা নিৰ্দ্দিষ্ট শতাংশ ১০ শতাংশ SC. কৈছে বোধকৰো ৫ শতাংশ Tribal কাৰণে কৈছে ৫ শতাংশ আৰু Hills Tribal ৰ কাৰণে কৈছে। এই টকাখিনি ধাৰ্য্য কৰা দৰকাৰ, কাৰণ এই অংশৰ মানুহক আমি যদি ওপৰলৈকে উঠাই আনিব লাগে, তেতিয়াহ'লে নিশ্চিতভাৱে তাত reservation আমাৰ fund allocation ৰ ক্ষেত্ৰত যাতে কৰে। এইটো কৰক আৰু মই পুনৰ দোহাৰিছো চেপ্তেম্বৰত work order দিয়াটো বন্ধ কৰক। এটা বিভাগৰ দক্ষতা নিৰ্ভৰ কৰিব মাননীয় মুখ্যমন্ত্ৰীয়ে যিটো ঘোষণা কৰিছে ১ নৱেম্বৰত কাম আৰম্ভ কৰিব, ১ নৱেম্বৰত কাম আৰম্ভ হওঁক, তেতিয়াহ'লে আমাৰ ৰাস্তা-ঘাট যাব আৰু যিটো বৈষম্য চলি আছে ব্ৰীজৰ ক্ষেত্ৰত, এই বৈষম্য যাতে আঁতৰ কৰে, এই দাবী মই উত্থাপন কৰিলো।

**মাননীয় উপাধ্যক্ষ** ঃ ধন্যবাদ। মাননীয় সদস্য শ্ৰী উৎপল বৰা।

**শ্ৰী উৎপল বৰা, (গহপুৰ)** ঃ মাননীয় উপাধ্যক্ষ মহোদয়, আজি পবিত্ৰ বিধান সভাত মাননীয় মুখ্যমন্ত্ৰী তথা লোকনিৰ্মাণ বিভাগৰ মন্ত্ৰী ডাঙৰীয়াই যি ১০ লাখ ৫২ হাজাৰ ৭ শ ৮১ লাখ মঞ্জুৰীৰ যি দাবী উত্থাপন কৰিছিল, সন্মানীয় বিৰোধী সদস্য সকলে তাৰ বিৰোধিতা কৰি কৰ্তন প্ৰস্তাৱ আনিছে। মই মঞ্জুৰীৰ সমৰ্থন জনাই আৰু লগতে বিৰোধী পক্ষই অনা কৰ্তন প্ৰস্তাৱৰ বিৰোধিতা জনাই অকমান ক'বলৈ ওলাইছো। আমাৰ যদি State খনৰ development লাগে বা আমাৰ সমষ্টিবিলাকৰ development লাগে, আমি কিছু milestone ৰ ওপৰত গুৰুত্ব দিব লাগিব আৰু তাৰ ভিতৰত প্ৰধান আমাৰ গুৰুত্বটো connectivity, যেতিয়ালৈকে আমাৰ connectivity ভাল নহ'ব, economic upliftment আমাৰ সমাজত হোৱাতো অসম্ভৱ, আমি দেখিছো স্বাধীনতা হোৱা বহুবছৰ হ'ল, বিগত চৰকাৰ বিলাকৰ দিনত connectivity ৰ ওপৰত বিশেষ গুৰুত্ব দিয়া নাছিল। যাৰ জৰিয়তে আজি বিৰোধী হওঁক, শাসকীয় সকলো সন্মানীয় সদস্যই একেখিনি

কথাই কৈছে যে আজিৰ পৰা ১৫-২০ বছৰ আগত বা ৩০ বছৰৰ আগত যাতায়াত ব্যৱস্থাটো আমাৰ কি আছিল? আৰু এতিয়া ২০১৬ চনৰ পিছত ভাৰতীয় জনতা পাৰ্টী তথা NDA চৰকাৰ অহাৰ পিছত অসমক আন্তঃগাথনি বিশেষভাৱে উন্নয়ন হ'ব দিছে যাৰ জৰিয়তে connectivity ৰ জৰিয়তে আমি আমাৰ economic upliftment ত যথেষ্ট লাভান্বিত হৈছো। আজি Roads আৰু Bridge ৰ ওপৰত আমাৰ বিৰোধী সদস্য সকলেও উত্থাপন কৰিছে, কৰ্তন আনিছে, কিন্তু তেখেত লোকৰ ভাষণত যিটো আমাৰ Assembly ৰ Rules and Procedure আছে, তেখেতলোকে আনিছে, অনাৰ পিছত কিন্তু তেখেতলোকেও বিচাৰিছে যে তেওঁলোকৰ নিজৰ নিজৰ সমষ্টিত Roads আৰু Bridge ৰ প্ৰয়োজনীয়তা আছে আৰু আমাৰ World Bank প্ৰধান মন্ত্ৰী গ্ৰাম্য চৰক যোজনা, মুখ্যমন্ত্ৰী পকীপথ উন্নত আঁচনি, repairing renewal, এই সকলোবিলাকৰ জৰিয়তে লোকনিৰ্মাণ বিভাগে অসমৰ প্ৰতিটো sector ত, প্ৰতিটো সমষ্টিত আজি এক নতুনত্ব ৰূপ দিব বিচাৰিছে পথ নিৰ্মাণৰ ক্ষেত্ৰত বা দলং নিৰ্মাণৰ ক্ষেত্ৰত আৰু মই যদি নিজৰ সমষ্টিৰ কথা কওঁ যে, মই ২০১৬ চনত যেতিয়া বিধায়ক হৈছিলো, আগৰ গৰাকী বিধায়িকাই minor আৰু major bridge লৈ মোক প্ৰায় ৫০ খনতকৈ অধিক কাঠৰ দলং উপহাৰ দি গৈছিল। আজি মই আনন্দেৰে এই সদনত জনাব বিচাৰিছো যে আগৰ বিধায়িকা গৰাকীয়ে দি থৈ যোৱা সেই সময়ত যি যৌতুক হিচাপে দিছিল, সেইখিনি সম্পূৰ্ণভাৱে RCC দলং কৰাৰ পাছতহে আমি কিছুমান minor bridge কৰিবলৈ সক্ষম হৈছো। যাৰ জৰিয়তে all round development ৰ পক্ষে আমি আগবাঢ়িছো। আজি আমাৰ ব্ৰহ্মপুত্ৰৰ ওপৰত দলং নিৰ্মাণ, গুৱাহাটী চিটিতেই নহয়, আজি অসমৰ বিভিন্ন চহৰ বিলাকত আমাৰ fly over ৰ নিৰ্মাণ কাৰ্য্য চলি আছে আৰু fly over নিৰ্মাণ কাৰ্য্য চলি হকাৰ বাবদ আজি ইয়াতে যদি চাওঁ যে আমাৰ খানাপাৰাৰ পৰা Air Port লৈকে যাবলৈ সময় কিমান লাগিছে। বিৰোধী দলৰ সদস্য সকলে এই ক্ষেত্ৰত এই কথা স্বীকাৰ কৰিব লাগিব। আজি মাননীয় মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মা ডাঙৰীয়াৰ নেতৃত্বত অসম চৰকাৰে যি প্ৰচেষ্টা ৰাখিছে, সেই প্ৰচেষ্টাত আজি কেন্দ্ৰীয় চৰকাৰৰ মাননীয় প্ৰধান মন্ত্ৰী শ্ৰীনৰেন্দ্ৰ মোদী ডাঙৰীয়াৰ অনুগ্ৰহত আমি অসমত National Highway বিলাকো আজি ভাল কৰিবলৈ, 4 lane বিলাকো ভাল কৰিবলৈ বিচাৰিছো। আজি অসমত মাননীয় মুখ্যমন্ত্ৰী ডাঙৰীয়াৰ নেতৃত্বৰ চৰকাৰখনে আজি অসমৰ আন্তঃগাঁথনি উন্নয়নৰ লগত এক ৰঙীণ সপোন দেখিছে। আজি আমি ব্ৰহ্মপুত্ৰৰ ওপৰত Assam PWD হওঁক বা Central Government ৰ Funding ৰ জৰিয়তে যি ব্ৰীজ নিৰ্মাণ তাৰ ওপৰত গৈ আজি tunnel নিৰ্মাণৰ কামৰ কথাও আজি কেন্দ্ৰীয় চৰকাৰৰ সহযোগিতাত কল্পনা কৰিছে আৰু খুব কম দিনত নুমলীগড়, গহপুৰৰ মাজত আজি tunnel নিৰ্মাণ হ'ব প্ৰায় চাৰে বাৰ কিলোমিটাৰ দৈঘ্যত। আজি প্ৰধান মন্ত্ৰী গ্ৰাম চৰক যোজনাৰ অধীনত আমি সকলোৱে phase 1, phase 2 বিভিন্ন সময়ত আমি দেখিছো সকলো গাৱঁলীয়া ৰাস্তা পকীকৰণ হৈছিল আৰু এইবাৰ আমাৰ অসম চৰকাৰৰ লোকনিৰ্মাণ বিভাগৰ বিশেষ তৎপৰতাত আৰু আমি প্ৰধান মন্ত্ৰী গ্ৰাম চৰক যোজনাৰ অধীনত ৰাস্তা পাবৰ কাৰণে সক্ষম হৈছো। গতিকে ৰাস্তা আৰু পথ এইবিলাক বিষয় নিৰ্মাণৰ কাৰণে অসম চৰকাৰে এইবাৰ বাজেটত যি পূঁজি ধৰিছে, মই ভাবিছো আৰু পূঁজি বঢ়াব লাগে। আজি মানুহৰ thinking capacity টো বাঢ়ি গৈছে, আজি মানুহে accept কৰিছে। আগৰ চৰকাৰ বিলাকৰ দিনত ৰাইজে বিচাৰিছিল ৰাস্তাবিলাক sand gravel ৰ হওঁক। অকমান শিল বালি পেলাই দিয়াৰ কথা কয়। কিন্তু আজি যদি আমি প্ৰত্যেক গৰাকী বিধায়কে গাওঁবিলাকলৈ যাওঁ বা নিজৰ নিজৰ সমষ্টিত যেতিয়া পৰিভ্ৰমণ কৰো,

ৰাইজে আমাক এটা কয় যে, pavours block ৰ ৰাষ্টা আমাক লাগে। তাৰমানে আমাৰ ৰাইজে বিচাৰিছে, আশা কৰিছে মাননীয় মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মা ডাঙৰীয়াৰ নেতৃত্বৰ চৰকাৰখনক আজি sand gravel ৰাষ্টাতকৈ আজি যেতিয়া pavours block ৰ ৰাষ্টা যেতিয়া দিবই, তাৰ কাৰণে আজি ৰাইজে সকলোৰে বিচাৰে, আপোনালোকেও নিশ্চয় বিচাৰে যে pavours block ৰ ৰাষ্টা লাগে sand gravel ৰ ৰাষ্টা নালাগে। সেইকাৰণে মাননীয় মুখ্যমন্ত্ৰী ডাঙৰীয়াই যি বিচাৰিছে, যি মঞ্জুৰী বিচাৰিছে বাজেটৰ জৰিয়তে বঢ়াব লাগে, ইয়াক কমোৱা কোনো প্ৰশ্ন নাহে লগতে Communication, Connectivity আৰু cordination এই তিনিটা আমাৰ চৰকাৰখনৰ মুল লক্ষ্য হিচাপে আগবাঢ়ি গৈছে। আমাৰ বহুকেইজন বক্তাই এইক্ষেত্ৰত কৈছে Advantage Assam ৰ জৰিয়তে বাহিৰা investor সকল অসমলৈ আহিব বিচাৰিছে। বাহিৰা investor সকলে যেতিয়া ইয়াত উদ্যোগ পাতিব তেওঁলোকৰ কাৰেণ দলং আদি লাগিব। তেতিয়া আমাক কেঁচা সামগ্ৰীসমূহ পাবৰ বাবে আৰু উদ্যোগ সমূহলৈ সেইবোৰ কঢ়িয়াই নিবলৈ লগতে marketing production ৰ কাৰণে যদি ৰাস্তাৰ ভাল ব্যৱস্থা নাথাকে তেতিয়া আমি যথেষ্ট প্ৰত্যাহ্বানৰ সন্মুখীন হম। সেইকাৰণে চৰকাৰে ইমানখিনি পুঁজি ল'ব বিচাৰিছে। মোৰ বিশ্বাস যে আমি ৰাস্তা-পদূলি নিৰ্মাণ কৰাৰ লগে লগে বাহিৰা investor সকল অসমলৈ আহিব আৰু অসমৰ নতুন দিগন্তৰ পৰিকল্পনা হ'ব। যাৰ জৰিয়তে অসমৰ আন্তঃগাঁথনি, অৰ্থনৈতিক উন্নয়ণ, সাংস্কৃতিক বিকাশ আদি হ'ব। আগতে ৰাস্তা-পদূলি বেয়া আছিল। বানপানী হৈছিল। যদিও এইটো কেন্দ্ৰীয় চৰকাৰৰ বিষয় তথাপিও মই মাননীয় মুখ্যমন্ত্ৰী আৰু বিভাগীয় মন্ত্ৰীক এটা কথা অনুৰোধ কৰিব বিচাৰিছো। আমাৰ দুৰ্য্যোগ ব্যৱস্থাপনাৰ ফালৰ পৰা দুৰ্য্যোগৰ ফলত যি ৰাস্তা-পদূলি ভাঙি যায়, তাৰ কিছুমান নৰ্মচ আছে। সেই নৰ্মচখিনি অতি nominal. Per kilometer ৰাস্তা ভাঙিলে যিটো rate দিয়া থাকে, black topping বা কেঁচা ৰাস্তা আৰু বাসগৃহ ভাঙিলে দুৰ্য্যোগ ব্যৱস্থাপনাৰ পৰা যিখিনি নৰ্মচ আছে, সেই ক্ষেত্ৰত আমাৰ ফালৰ পৰা এটা চেষ্টা থাকিব লাগে। ৰাস্তা-পদূলি ভঙাৰ নামত আমি যি compensation পাওঁ সেইখিনিৰে পুনৰ ৰাস্তাটো মেৰামতি কৰাত সম্ভৱ নহয়। মাননীয় উপাধ্যক্ষ মহোদয় আপুনিও যিহেতু এজন বিধায়ক আপুনিও নিশ্চয় এই কথাটো অনুভৱ কৰে। মোৰ গহপুৰ সমষ্টিত যথেষ্ট বানপানী হয় আৰু বানপানী হোৱাৰ কাৰণে কেইবাখনো পাহাৰীয়া নদীয়ে মানুহৰ ঘৰ-দুৱাৰ ভাঙি জলা-কলা দেখুৱায়। এক লাখ বিশ হাজাৰ টকা এটা ঘৰৰ কাৰণে, প্ৰতি কিলোমিটাৰ ষাঠি হাজাৰ টকা পকী ৰাস্তা নিৰ্মাণৰ কাৰণে দিয়া পুঁজি যথেষ্ট নহয়। মই বিৰোধী দলকো কৈছো যে আমাৰ যিখিনি সৃষ্টিমূলক কাম সেই কামসমূহ আমি সকলোৰে মিলি কৰিব লাগে। আমি ১২৬ জন বিধায়ক বিধান সভালৈ নিৰ্ব্বাচিত হৈ আহিছো আৰু আমাৰ লক্ষ্য হৈছে অসমৰ জনসাধাৰণক উন্নয়ণ কৰা। আজি শাসক পক্ষই বাজেট দাখিল কৰাৰ পিছত তাৰ বিৰোধীতা কৰাটোৰেই আমাৰ লক্ষ্য হ'ব নালাগে। আমাৰ যি খিনি ইউনাইটেড কাম সেইখিনি একেলগে কৰিবলৈ বিৰোধীদলক আহ্বান জনাইছো। আপোনালোকে বাজেটত আৰু পইচা দিয়াৰ ব্যৱস্থা কৰিবলৈ কওঁক যাৰ জৰিয়তে আহিবলগীয়া দিনসমূহত বানপানীৰ সময়ত ক্ষতিগ্ৰস্ত ৰাস্তা-পদূলিসমূহ নিৰ্মাণ কৰিব পাৰো। মাননীয় মুখ্যমন্ত্ৰী মহোদয়ে যি সপোন দেখিছে সেই সপোনক বাস্তৱত ৰূপায়িত কৰিবলৈ আৰু এখন সুন্দৰ বাজেট ২০২৬ চনৰ বাবে উপস্থাপন কৰিছে। এই বাজেটখন সফল কৰি অসমৰ কেৱল আন্তঃগাঁথনিয়েই নহয় অসমৰ সাংস্কৃতিক বিকাশ আৰু অসমৰ শৈক্ষিক বিকাশৰ বাবে যিখিনি কাম কৰিবলৈ গৈ আছে তাত মই সমৰ্থ কৰি আপোনালোকে যি কৰ্তন প্ৰস্তাৱ আনিছে তাক মই বিৰোধিতা কৰি এই কৰ্তন প্ৰস্তাৱ উঠাই ল'বলৈ অনুৰোধ কৰিছো।

ধন্যবাদ।

**মাননীয় উপাধ্যক্ষ ঃ** এতিয়া মাননীয় সদস্য নিৰ্মল কুমাৰ ব্ৰহ্ম, তেখেত অনুপস্থিত। এতিয়া অখিল গগৈ ডাঙৰীয়াই কওঁক।

**শ্ৰী অখিল গগৈ, (শিৱসাগৰ) ঃ** মাননীয় উপাধ্যক্ষ মহোদয়, আমাৰ আটাইকেইটা বিভাগৰ ভিতৰত আটাইতকৈ বেছি পুঁজিৰ আবণ্টন দিয়া বিভাগটো হৈছে-লোক নিৰ্মাণ বিভাগ আৰু এই বিভাগক আটাইতকৈ বেছি পুঁজি আবণ্টণ দিয়া হিচাপে সেই বিভাগত হয়তো কামো বেছি। কিন্তু মই দেখি আছো যে লোক নিৰ্মাণ বিভাগত গোটেই অসমৰ ৰাস্তা উন্নয়ণৰ কাৰণে এটা vision প্ৰস্তুত কৰিব লাগে। vision টো এনেকুৱা হ'ব লাগে যে ঘৰৰ পৰা চুবুৰীলৈ ওলাই অহা ৰাস্তাটো, চুবুৰীৰ পৰা গাওঁখনক সংলগ্ন কৰা ৰাস্তাটো, গাওঁখনক লোক নিৰ্মাণ বিভাগৰ লগত সংলগ্ন কৰা ৰাস্তাটো আৰু লোক নিৰ্মাণ বিভাগৰ ৰাস্তাটোৱেই গৈ জিলা সদৰ আৰু ৰাষ্ট্ৰীয় ঘাই পথৰ লগত সংলগ্ন কৰা এটা vision কৰিব লাগে। মই ভাৱো যে প্ৰত্যেকটো সংমণ্ডলৰ কাৰ্য্যবাহী অভিযন্তাৰ সন্মুখত এনেকুৱা ডিজিটেল মেপ এখন সকলো সময়তে থাকিব লাগে যে এই ৰাস্তাটো হৈ গ'ল। সেইটো সেউজীয়া হৈ থাকিব, এই ৰাস্তাটো মেৰামতি কৰিবলগীয়া আছে, সেইটো নীলা হৈ থাকিব, এই ৰাস্তাটো একেবাৰে বেয়া, নতুনকৈ বনাব লাগিব। সেইটো ৰঙা হৈ থাকিব। এনেকৈ যদি গোটেই অসমৰ বাবে এটা vision তৈয়াৰ কৰি নলয়, তেন্তে বহু পইচা খৰচ কৰিলেও আমি যি ধৰণে আমাৰ road networking টো কৰিব খুজিছো আৰু উন্নয়ণৰ কাৰণে আটাইতকৈ যিটো প্ৰয়োজনীয় road সেয়া হৈ নুঠিব। মই ভাৱো যে আজিৰ দিনটোত আলোচনা কৰিবলগীয়া আটাইতকৈ দৰকাৰী বিষয়টোৱেই হৈছে লোক নিৰ্মাণ বিভাগৰ এটা vision ৰ দৰকাৰ। লোক নিৰ্মাণ বিভাগে ৰাস্তা নিৰ্মাণ কৰিছে। সকলোৱে সমষ্টিতে ৰাস্তা নিৰ্মাণ কৰিছে আৰু মোৰ সমষ্টিতো ৰাস্তা নিৰ্মাণ কৰিছে। আটাইতকৈ বেছি পুঁজিৰ আবণ্টণ লোক নিৰ্মাণ বিভাগ আৰু জলসম্পদ বিভাগক দিয়া হৈছে। কিন্তু একে সময়তে দেখিবলৈ পাইছো যে পুঁজিৰ আবণ্টন দিয়াৰ পিছত বিভাগত কিছুমান দুৰ্নীতিগ্ৰস্ত কাম কৰি থকা হৈছে। উদাহৰণ স্বৰূপে বিহুৰ গ্ৰীনিজ বুক অফ ৱৰ্ল্ড ৰেকৰ্ডৰ সময়ত ভূপেন্দৰ সিঙৰ কিকি বাহিনীয়ে সাংঘাতিক ধৰণৰ কেলেংকাৰী সংঘটিত কৰিলে। ১৪ এপ্ৰিলত অনুষ্ঠিত হোৱা বিহুৰ পাঁচ মাহ সোতৰ দিনৰ পিছত পেণ্ডেলৰ ঠিকাৰ আবণ্টণ টেণ্ডাৰ তেতিয়াহে কৰা হ'ল। কাম আগতে কৰি শেষেই কৰিলে। বেক ডেটেৰে বাৰ কোটি আঠষষ্ঠি লাখ টকাৰ নিবিদা কিকি বাহিনীক দিয়া হৈছিল। এখন চোফা কিনা বা ভাড়াৰ নামত তিনি লাখ টকাকৈ খৰচ কৰা হৈছিল। এখন পালষ্টিকৰ চকী ১৯০০ টকাকৈ ভাড়াত লোৱা হৈছিল। আমি ইমান টকাকৈ ভাড়া লোৱা পৃথিৱীত কেতিয়াও আগতে শুনা নাই। এনেদৰে বাৰ কোটি টকা কিকি বাহিনীক লুণ্ঠন কৰিবলৈ দিয়া হৈছিল। লোক নিৰ্মাণ বিভাগৰ এই ৰেকেটটো বন্ধ নহ'লে আমি ভালকৈ পুঁজিৰ আবণ্টণ কৰিলেও ..........interruption.........

**শ্ৰী দিগন্ত কলিতা, (কমলপুৰ) ঃ** মাননীয় উপাধ্যক্ষ মহোদয়, এইখিনিৰ লগত লোক নিৰ্মাণ বিভাগৰ কি সম্পৰ্ক আছে, মই বিৰোধীতা কৰা নাই। কিন্তু মই বুজি পোৱা নাই।

**মাননীয় উপাধ্যক্ষ ঃ** লোক নিৰ্মাণ বিভাগৰ context ত এই খিনি আনিছে।

**শ্ৰী অখিল গগৈ, (শিৱসাগৰ) ঃ** মাননীয় উপাধ্যক্ষ মহোদয়, মই ভাৱো যে লোক নিৰ্মাণ বিভাগৰ এই দুৰ্নীতি বন্ধ কৰিব লাগে। এতিয়া আহিল যে সৰু সৰু ঠিকাদাৰৰ ভাত মাৰি ডাঙৰ ডাঙৰ ঠিকাদাৰক বিভাগটো চলাবলৈ দিয়া হৈছে। বিশেষকৈ team of three, অশোক সিংহী, অনিল দাস আৰু অনুপম শৰ্মা তেওঁলোকে সকলো কাম পায় আৰু সৰু সৰু ঠিকাদাৰক মাৰি পোলোৱা হৈছে। এইটো ভয়ানক ঘটনা। অনুপম শৰ্মাই মালিগাওঁৰ ফ্লাই অভাৰ, অনিল দাস জু-

ৰোডৰ ফ্লাই অভাৰ, চুপাৰ মাৰ্কেটৰ ফ্লাই অভাৰ অনিল দাস, চানমাৰিৰ ফ্লাই অভাৰ অনুপম শৰ্মা, ছাইকেল ফেক্টৰী আৰু ছয় মাইলৰ  ফ্লাই অভাৰ অশোক সিংহীক দিয়া হৈছে। গোটেই ডাঙৰ কামখিনি এই  তিনিজন মানুহক দিয়া হৈছে। এইটো কি ধৰণৰ কাহিনী মই বুজি পোৱা নাই। সৰু সৰু ঠিকাদাৰ সকল মৰি যাব। আমি এইবাৰ নিজেই দেখিছো যে আমাৰ সমষ্টিত যিসকলে কাম কৰিছে কেৱল পোন্ধৰ শতাংশ টকা দিয়া হৈছে আৰু শাসক পক্ষৰ সমষ্টিৰ ঠিকাদাৰসকলক বেছি পইচা দিয়া হৈছে। বিৰোধী পক্ষৰ সমষ্টিৰ ঠিকাদাৰসকলক কমকৈ পইচা দিয়া হয়। উৰণীয়া সেঁতুৰ ক্ষেত্ৰত ....interruptions.....

**মাননীয় উপাধ্যক্ষঃ** এইবোৰ কাম tender নকৰাকৈ পাইছে নে legally পাইছে?

**শ্ৰী অখিল গগৈ, (শিৱসাগৰ)ঃ**  Tender কৰিয়েই পাইছে।

**মাননীয় উপাধ্যক্ষঃ** তেনেহ'লে আপুনি তাত কেনেকৈ প্ৰশ্ন কৰিব?

**শ্ৰী অখিল গগৈ, (শিৱসাগৰ)ঃ** তেওঁলোকক fund allocation বেছিকৈ দিছে। য'ত rulling partyৰ বিধায়ক আছে তাৰে  ঠিকাদাৰৰ বাবে বেছিকৈ পইচা allocate কৰে। আমাৰবোৰৰ কাৰণে কম ....interruptions.....

**মাননীয় উপাধ্যক্ষঃ** মাননীয় সদস্য, যদি কিবা anomaly হৈছে তেন্তে আপুনি সেইটো পইণ্ট আনক।

**শ্ৰী অখিল গগৈ, (শিৱসাগৰ)ঃ** উপাধ্যক্ষ মহোদয় মই ভাৱো যে আপুনি যিহেতু PWD বিভাগৰ মন্ত্ৰী নহয়, মই আপোনাক নিশ্চয় কথাবোৰৰ উত্তৰ দিয়াৰ প্ৰয়োজন নাই। মই চৰকাৰক কৈ আছো আৰু মই ভাৱো যে আপুনি এজন নিৰপেক্ষ মানুহ হিচাপে মোক কথাকেইটা ক'বলৈ দিয়ক ....interruptions.....  আপুনি আমাৰ ৰেফাৰী ....interruptions.....

**মাননীয় উপাধ্যক্ষঃ** Definitely। কিন্তু এই সদনৰ পৰা ভুল তথ্য যাব নালাগে ....interruptions.....

**শ্ৰী অখিল গগৈ, (শিৱসাগৰ)ঃ**আপুনি আমাৰ বিচাৰক ....interruptions.....

**মাননীয় উপাধ্যক্ষঃ** সদনৰ পৰা সঁচা কথা যোৱাত মোৰ দায়িত্ব আছে। আপোনাৰ কথা on rccord থাকিব....interruptions.....

**শ্ৰী অখিল গগৈ, (শিৱসাগৰ)ঃ** মই ভাৱো যে চৰকাৰক যিখিনি ক'বলগীয়া সেইখিনিত মই যদি আপোনাক উত্তৰ দি থাকিব লাগে তেন্তে মোক সময় বঢ়াই দিব লাগিব ....interruptions.....

**মাননীয় উপাধ্যক্ষঃ** আপোনাৰ সময় এনেও শেষ হৈছে। সেই কাৰণেই মই কৈছো ....interruptions.....

**শ্ৰী অখিল গগৈ, (শিৱসাগৰ)ঃ** উৰণীয়া সেঁতুৰ ক্ষেত্ৰত আমি দেখিছো যে জু-ৰোডৰ উৰণীয়া সেঁতুখন হোৱাৰ বাবে ৫০% ব্যৱসায়িক দোকান বন্ধ হৈছে ....interruptions.....

**মাননীয় উপাধ্যক্ষঃ** Please conclude। সময় শেষ হৈছে।

**শ্ৰী অখিল গগৈ, (শিৱসাগৰ)ঃ** আজি অলপ আগতে হুলস্থূল হ'ল। ধোদৰ-আলিটো এতিয়ালৈকে নকৰাটো অত্যন্ত ডাঙৰ কথা হৈছে। শিৱসাগৰৰ বিজি ৰোডটো বনাবৰ বাবে শিৱ হাৰলালকাক ঠিকা দিলে কিন্তু তেওঁ কাম নকৰি বহি আছে। মথাউৰিৰ ওপৰত পকীকৰণ কৰাৰ ধুনীয়া আঁচনি এটা লৈছিল কিন্তু এইবাৰ সেই আঁচনিটো নাই। অসম মালাও ভাল আঁচনি আছিল ....interruptions.....

**মাননীয় উপাধ্যক্ষঃ** Please conclude

**শ্ৰী অখিল গগৈ (শিৱসাগৰ)ঃ** কিন্তু আমাৰ ৰাস্তাবোৰত মাটি fillup কৰাৰ বাবে কোনো ব্যৱস্থা লোৱাত ....interruptions.....মোৰ দিখৌ নদীৰ ওপৰত দলং এখন লাগে। Steel Bridge খন বচাব লাগে ....interruptions.....

**মাননীয় উপাধ্যক্ষঃ** মাননীয় সদস্যসকল আমাৰ সময় শেষ হৈছে। সদন ২৪-০৩-২০২৫ তাৰিখৰ পুৱা ০৯ঃ৩০ বজালৈ স্থগিত ৰখা হ'ল।